● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল


## দিগ্‌দৰ্শন

পুঁজিবাদৰ মূল আৰু একমাত্ৰ সমস্যা হৈছে পুঁজিপতিসকল।



হাৰ্বাৰ্ট হুভাৰ
*প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি*


www.dainikagradoot.in




৭ হোৱাটছএপে নিষিদ্ধ কৰিলে ২.৩৮ কোটি একাউণ্ট
১৫ অগ্ৰগতি অৰ্জন কৰিও স্বস্তিত নাই ভাৰত
৪ অসমত বান সমস্যা সমাধানৰ সম্ভাৱনা কিমান?



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৬৪তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৯ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৪ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 4 July 2022 মূল্য ঃ ৯.০০ টকা


■ ২০২৪ৰ সাধাৰণ নিৰ্বাচনৰ পূৰ্বে সকলো জনগোষ্ঠীৰ ওচৰ চাপিবলৈ দলক বাৰ্তা ■ দ্ৰৌপদী মুৰ্মু হ'ব লোকসভা নিৰ্বাচনত বিজেপিৰ ট্ৰাম্প কাৰ্ড ■ হায়দৰাবাদত বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহকত মোদী

# হিন্দুৰ মাজতে সীমাবদ্ধ থাকিলে নহ'ব



■ নিউজ ব্যুৰ'
**হায়দৰাবাদ, ৩ জুলাই ঃ** হিন্দু ধৰ্মাৱলম্বী লোকৰ মাজতে আবদ্ধ নাথাকি অন্যান্য সম্প্ৰদায়ৰ মাজলৈ যাবলৈ দলীয় কৰ্মীক আহ্বান জনালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। হায়দৰাবাদত অনুষ্ঠিত বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহ সমিতিৰ বৈঠকৰ অন্তিম দিনা দলক মানুহৰ মাজলৈ যাবলৈ বাৰ্তা দিলে প্ৰধানমন্ত্ৰীয়ে। আজি তেওঁ ভাষণত হিন্দুসকলৰ উপৰি অন্যান্য বঞ্চিত আৰু নিপীড়িত সম্প্ৰদায়ৰ মানুহৰ স'তে পোনপটীয়া সংযোগ স্থাপন কৰিবলৈ দলীয় নেতা-কৰ্মীক আহ্বান জনায়। বৈঠকত মোদীয়ে কয়, 'অন্যান্য সম্প্ৰদায়ৰ মাজতো বঞ্চিত, নিপীড়িত মানুহ আছে। আমি কেৱল হিন্দুসকলৰ মাজতে সীমাবদ্ধ হৈ ১০ পৃষ্ঠাত চাওক





## যান-জঁটৰ সুযোগ লৈ পলায়নৰ চেষ্টা ঃ আৰক্ষীৰ গুলিত নিহত দুই ডকাইত

বিশেষ সংবাদদাতা
**কৰিমগঞ্জ, ৩ জুলাই ঃ** কাছাৰ আৰক্ষীৰ গুলিত নিহত হ'ল দুই দুৰ্ধৰ্ষ ডকাইত। যোৱা শুকুৰবাৰে গুৱাহাটীৰ ১০ পৃষ্ঠাত চাওক

## জোৰানসহ অসমৰ পাঁচজনৰ মৃতদেহ উদ্ধাৰ



■ ন শ্ৰমিক এতিয়াও সন্ধানহীন ■ মণিপুৰত বাহৰ পাতিছে মন্ত্ৰী পীযুষে ঃ চিকিৎসাধীন শ্ৰমিকৰ বুজ ল'লে ■ মুখ্যমন্ত্ৰী সিঙক সাক্ষাৎ



ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা
**গুৱাহাটী/ঘগ্ৰাপাৰ/ভুৱাগাঁও/লাহৰীঘাট, ৩ জুলাই ঃ** চুবুৰীয়া মণিপুৰত সংঘটিত ভয়াৱহ ভূমিস্খলনৰ ঘটনাই অসমত বিগত তিনিদিন ধৰি এক শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। সেনাবাহিনীৰ লগতে চুবুৰীয়া ৰাজ্যখনত কাম কৰিবলৈ যোৱা শ্ৰমিককে ধৰি এই মুহূৰ্তলৈ অসমৰ কমেও আঠজন লোক নিহত হোৱাৰ বতৰা আহিছে। ইতিমধ্যে ৰাজ্যৰ তথ্য আৰু জনসংযোগ, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই ঘটনাৰ চৰজমিন পৰ্যবেক্ষণৰ বাবে কালিয়ে অঞ্চলটোত উপস্থিত হৈছে। ১০ পৃষ্ঠাত চাওক

## ১০ হেজাৰ টকাৰ উৎকোচ বিচাৰি গ্ৰেপ্তাৰ হ'ল আৰক্ষী

অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ৩ জুলাই ঃ** এজন মৃত লোকৰ প্ৰতিবেদন দিয়াৰ বিনিময়ত উৎকোচ দাবীৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল বঙাইগাঁও সদৰ আৰক্ষী থানাৰ ইউবি ১০ পৃষ্ঠাত চাওক

মুখ্যমন্ত্ৰী ড° শৰ্মাৰ উপস্থিতিত উদ্বোধন কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে

## ছয় জুলাইত 'অগ্ৰদূত'ৰ সোণালী জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৩ জুলাই ঃ** অহা ছয় জুলাই, বুধবাৰে দিনৰ দুই বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অগ্ৰদূত কাকতৰ সোণালী জয়ন্তী সমাৰোহৰ বৰ্ষজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰিবলৈ সন্মতি প্ৰদান কৰিছে। নতুন ১০ পৃষ্ঠাত চাওক

■ অসমত দ্ৰুতহাৰত বৃদ্ধি অপৰাধ ■ ২০২১ত এক লাখ ২৮ হেজাৰ ঘটনা ■ বলপূৰ্বক ধন আদায়, ঠগ-প্ৰবঞ্চনাৰ ঘটনা দুগুণলৈ বৃদ্ধি

## ৰাজ্যত হত্যাকাণ্ড হ্ৰাস পালেও ধৰ্ষণ, সাম্প্ৰদায়িক সংঘৰ্ষৰ ঘটনা দুগুণ বৃদ্ধি

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ৩ জুলাই ঃ** অসম আৰক্ষীয়ে বিগত বৰ্ষত ৰাজ্যত সংঘটিত হোৱা অপৰাধসমূহৰ পৰিসংখ্যা ৰাজহুৱা নকৰিলেও শীঘ্ৰে প্ৰকাশ পাবলগীয়া ৰাষ্ট্ৰীয় অপৰাধ ৰেকৰ্ড ব্যুৰ' বাৰ্ষিক প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত ৰাজ্যখনত বলপূৰ্বক ধন আদায়, ঠগ-প্ৰবঞ্চনা আদিৰ ঘটনা দুগুণ বৃদ্ধিৰ তথ্য পোহৰলৈ আহিছে। ২০২০ বৰ্ষত ৰাজ্যত সংঘটিত হোৱা অপৰাধৰ তুলনাত বিগত ২০২১ বৰ্ষত হত্যাকাণ্ডৰ বাহিৰে প্ৰতিটো অপৰাধেই অস্বাভাৱিক হাৰত বৃদ্ধি পোৱা বুলি সদৰী কৰিছে গৃহ বিভাগৰ উচ্চস্তৰীয় সূত্ৰই। উল্লেখ্য যে প্ৰতি বছৰৰ ছেপ্টেম্বৰৰ পৰা অক্টোবৰৰ ভিতৰত প্ৰথম ছমাহত ৰাজ্যখনত সংঘটিত হোৱা অপৰাধ আৰু নতুন বৰ্ষৰ ১০ পৃষ্ঠাত চাওক

**২০২১ত ১১৮৫ হত্যা-৩৭৩৯ ধৰ্ষণ- ২১২ ডকাইতি-২৫০৩ বলপূৰ্বক ধন আদায়-২১৫৯ সাম্প্ৰদায়িক-ৰাজহুৱা সংঘৰ্ষৰ ঘটনা**




দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ১৯ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৪ জুলাই ২০২২



# সংকটৰ আগজাননী

**ভাৰতবৰ্ষৰ** অৰ্থনীতি এতিয়া লাহে লাহে সংকটৰ মাজলৈ গতি কৰিবলৈ ধৰিছে। বৰ্তমান ভাৰতীয় টকাৰ মূল্যমান আন্তৰ্জাতিক বজাৰত প্ৰতিদিনে হ্ৰাস পাবলৈ ধৰিছে। প্ৰতি মাৰ্কিন ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য ৭৯.১১ হৈছেগৈ। অৰ্থাৎ ৭৯.১১ টকাৰে আমি এক মাৰ্কিন ডলাৰ ক্ৰয় কৰিবলৈ সক্ষম হ'ম।

ইফালে, বিশ্বৰ বজাৰত খাৰুৱা তেলৰ মূল্য প্ৰতিদিনে হ্ৰাস পোৱাৰ ফলত বিশ্ব অৰ্থনীতিত এক জোঁকাৰণিৰ সৃষ্টি হৈছে। খাৰুৱা তেলৰ মূল্যবৃদ্ধিয়ে বিশ্বৰ বিভিন্ন দেশত তীব্ৰ মুদ্ৰাস্ফীতিৰ সৃষ্টি কৰিছে। ফলত বিশ্বৰ কে'বাখনো দেশ দেউলীয়া হোৱাৰ পথত আগবাঢ়িছে। বিশ্ব অৰ্থনীতত পুনৰ এক মন্দাৱস্থা আহিব পাৰে বুলি বিশেষজ্ঞসকলে আশংকা প্ৰকাশ কৰিছে। এছিয়া, আফ্ৰিকা আদি মহাদেশৰ কথা বাদেই, ইউৰোপতো অৰ্থনৈতিক মন্দাৱস্থাই মূৰ দাঙি উঠা পৰিলক্ষিত হৈছে। বিভিন্ন আন্তৰ্জাতিক অৰ্থনীতি নিৰীক্ষক সংস্থাৰ প্ৰতিবেদন অনুসৰি ইউৰোপত যোৱা জুনত ঔদ্যোগিক উৎপাদন ৫২.১ শতাংশলৈ হ্ৰাস পাইছে।


চীনত দেখা দিয়া ক'ভিড পৰিস্থিতি আৰু ৰাছিয়া-ইউক্ৰেইন যুদ্ধই বিশ্বৰ অৰ্থনীতিত গুৰুতৰ নেতিবাচক প্ৰভাৱ পেলাইছে। বিশেষকৈ বিশ্বৰ পৰিবহণ তথা পণ্যৰ যোগান ব্যৱস্থাত ব্যাঘাত জন্মাৰ ফলত বিশ্ব অৰ্থনীতিত তাৰ প্ৰভাৱ পৰিছে। বিশ্ব অৰ্থনীতিত দেখা দিয়া মন্দাৱস্থাৰ প্ৰকোপ ইমানেই অধিক হৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বেংকসমূহে সুদৰ হাৰ বৃদ্ধি কৰিবলৈ বাধ্য হৈছে। বিভিন্ন দেশে মুদ্ৰাস্ফীতিৰ পৰিমাণ নিয়ন্ত্ৰণলৈ অনাৰ বাবে সুদৰ হাৰ সাধাৰণতে বৃদ্ধি কৰে; কিন্তু বৰ্তমান পৰিস্থিতি এনে হৈছেগৈ যে সুদৰ হাৰ বৃদ্ধি কৰিও মুদ্ৰাস্ফীতি সফলভাৱে নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই। ভাৰতত চলিত বিত্তীয় বছৰটোত বাণিজ্যিক আৰু বিত্তীয় ঘাটিৰ পৰিমাণ সৰ্বাধিক হ'ব পাৰে বুলি অৰ্থনৈতিক বিশেষজ্ঞসকলে আশংকা প্ৰকাশ কৰি আগজাননী দিছে। বিশ্ব অৰ্থনৈতিক মন্দাৱস্থাই ভাৰতবৰ্ষৰ অৰ্থনৈতিক উন্নয়নত সাংঘাতিকভাৱে বাধাৰ সৃষ্টি কৰিব পাৰে বুলি অৰ্থনীতিবিদসকলে ক'ব খোজে। যদিহে মুঠ ঘৰুৱা উৎপাদনৰ পৰিমাণ ছমাহৰ ভিতৰত হ্ৰাস পাই থাকে, তেনেহ'লে তাক অৰ্থনৈতিক সংকট বা মন্দাৱস্থা বুলি কোৱা হয়। লগতে যদিহে নিবনুৱা সমস্যা সমানুপাতিকভাৱে বৃদ্ধি পায় তেনেহ'লে অৰ্থনৈতিক সংকট আৰু তীব্ৰ হ'ব পাৰে। বেংক অৱ বৰোদাৰ মুখ্য অৰ্থনীতিবিদ মদন সবনবিশে কৈছে যে মন্দাৱস্থা মানেই ঋণাত্মক বিকাশ। এনে নেতিবাচক উন্নয়নে ষ্টক বজাৰত মন্দাৰ সৃষ্টি কৰিব, বিদেশী পুঁজিৰ সৰবৰাহ বন্ধ কৰিব। তেওঁৰ মতে, ভাৰতৰ উন্নয়নৰ হাৰ ৪.৫ শতাংশৰ ভিতৰত থাকিব। উৎপাদন হ্ৰাস, নিবনুৱা সমস্যা বৃদ্ধি, সামাজিক অশান্তি তথা মুদ্ৰাস্ফীতিয়ে অহা ছটা মাহত ভাৰতলৈ অৰ্থনৈতিক তীব্ৰ এক সংকট মাতি আনিব পাৰে। সেয়েহে চৰকাৰে আগন্তুক দিনবোৰত সাৱধানতাৰে আগবাঢ়িব লাগিব।

# প্ৰধানমন্ত্ৰী মোদীৰ সপোন



**জনসাধাৰণ ধৰ্মক লৈ জীয়াই থাকিব লাগিব, পেটৰ জ্বালা পুৰাবলৈ খাদ্যৰ প্ৰয়োজন নাই, শিক্ষা, স্বাস্থ্য, আশ্ৰয়ৰ স্থল নহ'লেও চলিব। ধৰ্মটো বিপদত, ধৰ্মক ৰক্ষা কৰিবই লাগিব, বচাই ৰাখিব লাগিব। বিজেপিকো ধৰ্মৰ শ্ল'গানেই ৰক্ষা কৰি আছে। ২০২৪ লৈ বেছি দিন নাই। ধৰ্মীয় মেৰুকৰণ কৰিব লাগিব, সেয়ে ধৰ্মীয় উত্তেজনাৰ সৃষ্টিৰে সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হোৱাৰ প্ৰয়োজন।**

দৃষ্টিপাত



অনন্ত কলিতা

**বৰ্তমান** ভাৰতবৰ্ষত শাসকীয় দলৰ ৰাজনীতিৰ লক্ষ্য জনসাধাৰণৰ জীৱনৰ মৌলিক সমস্যাবোৰ যেনে, জীৱন-জীৱিকাৰ পথ সৃষ্টি, মূল্যবৃদ্ধি নিয়ন্ত্ৰণত অনা, নিবনুৱাৰ বাবে কৰ্মসংস্থান সৃষ্টি কৰা, বিনামূলীয়া শিক্ষা-স্বাস্থ্য আদি মুখ্য বিষয় নহয়, মুখ্য বিষয় হ'ল ইতিহাসৰ কবৰ খনন। দেশৰ মানুহক উৎফুল্লিত কৰা হৈছে এই লক্ষ্যত। কাশ্মীৰ ফাইলছ, জ্ঞানবাপী, কুটুব মিনাৰ, তাজমহল আদিৰ চিন্তাক লৈ জনসাধাৰণে বিশেষকৈ যুৱ সম্প্ৰদায়ে সময় অতিবাহিত কৰিছে। বিজেপিয়ে জনসাধাৰণক এনেকুৱা এক ধাৰণা দিছে যে ধৰ্মৰ বাবেই বাচি থাকিব লাগিব, ধৰ্মৰক্ষাৰ বাবে মৃত্যুবৰণ কৰিব লাগিব। নতুন চিনেমা 'পৃথ্বীৰাজ' মুক্তি পাব অতি সোনকালেই। বৰ্তমান অক্ষয় কুমাৰৰ চিনেমাৰ ট্ৰেলৰ প্ৰকাশ পাইছে 'ধৰ্মকে লিয়ে জিয়া হু, ধৰ্মকে লিয়ে মৰুংগা'। আনফালে যোৱা কেইমাহ ধৰি ফেক্ প্ৰ'পাগাণ্ডাৰ আগ্নেয়গিৰি হিচাপে কাশ্মীৰ ফাইলছৰ আকাশ কঁপোৱা প্ৰচাৰ দেখিছো। হনুমান জয়ন্তী উপলক্ষে জাহাংগীৰপুৰত ধৰ্মীয় উত্তেজনা, ছাহিনবাগত বুলডজাৰৰ গৰ্জন শুনিবলৈ পোৱা গৈছিল আৰু এতিয়া জ্ঞানবাপীক লৈ জ্ঞানপাপীসকলৰ নাটক মঞ্চস্থ হৈছে। দেশৰ আদালতত তাজমহলৰ দুৱাৰ খোলাক লৈ মামলা ৰুজু হৈছে।

জনসাধাৰণ ধৰ্মক লৈ জীয়াই থাকিব লাগিব, পেটৰ জ্বালা পুৰাবলৈ খাদ্যৰ প্ৰয়োজন নাই, শিক্ষা, স্বাস্থ্য, আশ্ৰয়ৰ স্থল নহ'লেও চলিব। ধৰ্মটো বিপদত, ধৰ্মক ৰক্ষা কৰিবই লাগিব, বচাই ৰাখিব লাগিব। বিজেপিকো ধৰ্মৰ শ্ল'গানেই ৰক্ষা কৰি আছে। ২০২৪ লৈ বেছি দিন নাই। ধৰ্মীয় মেৰুকৰণ কৰিব লাগিব, সেয়ে ধৰ্মীয় উত্তেজনাৰ সৃষ্টিৰে সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হোৱাৰ প্ৰয়োজন। আচ্ছে দিনৰ শ্ল'গানে ২০২৪ত হয়তো কাম নিদিব, কাৰণ প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক আচ্ছে দিনৰ বহু সপোন দেখুৱালে। আচ্ছে দিনৰ কথা ক'লেই প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা আঠ বছৰে দেখুওৱা সপোনবোৰৰ কথা মনত পৰিব জনসাধাৰণৰ। সেয়ে আচ্ছে দিনৰ সপোনবোৰৰ কথা পাহৰাই দিব লাগিব ধৰ্মীয় উত্তেজনাৰে। বিজেপিক জীয়াই থকাৰ বাবে প্ৰয়োজন হিন্দু জাতি বিপদত, হিন্দু ধৰ্ম বিপদত আদিৰ শ্ল'গানেৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অৰ্থনীতিয়ে অভিলেখ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে, ১৯৯১ৰ পাছত ইমান উচ্চহাৰৰ মূল্যবৃদ্ধি কোনো বছৰত ঘটা নাই। পাইকাৰী মূল্যবৃদ্ধি ১৫ শতাংশ অতিক্ৰম কৰিছে। মূল্যবৃদ্ধিৰ হাৰ যেতিয়া সৰ্বোচ্চ ভাৰতীয় টকাৰ বিনিময় মূল্য সৰ্বকালৰ সৰ্বনিম্ন স্তৰলৈ গতি কৰিছে।

বিবিচি লণ্ডনৰ এখন প্ৰতিবেদনত কৈছে নৰেন্দ্ৰ মোদীৰ দেখা সপোন আদানীৰ মাধ্যমত বাস্তৱায়িত হোৱাৰ প্ৰক্ৰিয়া যোৱা দুই দশক ধৰি চলি আছে, অৰ্থাৎ ২০০২ত নৰেন্দ্ৰ মোদী গুজৰাটৰ মুখ্যমন্ত্ৰী হোৱাৰ দিনৰে পৰা। ২০১৪ৰ আগতে নৰেন্দ্ৰ মোদী একমাত্ৰ গুজৰাটৰ বাবে সপোন দেখিছিল আৰু গৌতম আদানী বাস্তৱায়িত কৰিছিল। ২০১৪ৰ পাছত স্বপ্নৰ পৰিধি বৃদ্ধি পাইছে, মোদী সমস্ত ভাৰতৰ সপোন দেখা আৰম্ভ কৰিছে, আদানী যথাৰীতি সেই সপোনবোৰ বাস্তৱায়িত কৰি আছে। বিবিচিৰ প্ৰতিবেদনখনত কৈছে নৰেন্দ্ৰ মোদী গুজৰাটৰ মুখ্যমন্ত্ৰী হোৱাৰ আগত ২০০২ পৰ্যন্ত আদানীৰ সম্পত্তিৰ পৰিমাণ আছিল মাত্ৰ ৭৬ কোটি ডলাৰ। ২০১৪ত যেতিয়া মোদী দিল্লীৰ পথত খোজ দিছিল, তেতিয়া আদানীৰ সম্পত্তি বৃদ্ধি হৈ গৈছিল, ১০০০ কোটি ডলাৰলৈ। মাত্ৰ ১২ বছৰত আদানীৰ সম্পত্তিৰ পৰিমাণ ১৩ গুণ বৃদ্ধি হৈছিল। বিবিচিৰ উক্ত প্ৰতিবেদনত 'ব্লুমবাৰ্গ'ৰ বিলিয়নাৰ্ছ ইনডেক্স প্ৰকাশ কৰি দেখুৱাইছে যে ২০১৪ৰ পৰা ২০২২ৰ ফেব্ৰুৱাৰী পৰ্যন্ত আদানীৰ সম্পত্তিৰ পৰিমাণ ১০,২০০ কোটি ডলাৰ পাইছেগৈ। অৰ্থাৎ আঠ বছৰত সম্পত্তিৰ পৰিমাণ ন গুণ বৃদ্ধি হৈছে। মুকেশ আম্বানীক পাছ পেলাই গৌতম আদানী দেশৰ একনম্বৰ ধনী ব্যক্তি হোৱাৰ দিশত অগ্ৰগতি কৰিছে।

প্ৰধানমন্ত্ৰী অতি সম্প্ৰতি সপোন দেখিছে 'প্ৰত্যেকজন কৃষকৰ হাতত এখনকৈ ড্ৰোণ থাকক'। পিছদিনা বাতৰি কাকতত প্ৰকাশ হৈছে গৌতম আদানীৰ কোম্পানী ড্ৰোণ নিৰ্মাণ কৰিবলৈ ময়দানত নামি পৰিছে। বহুতে সন্দেহ কৰে যে গৌতম আদানী প্ৰথমে ড্ৰোণ নিৰ্মাণৰ সিদ্ধান্ত কৰিছে, তাৰ পাছত আমাৰ প্ৰধানমন্ত্ৰীয়ে এই সপোন দেখিছে। এই বিস্ময়কৰ আৰু কাকতালীয় (কাকো পৰে তালো সৰে) ইংৰাজীত এটা প্ৰবাদ বাক্য আছে 'Great minds– Think Alike' অৰ্থাৎ মহাপুৰুষৰ চিন্তা-ভাৱনা এক আৰু অভিন্ন। ইয়াতে গৌতম আদানীৰ আৰু প্ৰধানমন্ত্ৰী মোডীৰ চিন্তা-ভাৱনা মিশ্ৰিত হৈ একাকাৰ হৈ গৈছে। আধুনিক কৃষিকৰ্মৰ ফচলৰ দেখা-শুনা কৰিবলৈ আৰু বিভিন্ন ধৰণৰ অনিষ্টকাৰীৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ ড্ৰোণৰ গুৰুত্ব নিশ্চয় অস্বীকাৰ কৰা নাযাব। কেইদিনমান আগতে বাংগালুৰুত ড্ৰোণ নিৰ্মাণকাৰী সংস্থা 'জেনেৰেল এৰাৰোনেটিক্স' কোম্পানীৰ ৫০ শতাংশ মালিকানা আদানী গ্ৰুপে ক্ৰয় কৰি লৈছিল। আৰু ইয়াৰ কিছুদিন পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰত্যেক কৃষকৰ হাতত ড্ৰোণ যোগান দিয়া সপোন দেখি পেলাইছিল। কৃষিক্ষেত্ৰক বাদ দিও সামৰিক ক্ষেত্ৰত আৰু অন্যান্য বিভিন্ন ক্ষেত্ৰত ড্ৰোণৰ ব্যৱহাৰ ব্যাপকভাৱে বৃদ্ধি পাইছে। ড্ৰোণ নিৰ্মাণত পুঁজি বিনিয়োগ কৰিলে বিপুল লাভ অৰ্জন কৰাত সম্ভৱ হ'ব। তদুপৰি প্ৰধানমন্ত্ৰীয়ে কৈছে 'কেন্দ্ৰীয় চৰকাৰ ড্ৰোণ নিৰ্মাণৰ বিষয়টো অত্যন্ত গুৰুত্ব সহকাৰে বিবেচনা কৰিছে। প্ৰধানমন্ত্ৰীৰ সপোন বাস্তৱায়িত কৰিবলৈ আদানী গ্ৰুপৰ বহু হেজাৰ কোটি টকা বেংক ঋণ পাবলৈ কোনো সমস্যা নহ'ব।

অতীততো বহুবাৰ আদানীৰ পৰিকল্পনাৰ লগত প্ৰধানমন্ত্ৰীৰ সপোন অশ্চৰ্যজনকভাৱে মিলি গৈছিল। প্ৰধানমন্ত্ৰীয়ে সপোন দেখিছে ভাৰতীয় ৰেলৰ মৌলিক আন্তঃগাঁথনিবোৰ আধুনিক আৰু বিশ্বমানৰ হওক। দেশৰ ৰেল ষ্টেছনবোৰ একেবাৰে জক্‌মকীয়া হৈ পৰক। প্ৰধানমন্ত্ৰীৰ সপোন বাস্তৱত পৰিণত কৰিবলৈ আগুৱাই আহিছে আদানী। জনগণৰ বেংকত জমাকৃত টকাৰ বেংক ঋণ লৈ বিভিন্ন ষ্টেছনৰ উন্নয়ন আৰু বিশ্বমানৰ কেইখনমান ট্ৰেইন উপহাৰ দিলে আদানীৰ কোম্পানীয়ে। কচ্ছ ৰেলৰে লাইনকে ধৰি বহু শ মেগা লাইন কিনিলে আদানীয়ে। দেশৰ বিমান বন্দৰ, সমুদ্ৰ বন্দৰ আধুনিক টেক্‌ন'লজিৰ মাধ্যমত সুসজ্জিত হৈ উঠক, এইটো আছিল প্ৰধানমন্ত্ৰীৰ স্বপ্ন। এই সপোন বাস্তৱায়িত কৰিবলৈ নামি পৰিল আদানী। দেশৰ বিখ্যাত বিমান বন্দৰ, সমুদ্ৰ বন্দৰ আদানী গ্ৰুপৰ হাতত তুলি দিয়া হ'ল। গুৱাহাটী বিমান বন্দৰো আদানীৰ হাতত তুলি দিলে। বহুকেইটা সমুদ্ৰ বন্দৰ আদানী কিনি সুসজ্জিত কৰি পেলাইছে। বাকীকেইটা বিমান বন্দৰো আদানীৰ হাতেৰে আধুনিকীকৰণ কৰা হ'ব, মাত্ৰ সময়ৰ অপেক্ষাত। আদানীয়ে হেল্‌থকেয়াৰ ছেক্টৰতো সোমাই পৰিছে। চৰকাৰী ফাৰ্মা কোম্পানী 'HLL হেল্‌থ কেয়াৰ' সংস্থাটো বিক্ৰী কৰাৰ সিদ্ধান্ত লৈছে কেন্দ্ৰীয় চৰকাৰে। আদানী হেল্‌থ কেয়াৰ সংস্থাটোও HLL ক্ৰয় কৰাৰ অন্যতম দাবীদাৰ। ইতিমধ্যে আদানী হেল্‌থ কেয়াৰে গুজৰাটত আৰম্ভ কৰি সমস্ত দেশতে প্ৰসাৰিত কৰাৰ পৰিকল্পনা কৰিছে। প্ৰধানমন্ত্ৰীৰ আয়ুষ্মান ভাৰততো নিশ্চয় আদানী সোমাই পৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰু বহুকেইটাই সপোন দেখিছিল। তেওঁ সপোন দেখিছিল ২০২২ৰ ভিতৰত কৃষকৰ আয় দুগুণ হৈ যাব। বাস্তৱত কৃষকৰ আয় অৰ্ধেক হৈছে আৰু আত্মহত্যাৰ পৰিমাণ দুগুণ হৈছে। প্ৰধানমন্ত্ৰীয়ে স্বপ্ন দেখিছিল 'বছৰে দুকোটি বেকাৰৰ কৰ্মসংস্থান হ'ব'। কৰ্মসংস্থান হোৱাটো দূৰৰ কথা, ৩৪ কোটি লোক নতুনকৈ কৰ্মহীন হৈছে। দেশৰ ৪৫ কোটি বেকাৰ যুৱক-যুৱতী কৰ্মসংস্থানৰ আশা এৰি দিছে। প্ৰচণ্ড গৰমৰ বাবে ৰেলকৰ্মীসকল অত্যন্ত সমস্যাত পৰিছে। গৰমৰ পৰা তেওঁলোকক ৰেহাই দিবলৈ ৰেল বিভাগৰ পৰা প্ৰধানমন্ত্ৰীয়ে ৭২,০০০ পদৰ বিলুপ্তি ঘটাইছে। আঠ বছৰৰ বেকাৰত্বৰ সমস্ত যন্ত্ৰণা 'ধৰ্মকে লিয়ে জিয়া হু, ধৰ্মকে লিয়ে মৰুংগা' ডায়লগৰ দ্বাৰা দূৰীভূত হৈ যাব। প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণৰ বাবে আচ্ছে দিন অনাৰ সপোন দেখাৰ প্ৰয়োজন নাই ভাৰতৰ জনসাধাৰণৰ আচ্ছে দিন আহি গৈছে এতিয়া জনসাধাৰণৰ কৰ্তব্য হিন্দু ধৰ্মক বচাই ৰখাহে।

*ফোন ঃ ৯৪৩৫০৪১২০৩*

## খোলা মঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে ?



**মইনা পৰাশৰ, লেখিকা**

**বিহু** হৈছে অসমীয়া জাতিৰ কাৰণে প্ৰাণ স্বৰূপ আৰু অসমীয়া জাতিৰ উমৈহতীয়া উৎসৱ। জাতি-ধৰ্ম নিৰ্বিশেষে এই উৎসৱটো পালন কৰি আহিছে। বিহুৰ নাম শুনিলেই অসমীয়াৰ দেহত মন-প্ৰাণ জাগি উঠে। আনন্দেৰে হিয়া নধৰা হয়। এই ক্ষেত্ৰত আজি বিহু উৎসৱটো বেলেগ ধৰণেৰে পালন কৰা দেখা যায়। আগৰ মুকলিমুৰীয়া গছ-গছনিৰে ভৰা পথাৰখনিৰ পৰা বিহুটো মঞ্চলৈ গতি কৰিলে। বিহু মঞ্চলৈ গতি কৰাৰ লগে লগে উৎসৱটোৰ প্ৰতি মানুহৰ আকৰ্ষণ কিছু হ'লেও কমি গৈছে। মাদকতাপূৰ্ণ পৰিৱেশ নোহোৱা হৈছে। বিহু মঞ্চত গায়ক-গায়িকাই গীত পৰিৱেশন কৰিলে দেখা পোৱা যায় কিছুমান উদণ্ড যুৱক-যুৱতীৰ অভদ্ৰামী আৰু বেপেৰোৱা ধৰণৰ তালে তালে নাচ-গান। এইবেলি বিহু মঞ্চত ঐতিহ্য ৰক্ষা কৰাৰ কিছু ব্যতিক্ৰম দেখা পোৱা গৈছে। কিছুমান গায়ক-গায়িকাই দৰ্শকক নিজেই মাতি মঞ্চলৈ লৈ অহাটো দেখা পোৱা যায়। দৰ্শকক উদ্দেশ্য কৰি ক'বলৈ ধৰে এতিয়াহে উৎপাত কৰিব লাগে। এনেকুৱা কিছুমান গায়ক-গায়িকাই সমাজ তথা উঠি অহা চামক কি শিক্ষা দিব? এচাম যুৱক-যুৱতীয়ে সুৰাৰ ৰাগিত মতলীয়া হৈ বিহু উৎসৱটো অপ-সংস্কৃতিলৈ লৈ গৈছে। অসমীয়া জাতিৰ উৎসৱ বিহুটোক হেৰাই যাবলৈ নিদি ভৱিষ্যতৰ নৱ প্ৰজন্মই হৃদয়েৰে আঁকোৱালি ল'লেহে বিহুটোৱে প্ৰাণ পাই উঠিব। গায়ক-গায়িকা, বিহু কমিটীৰ সকলো কৰ্মকৰ্তাই মিলি বিহুৰ সাংস্কৃতিক সন্ধিয়াটো সুচাৰুৰূপে চলাই নিবলৈ চেষ্টা কৰিব লাগিব আৰু আইন-শৃংখলা বজাই ৰখাত আৰক্ষীয়ে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। তেতিয়াহে অসমীয়া জাতিৰ উৎসৱটো সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিব আৰু সকলোৱে আনন্দ-উৎসৱত ভাগ ল'ব পাৰিব।

*ফোন ঃ ৮৪৮৬৩৮২১৪০*

# অসমত বান সমস্যা সমাধানৰ সম্ভাৱনা কিমান ?

**প্ৰকৃতিৰ নীতিমতে কেতিয়া বৰষুণ হ'ব আৰু কিমান পৰিমাণৰ হ'ব সেইটো বতৰ বিজ্ঞানেও সঠিকভাৱে ক'ব নোৱাৰে— অনুমানহে কৰে।**

**গগন চেতিয়া**

অসমৰ বানপানীৰ সমস্যা আজিৰ নহয়। ১৯৫০ চনৰ ১৫ আগষ্ট তাৰিখে বৰভূমিকম্প হ'বৰ পৰাই অসমত কম-বেছি পৰিমাণে বানপানী হয় বাৰিষা কালত। 'দৈনিক অগ্ৰদূত' কাকতৰ ২৮ জুন তাৰিখে বানপানীৰ বিষয়ে তিনিটা লেখা প্ৰকাশ পাইছে। প্ৰত্যেকেই নিজ নিজ মন্তব্য ব্যক্ত কৰিছে। আনবাৰতকৈ এইবেলি বানপানী ব্যতিক্ৰম দেখা গৈছে। প্ৰথমে গুৱাহাটীৰ কৃত্ৰিম বানৰ বিষয়ে কোৱা হওক। ১৯৭৫ৰ পৰা গুৱাহাটীৰ বাসিন্দা হিচাপে থাকি এইবাৰৰ দৰে অতিপাত বৃষ্টি আৰু বানপানী দেখা মনত নপৰে। এঘণ্টা বা ডেৰঘণ্টা বৰষুণ দিলে দ ঠাইসমূহত পানী জমা হয় আৰু এদিনত নাইকিয়া হয়। অনিল নগৰ, নবীন নগৰ, তৰুণ নগৰ, লাচিত নগৰত এদিন-দুদিনৰ কাৰণে বানপানী হয় যদিও ৰাজগড়ৰ ওপৰত বানপানী হোৱা নাছিল। এইবাৰ ৰাজগড়ৰ ওপৰত ভৰিৰ সৰু গাঁঠিৰ পৰা ওপৰত কৃত্ৰিম বানৰ পানী হৈ ৰাজগড়বাসীক আচৰিত কৰিছিল। ১৩ জুনৰ যোৱা সন্ধ্যা ১০ বজাৰ পৰা ১.৩০ বজালৈ মূষলধাৰে আৰু একেৰাহে হোৱা বৰষুণে গুৱাহাটী মহানগৰ মহাসাগৰত পৰিণত কৰা প্ৰথম দেখিলো। নবীন নগৰ, অনিল নগৰ, তৰুণ নগৰৰ বাসিন্দাৰ কোনো লোকৰ ঘৰৰ ভিতৰত একঁকাল পৰ্যন্ত পানী হৈ কেবাদিনো জলবন্দী হৈ থাকিব লগা হৈছিল। কৃত্ৰিম বানৰ ইতিহাসত এইবাৰেই প্ৰথম ৰাজগড়ত বানপীড়িতৰ তিনিটা আশ্ৰয় শিবিৰ পতা দেখিলো। গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনৰ সময়ত শাসকীয় দলৰ এগৰাকী মন্ত্ৰীয়ে কৈছিল— গুৱাহাটীবাসীয়ে কৃত্ৰিম বানৰ কথা পাহৰিলেই হেনো। আন এগৰাকীয়ে কৈছিল— গুৱাহাটীত কৃত্ৰিম বানৰ পানী এঘণ্টামানহে থাকে বোলে। তাৰ বিপৰীতে এইবাৰ কৃত্ৰিম বানে গুৱাহাটীবাসীক বিহু দেখুৱাই দিলে। বৰষুণৰ পৰিমাণ যেতিয়া কম হয় সেই বছৰ বানপানী নোহোৱাটো স্বাভাৱিক। প্ৰকৃতিৰ নীতিমতে কেতিয়া বৰষুণ হ'ব আৰু কিমান পৰিমাণৰ হ'ব সেইটো বতৰ বিজ্ঞানেও সঠিকভাৱে ক'ব নোৱাৰে— অনুমানহে কৰে। আমাৰ কিছুমান ৰাজনৈতিক নেতাই আকৌ কেতিয়া কি হ'ব ভৱিষ্যদ্বাণী কৰাদি কৰে। অপ্ৰাসংগিক যদিও নকৈ নোৱাৰি যে আমাৰ দেশৰ ৰাজনীতিকসকল হৈছে ৰাইজে




নিৰ্বাচিত কৰা প্ৰতিনিধি। এইসকলৰ শিক্ষা-দীক্ষাক গুৰুত্ব দিয়া নহয়— ৰাজহুৱা কৰ্মৰ দক্ষতাৰ ভিত্তিতহে জনসাধাৰণে নিৰ্বাচিত কৰে। মেট্ৰিকৰ দেওনা পাৰ নোহোৱা জনপ্ৰতিনিধিও শিক্ষা বিভাগৰ দায়িত্ব পালন কৰা জনপ্ৰতিনিধি নোহোৱা নহয়। এইবাৰ প্ৰবল বৃষ্টিৰ ফলত গুৱাহাটীত ভূমিস্খলন হৈয়ো কেবাজনৰ মৃত্যু হৈছে। গোটেই অসমত বানপানীয়ে শতাধিক লোকৰ প্ৰাণ লোৱাৰ বাতৰি প্ৰকাশ হৈছে সংবাদ মাধ্যমত। গুৱাহাটীত কৃত্ৰিম বান ৰোধ কৰাৰ ভিন ভিন জনে ভিন ভিন পৰামৰ্শ দিয়া দেখা গৈছে। আগতেও দিছিল আৰু সেইমতে ব্যৱস্থাও লৈছিল। কিন্তু প্ৰকৃতিক কোনোৱে ৰোধ কৰাৰ সাধ্য নাই। গুৱাহাটীত কৃত্ৰিম বান হোৱাৰ কেবাটাও কাৰণ আছে। বৰ্তমান নবীন নগৰ, অনিল নগৰ, তৰুণ নগৰ, লাচিত নগৰ, ৰুক্মীণি নগৰ, কাহিলিপাৰা অঞ্চলবিলাক ধাননি পথাৰ আছিল। ৰাজগড় পথৰ বিহুতলীৰ পূবত থকা জলাশয়বোৰত ওচৰৰ পুৰণা বাসিন্দাসকলে জাল মাৰি মাছ ধৰা নিজেই দেখিছিলো। খৰালি ৰাজগড়ৰ পৰা চিৰিয়াখানা চাবলৈ খোজকাঢ়ি গৈছিলো। ১৯৫৮-৬৯ত শ্বিলঙলৈ যাওতে ভঙাগড়ৰ পৰা খানাপাৰা পৰ্যন্ত জি এছ ৰোডৰ দুয়োপাৰে আঘোণ মহীয়া বিভিন্ন জাতৰ পকাধানৰ দৃশ্যই হাতবাউল দি মাতিছিল। এতিয়া সেইবোৰ অঞ্চলত আকাশলংঘী অট্টালিকা উঠিল। শ্বিলঙৰ পৰা ৰাজধানী যেতিয়া গুৱাহাটীলৈ স্থানান্তৰিত হ'ল তেতিয়াৰ পৰাই গুৱাহাটীৰ পৰিধি বৃদ্ধি হ'ল। এসময়ত গুৱাহাটী বুলিলে ফাঁচী বজাৰ, পাণবজাৰ, উজানবজাৰ আৰু পল্টনবজাৰহে আছিল বুলি এতিয়া কোনোবাই বিশ্বাস কৰিবনে? অসমৰ ৰাজধানী শ্বিলঙৰ পৰা যেতিয়া গুৱাহাটীলৈ আহিল তেতিয়াই গুৱাহাটীৰ চেহেৰা আৰু পৰিধি বেলেগ হ'ল। উপৰিউক্ত ধাননি পথাৰৰ মাটিবোৰ বিভিন্নজনে ক্ৰয় কৰি বাসস্থান নিৰ্মাণ কৰিলে। কিছুমানে সংশ্লিষ্ট কৰ্তৃপক্ষৰ অনুমোদনক্ৰমে গৃহবাস নিৰ্মাণ কৰিলে যদিও নলা-নৰ্দমা আৰু ৰাস্তাৰ সু-পৰিকল্পিত ব্যৱস্থা নকৰি জধে মধে ঘৰ সজাৰ ফলতেই এতিয়া সেইবোৰ অঞ্চলত কৃত্ৰিম বানে বাসিন্দাক দুৰ্ভোগ ভোগাইছে। ৰাজগড় পথৰ উত্তৰ ফালৰ পৰা বৰষুণৰ পানী ভৰলুত পৰিছিল আৰু সময়ৰ গতিত ভৰলু নৈৰ বহন ক্ষমতা অনেক কাৰণত হ্ৰাস পালে। ভৰলু খান্দি দ কৰাৰ কাৰণে চৰকাৰে দিয়া কোটি টকা ভৰলুৰ পানীত উটি গ'ল।

ওপৰত উল্লেখ কৰা ধাননি পথাৰ আৰু জলাশয়বোৰ ওচৰৰ পাহাৰৰ মাটি কাটি পুতি ঘৰ সজাৰ ফলত পাহাৰবোৰ গছে বনে টকলা হ'ল। এতিয়া বৰষুণ হ'লে বৰষুণৰ পানী তললৈ নামি আহে। আগতে পাহাৰৰ বননি মাটিয়ে কিছু পৰিমাণে পানী শুহি লৈছিল। চাৰিওফালে পাহাৰে আগুৰি থকা গুৱাহাটী এতিয়া এটা টৌৰ দৰে হ'ল আৰু চাৰিওফালৰ পানী আহি কৃত্ৰিম বানৰ সৃষ্টি হৈছে। এতিয়া গুৱাহাটীৰ ন ন ঠাই প্লাবিত হৈছে। সেয়ে নহয় যোৱাবাটতো বানপানীয়ে বুৰাই পেলাইছে। মুঠতে গুৱাহাটী এতিয়া কৃত্ৰিম বানৰ কাৰণে বিখ্যাত হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহয়। গুৱাহাটীৰ কৃত্ৰিম বান ৰোধ কৰাৰ কাৰণে বিভিন্ন বিশেষজ্ঞই পৰামৰ্শ দিছে। কিন্তু এই পৰামৰ্শাৱলীয়ে গুৱাহাটীৰ কৃত্ৰিম বান ৰোধ কৰিবনে নকৰে সেইটোহে লক্ষণীয় হ'ব। অসমৰ মুখ্যমন্ত্ৰীয়ে নবীন নগৰৰ বাসিন্দাসকলৰ ২০-২৫ বিঘা মাটি অধিগ্ৰহণ কৰি অমৃত সৰোবৰ তৈয়াৰ কৰি কৃত্ৰিম বান ৰোধ কৰা হাস্যকৰ বিবৃত্তি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। ২০১৪ত নাজিৰাত গৃহমন্ত্ৰী অমিত শ্বাহে পুখুৰী খান্দি বানপানী ৰোধ কৰাৰ সাধু কথা কৈ নাজিৰা সমষ্টিৰ ভোট ভিক্ষা কৰিছিল। নামনি অসম, মধ্য অসমক বানপানীয়ে অতি বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছে। টিভি পৰ্দাত যিবোৰ দৃশ্য দেখিছো সেইবোৰ অতি বেদনাদায়ক আৰু মৰ্মান্তিক। বৰষুণৰ পানীৰ উপৰি জলবিদ্যুৎ প্ৰকল্পৰ অতিৰিক্ত পানী এৰি দিয়াত অতি দুৰ্ভোগ ভুগিছে কিছুমান অঞ্চলৰ বাসিন্দাই। কিছুমান লোকে ভোকে লঘোণে কটাব লগা হৈছে। আশ্চৰ্যকৰ কথা এয়ে যে দুৰ্দিনতো কেন্দ্ৰীয় মন্ত্ৰীয়ে অসম ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লোৱা নাই। প্ৰধানমন্ত্ৰীয়ে মুখ্যমন্ত্ৰীলৈ ফোন কৰি খবৰ লোৱা বুলি গৌৰৱ কৰিছে অসম চৰকাৰৰ মন্ত্ৰীসকলে। নিৰ্বাচনৰ সময়তহে ঘনে পতি তাঁতবাতি কৰে কেন্দ্ৰীয় মন্ত্ৰী, প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে। অসমৰ বিধ্বংসী বানৰ লগতে আকৌ গোলাঘাট জিলাৰ বৰপথাৰত খৰাঙৰ কাৰণে ভেকুলী বিয়া পতাৰ খবৰ আহিছে। বিচিত্ৰময় অসম আৰু বিচিত্ৰময় প্ৰকৃতি।

# এই অস্থিৰতাই আমাক ক'লৈ নিব ?

**২০** জুন সোমবাৰে 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'এই অস্থিৰতাই আমাক ক'লৈ নিব?' শীৰ্ষক নিৱন্ধটোৰ নিৱন্ধকাৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই ভাৰতবৰ্ষৰ কিছুমান লোকৰ অস্বাভাৱিক আচৰণ, অৰ্থনৈতিক মন্দা অৱস্থা, সামাজিক বন্ধনৰ স্খলন, অপৰিপক্ক সিদ্ধান্ত আদি বিষয়ৰ ওপৰত আলোকপাত কৰি দেশৰ জনসাধাৰণৰ মনত উদয় হোৱা মানসিক অস্থিৰতাৰ বিষয়ে মাৰ্জিত আৰু সাৱলীল ভাষাৰে উপস্থাপন কৰিছে। এই নিৱন্ধটোৰ আঁত ধৰি মোৰ মনৰ ভাৱ প্ৰকাশ কৰিলো।

বানপানী, মূল্য বৃদ্ধি, ভূমিস্খলন, গৰাখহনীয়া আদি সমস্যাই দেশৰ এক শ্ৰেণীৰ লোকক অস্থিৰ কৰি তুলিছে। আটোমটোকাৰিকৈ সজা ঘৰখন নিমিষতে বলিয়া বানে উটুৱাই লৈ গ'ল। সহায় বিচাৰি ভাগৰি পৰিল। পানী শুকাল, কিন্তু আপোন ঘৰখন বিচাৰি নাপায়। ক'ত যাব, কি কৰিব, উৱাদিহ নাইকিয়া হ'ল। কান্দোনত ভাগি পৰিল। হাতত টকা নাই, খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই আনকি থাকিবলৈ ঘৰো নাই। ল'ৰা-ছোৱালীয়ে ভোকত কলমলাই 'খাবলৈ দিয়া, খাবলৈ দিয়া' বুলি চিঞৰিছে। অসহ্য মানসিক পীড়া। তাৰ উপৰি মূল্য বৃদ্ধিয়ে সাধাৰণ জনতাক ৰাম টাঙোন শোধাইছে। অত্যাৱশ্যকীয় সামগ্ৰীসমূহ কিনিবলৈ সামৰ্থ্য নাই। অভাৱ পূৰণ কৰিবলৈ ঘৰুৱা সম্পদ এপদ, দুপদকৈ বিক্ৰী কৰিবলৈ বাধ্য হ'ল। জীয়াই থকাৰ বাবে সংগ্ৰাম কৰিব লগা হ'ল। গৰাখহনীয়াৰ কৰাল গ্ৰাসত খেতিৰ মাটিৰ লগতে ঘৰবাৰীও নদীৰ বুকুত জাহ গ'ল। ভূমিস্খলনে আতংকৰ সৃষ্টি কৰিলে। চাৰিওফালে মানসিক অস্থিৰতা গা কৰি উঠিল।



পৰিকল্পনাবিহীন, অপৰিপক্ক, অদূৰদৰ্শী অৰ্থনীতিৰ ঘোষণাই জনসাধাৰণৰ মনত অস্থিৰতাই বিৰাজ কৰিছে। জাতীয় আয় সমবিতৰণ নোহোৱাৰ ফলত ধনী শ্ৰেণী ধনী হৈ গৈ আছে, মধ্যবিত্ত আৰু দৰিদ্ৰ লোকসকলৰ পানীত হাঁহ নচৰা অৱস্থা। চৰকাৰে ৰাজহ বৃদ্ধিৰ বাবে জি এছ টি প্ৰয়োগ কৰিলে; কিন্তু জি এছ টিৰ বোজা বহন কৰিব নোৱাৰি বহুতো ক্ষুদ্ৰ উদ্যোগ আৰু মজলীয়া উদ্যোগ মৃত্যু মুখত পৰিব লগা হ'ল। জি এছ টিৰ বাবে বস্তুৰ মূল্য বৃদ্ধি পালে। মূল্য বৃদ্ধিয়ে জনসাধাৰণক অস্থিৰ কৰি তুলিলে। তদুপৰি কৰ'না মহামাৰীয়ে মানুহৰ স্বাভাৱিক জীৱন যাপনত আউল লগালে। কৰ'না কালত ঘৰত বহি বহি সাঁচতীয়া ধন খৰচ কৰিলে। ফলত মানুহবিলাক আৰ্থিকভাৱে দুৰ্বল হৈ পৰিল। এতিয়াও মানুহৰ মনৰ পৰা কৰ'নাৰ ভয় আঁতৰি যোৱা নাই।

চৰকাৰৰ কিছুসংখ্যক দলীয় নেতাৰ মইমতালি আচৰণে সজাগ আৰু সচেতন নাগৰিকসকলক অস্থিৰ কৰি তুলিছে। এই নেতাসকলে জনসাধাৰণৰ মংগলৰ বাবে কাম কৰিব লাগে আৰু জনসাধাৰণৰ হিতৰ বাবে চিন্তা কৰিব লাগে, কিন্তু এই নেতাসকলে ৰাজহুৱা সভাত এনেকুৱা কিছুমান আচৰণ কৰে যিবোৰ আচৰণে মানুহক অস্থিৰ কৰি তোলে। এই নেতাসকলে এনেকুৱা কিছুমান বাক্যবাণ প্ৰয়োগ কৰে, যাৰ ফলত জনসাধাৰণৰ মাজত বিভেদৰ সৃষ্টি হয়। এনেকুৱা কৰ্ম আৰু ক্ৰিয়াই মানুহক অস্থিৰ কৰি তোলে। কিছুমান লোকে ধৰ্মৰ অপব্যাখ্যা কৰি মানুহৰ বিশ্বাস আৰু আস্থাক বুঢ়া আঙুলি দেখুৱাই অবাঞ্চিত বাক্যবাণেৰে আঘাত হানে। এই লোকসকলৰ মন্তব্যৰ প্ৰতিবাদ কৰিবলৈ এক যুদ্ধ সদৃশ পৰিৱেশৰ সৃষ্টি কৰি জনসাধাৰণক অস্থিৰ কৰি তোলে। কিছুমানে ধৰ্মৰ নামত ৰাজনীতি আৰম্ভ কৰে। এইসকলে ধৰ্মীয় মেৰুকৰণ কৰি নিজৰ সুবিধা আদায় কৰি লয়। এই নেতাসকলৰ প্ৰৰোচনা আৰু উচটনিমূলক ভাষণৰ উদ্দেশ্য বুজি নাপাই পৰস্পৰে পৰস্পৰক হিংসা আৰু ঘৃণাৰ ভাৱেৰে শত্ৰু জ্ঞান কৰে। ফলত উভয়েই অস্থিৰতাত দিন কটাব লাগে।

নিবনুৱা সমস্যাই দিনে দিনে এক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। নিবনুৱা সমস্যাই ভৱিষ্যতে ভাৰতীয় সমাজ ব্যৱস্থাত এক মোক্ষম আঘাত হনাৰ আশংকাও নুই কৰিব নোৱাৰি। শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ অন্তৰত জুই জ্বলি আছে। গতিকে অলপ হীনডেঢ়ি হ'লেও বহিঃপ্ৰকাশ ঘটিব। অগ্নিপথ আঁচনি ঘোষণাই তাৰ প্ৰমাণ দাঙি ধৰিলে।

**অভিমত**

কিছুমান নিৰ্বাচিত বিধায়কৰ কৰ্ম কাণ্ডই গণতন্ত্ৰৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। কোনো এটা সমষ্টিৰ জনসাধাৰণে তেওঁলোকৰ নীতি- আদৰ্শৰে কোনো দলৰ পৰা নেতা নিৰ্বাচন কৰি বিধানসভালৈ পঠিয়ায়, যাতে তেওঁলোকৰ অভাৱ, অভিযোগ, নীতি-আদৰ্শ সদনৰ মজিয়াত দাঙি ধৰিব পাৰে; কিন্তু বিধায়ক নিৰ্বাচিত হোৱাৰ পাছতে সমষ্টিবাসীৰ মতৰ বিপৰীতে দলৰ নীতি-আদৰ্শ দলিয়াই পেলাই কোনো শক্তিৰ যাদুকৰী মন্ত্ৰত ক্ষুব্ধ হৈ আন দলৰ শৰণাপন্ন হয়। এই বিধায়কসকলৰ কৰ্মকাণ্ডই সজাগ আৰু সচেতন নাগৰিকসকলক অস্থিৰ কৰি তুলিছে।

এই অস্থিৰতাৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে আধ্যাত্মিক চিন্তাৰ উৎকৰ্ষ সাধন কৰি জাতি, বৰ্ণ, ধৰ্ম, উচ্চ, নীচ, ধনী, দুখীয়াৰ ভেদাভেদ পাহৰি ঐক্য সংহতিৰে দেশৰ আৰু দহৰ মংগলৰ বাবে কাম কৰি প্ৰেম আৰু আনন্দৰ সৃষ্টি কৰিব লাগিব।

**জ্যোতিষ চন্দ্ৰ দত্ত**

*ফোন ঃ ৯৮৫৪০৪১৮১৫*

# বিজুতি নে উজুতি ?

**আমি** ক্ৰমান্বয়ে আমাৰ নিজত্বৰ পিনে পিঠি দি, পৰত্বৰ প্ৰতি কোনো কথা চিন্তা নকৰাকৈয়ে অগ্ৰসৰ হ'লো। আমাৰ জাতীয় উৎসৱ বিহুৰ জাতীয় চৰিত্ৰ হেৰোৱাৰ পথত। কৃষিৰ পৰা উৎপন্ন হোৱা বিহুত ব্যৱহৃত হোৱা দ্ৰব্যবোৰ আমাৰ আজিৰ প্ৰজন্মৰ মাজত অচিনাকি হ'ল বুলিয়ে ক'ব পৰা যায়। মাহ-হালধি বটা গাত ঘঁহি গা-ধোৱা প্ৰায় অপ্ৰচলিত হৈ আহিল। নাগেশ্বৰ গছৰ পাতত মন্ত্ৰ লিখি ঘৰক বিহুৱান দি ধুমুহা-বৰষুণৰ পৰা ৰক্ষা পোৱাৰ আশা কৰা, জ্যেষ্ঠ আৰু সন্মানীয় ব্যক্তিক সেৱা জনোৱা, পত্নীয়ে স্বামীক সেৱা জনাই ভক্তি-শ্ৰদ্ধা নিবেদন কৰা, বিহুৰ ভিতৰত আমাৰ হাউ-ঢোপ, দাতা বান্তা খেল খেলা অদৃশ্য হ'ল, পৰিৱৰ্তে ২০০ মিটাৰ- ৪০০ মিটাৰ দৌৰ, মল্ল যুঁজ, ওখ জাঁপ আদি খেল জনপ্ৰিয় হ'ল। মুকলি পথাৰত গোৱা হুঁচৰি গীতৰ তাত্বিক সৌন্দৰ্য অধুনা আঁতৰি গৈ সৌন্দৰ্য পিপাসু হ'লো। মঞ্চত শুই শুই, নাচি-বাগি গীত গোৱা ঢং নে চং প্ৰৱৰ্তন হ'ল। আগেয়ে গা মোচাখন কৃতিত্বৰ পৰিচায়ক আছিল, আজিৰ গামোচা পৰিধানে প্ৰয়োজন প্ৰদৰ্শন কৰাহে যেন হ'ল। আজিৰ বিহুৰ পিঠা, লাডু মহিলা সংগঠনে তৈয়াৰ কৰি বজাৰত মেলি দিলে আৰু আমি ক্ৰয় কৰি আনি ঘৰত নিজৰ লগতে আত্মীয়-স্বজনকো খাবলৈ দি বিহু পাতো। এতিয়া আমাৰ কৃষ্টিৰ উপাদানবোৰক এলাগী কৰিলো, বিপৰীতে অযোনীসম্ভূত উপাদানবোৰক আমি আঁকোৱালি লৈ জাতীয় সেনাৰ গৰ্ব অনুভৱ কৰি, ফিট্-ফাট বাবু-সংস্কৃতি গঢ়ি তুলিলো। আগৰ মানুহৰ সংস্কৃতিৰ সৌন্দৰ্য আছিল বোকা-পানী-গচকি কান্ধত কোৰ লৈ পথাৰৰ উৰ্বৰা মাটিক তুলা-ধূনা দিয়া। আজি বোকা-পানীৰ মাজত জন্ম লোৱা মানুহে, বোকা পানীৰ অস্তিত্ব বুজিবলৈ পিঠি দিলে। সেই কাৰণে কম পানীত নামিলেই সলিল-সমাধি ঘটা উদাহৰণ বৃদ্ধি পাই আহিল। সৃষ্টিৰ পথাৰখন উকা হৈ ৰ'ল। এতিয়া ম'বাইল সংস্কৃতিয়েহে কৰ্ষণ আৰু ভূষণ হ'ল। ম'বাইলটো কান্ধত চেপা মাৰি ধৰি যান-বাহন চলোৱাৰ পৰিণতি দুৰ্ঘটনাৰ বিস্তৃতি লাভ। মদ্যপান কৰি যান-বাহন নচলাব, সাৱধান বাণীৰ প্ৰয়োজন হ'ল। অফিচ-আদালত, অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাস্তাই-ঘাটে সতৰ্ক বাণীৰ প্ৰচাৰেও কাকো সাৱধানী নকৰা হ'ল। সাৱধানীৰ মৰণ নাই, ই যেন অৰ্থহীন হ'ল।

আমি অসমীয়া মানুহে আমাৰ মাতৃভাষা অসমীয়াৰ অস্তিত্বৰ সংকটৰ দুশ্চিন্তাত থাকিব লগা হোৱাটো দুৰ্ভাগ্যজনক আৰু লজ্জাজনকো নহয়নে? আমাৰ নিজৰ ভাগ্য আমি নিজেই সংকটপূৰ্ণ কৰাটো বিশ্বাসযোগ্য নহয় জানো? পাপা, আংকল ব্যৱহাৰ কৰাটো আত্মঘাতীৰ পৰিচায়ক কিয় নহ'ব! আমি সকলোতে আত্মবিস্মৃতৰ পৰিচয় দিয়া সত্যক স্বীকাৰ কৰিবই লাগিব। আমি এতিয়া চমকেৰে আত্ম পৰিচয় দিয়া এটা মেৰুদণ্ডহীন জাতিত পৰিণত হোৱাৰ পথত।

**কেশৱ শৰ্মা**

*ফোন ঃ ৯৪০১৮৭৯৪০৮*

# ৰোমান ধ্ৰুপদী সমালোচনা

**কাব্যৰ বিষয় সম্পৰ্কে হৰেচে দুটা উক্তি কৰিছে। তেওঁৰ মতে বিষয় যিয়েই নহওক ই সৰল হ'ব লাগিব আৰু দ্বিতীয় কথা ই ঐক্যবদ্ধ হ'ব লাগিব। কবিয়ে বিষয় নিৰ্বাচন কৰোতে নিজৰ শক্তি সামৰ্থ্যই বলে পৰা বিষয় নিৰ্বাচন কৰিব লাগিব। সৰল বিষয় বুলি কৈ হৰেচে চিনাকি বিষয়ৰ কথা বুজাইছিল।**



ড° আনন্দ বৰমুদৈ

**ৰোমান** ধ্ৰুপদী, সমালোচনাৰ ক্ষেত্ৰত পোনতে হৰেচৰ (খ্ৰীষ্ট পূৰ্ব ৬৫-খ্ৰীষ্টপূৰ্ব ৮) নাম লোৱা হয়। প্ৰথমজন ৰোমান সম্ৰাট অগষ্টাছৰ সময়ৰ এওঁ তাত্ত্বিক সমালোচক। পেৰিক্লিজৰ এথেঞ্চৰ নিচিনা অগষ্টাছৰ যুগটোও আছিল এটা স্বৰ্ণ যুগ। সম্ৰাটে নিজেই সাহিত্য সংস্কৃতিৰ পৃষ্ঠপোষকতা কৰিছিল। এই যুগটো প্ৰখ্যাত কবি ভাৰ্জিলৰো যুগ। সম্ৰাটে দেখা পাইছিল যে সাহিত্য কলাৰ মাজেদি তেওঁ কৰা কামৰ কথা জনগণৰ মাজলৈ লৈ যাব পাৰি। তেওঁৰ দিনত হোৱা উন্নতিৰ কথা যদি কবিয়ে গীত কৰি গায়, নগৰ গঢ় দিয়াজনৰ গুণো নিশ্চয় কবিয়ে গাব।


হৰেচৰ বিখ্যাত সমালোচনা তত্ত্বৰ কিতাপখনৰ নাম Ars Poetica, কিতাপখন তেওঁ চিঠিৰ ৰূপত লিখিছিল। সমালোচকজনে নিজে দিয়া নাম আছিল The Epistle to the pisos, পাছত কুইণ্টিলিয়ানে ইয়াৰ নাম দিছিল Ars Poetica, অৰ্থাৎ The Art of Poetry, কাব্যৰ কলা। হৰেচে কাব্যতত্ত্বত বহু পৰিমাণে ধ্ৰুপদী গ্ৰীক আদৰ্শকে অনুকৰণ কৰিছিল। কাব্যৰ আলোচনাত তেওঁ কাব্যৰ প্ৰকৃতি, সম্পাদন, বিষয়, ভাষা, প্ৰকাৰ, প্ৰকৃতি আৰু কলাৰ সম্পৰ্ক আদিৰ আলোচনা কৰিছে। অনুকৰণ নীতিৰ কথা আলোচনা কৰি তেওঁ কৈছে যে কবিয়ে জীৱন আৰু ৰীতি-নীতিৰ পৰাই আদৰ্শ গ্ৰহণ কৰিব লাগিব। জীৱনক কৰা এই অনুকৰণৰ মাজতে অৱশ্যে কবিতাৰ প্ৰকৃতি সীমাবদ্ধ নহয়। কবিয়ে তথ্য অথবা সত্যৰ লগত কল্পনাৰ সংযোগ ঘটায়। এই ক্ষেত্ৰত অৱশ্যে হৰেচে কৈছে যে পাঠকক আনন্দ দান কৰাৰ উদ্দেশ্যৰে কবিয়ে সত্য বা তথ্যৰ লগত কল্পনাৰে যিখিনি যোগ দিয়ে সেইখিনিও সত্যৰ সদৃশ হ'ব লাগিব।

অনুকৰণ প্ৰসংগত হৰেচে আচলতে এৰিষ্টটলে অনুকৰণ প্ৰসংগত কোৱা কথাকে কৈছে। কবিয়ে ঐতিহাসিক সত্যক অনুকৰণ নকৰিবও পাৰে, কিন্তু তেনে ঘটনা ঘটা সম্ভৱ বুলি দৰ্শক বা পাঠক পতিয়ন যাব লাগিব। অবিশ্বাস্য সত্য ঘটনাতকৈ সাহিত্যৰ বাবে বিশ্বাসযোগ্য অসত্য ঘটনাহে অধিক উপযোগী। কাব্যই সম্পাদন কৰিবলগীয়া কামৰ বিষয়ে হৰেচে কৈছে যে কবিৰ দেশৰ প্ৰতি দায়িত্ব আছে। প্লেটই কবিৰ পৰা আশা কৰা দেশৰ প্ৰতি কৰ্তব্য আৰু দায়িত্বকে হৰেচেও কৰিছিল। জীৱনক মহৎ কৰা সকলো আদৰ্শ আৰু মূল্যবোধৰ প্ৰতি মানুহৰ মনত কবিয়ে ভালপোৱা আৰু শ্ৰদ্ধাৰ সৃষ্টি কৰিব লাগিব। স্বাস্থ্যকৰ ঠাই এখনে অবিৰাম বাসিন্দা এজনৰ স্বাস্থ্যৰ ওপৰত ভাল প্ৰভাৱ পেলোৱাৰ দৰে কাব্যয়ো মানুহৰ ওপৰত ভাল প্ৰভাৱ পেলাব লাগিব। কিন্তু নিজে সৃষ্টিশীল লেখক আৰু সমালোচক হিচাপে হৰেচে নিজৰ অভিজ্ঞতাৰ পৰাই উপলব্ধি কৰিছিল যে কাব্যৰ কৰ্তব্য সম্পৰ্কে এৰিষ্টটলে কোৱা কথাই সত্য। কাব্যৰ মুখ্য কাম পাঠকক বিশেষ ধৰণৰ আনন্দ দান কৰাহে। সাহিত্যই দিয়া আনন্দ দান আৰু প্ৰয়োজনীয় উপদেশ অথবা নিৰ্দেশনাৰ মাজত হৰেচে এক সমন্বয় সাধন কৰিবলৈ বিচাৰিছিল। মানুহক আনন্দ দিয়া আৰু মানুহৰ নৈতিক উন্নতি সাধনা কৰা— এই দুয়োটাই কবিৰ কাম। ভাল লগাটোৰ লগত লাভজনকটোৰ সমন্বয় ঘটিব লাগিব। কাব্য মহৎ হ'বলৈ হ'লেও আনন্দদায়ক আৰু নৈতিক উন্নতি ঘটোৱা বিধৰ হ'ব লাগিব। তেওঁৰ মতে প্ৰাচীন কালত কবিসকলক সন্মান কৰা হৈছিল সমাজৰ বাবে আগবঢ়োৱা সেৱাৰ কাৰণে। কবিয়ে মানুহক পৰিয়াল আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়িত্বৰ কথা শিকাইছিল। কবিয়ে মানুহক আইন বিৰুদ্ধ কাম কৰাৰ পৰা বাৰণ কৰিছিল। মানুহক কবিয়ে নগৰ নিৰ্মাণৰ কাৰণে উদগনি দিছিল, আইনৰ প্ৰচাৰ কৰিছিল, যুদ্ধত মানুহক সাহসী হ'বলৈ শিকাইছিল, জীৱনৰ বাট সহজ আৰু মসৃণ কৰিবলৈ যত্ন কৰিছিল। এই কথাবোৰ ঐতিহাসিক সত্য হ'লেও হৰেচে এই কথা পাহৰা নাছিল যে কবিতাৰ প্ৰকৃতি আৰু ধৰ্ম হ'ল মনক মুগ্ধ কৰা। মানুহৰ মনক মুগ্ধ কৰিব পৰা গুণটো কাব্যৰ ৰূপৰ সৌন্দৰ্যত কেৱল নাথাকে । তাৰ বাবে কবিয়ে মানুহৰ হৃদয় আৰু আত্মাকো অভিভূত কৰিব পাৰিব লাগিব। প্লেটই কাব্যৰ এই কাৰ্যৰ বাবেই কবিক সমালোচনা কৰিছিল আৰু এৰিষ্টটলে কবিৰ তেনে কাৰ্যৰ সমৰ্থন কৰিছিল।

কাব্যিক সত্যৰ কথা ক'বলৈ গৈ হৰেচে বহু পৰিমাণে যিহেতু পূৰ্বতে এৰিষ্টটলে কৈ যোৱা কথাৰে পুনৰুক্তি কৰিছে, প্ৰসংগক্ৰমে কাব্যিক সত্য সম্পৰ্কে এৰিষ্টটলে কোৱা কিছু কথাও আলোচনা কৰি ল'ব পাৰি। এছ এইছ বুচ্ছাৰে Aristotle's theory of poetry and Fine Arts ত কৈছে যে সম্ভাৱনাৰ নীতিয়ে ঘটি যোৱা ঘটনাক আচলতে বাদ নিদিয়ে। কিছুমান সঁচা ঘটনাৰো কাব্যিক ব্যৱহাৰৰ কাৰণে প্ৰয়োজনীয় আভ্যন্তৰীণ সম্ভাৱনা থাকে। এৰিষ্টটলৰ যুগত সত্য ঘটনা বুলি কওঁতে মানুহে প্ৰচলিত কিংবদন্তীসমূহকো বুজিছিল। বুচ্ছাৰে কৈছে,'কবিতাৰ সত্য তথ্যৰ সত্যৰ পৰা সুকীয়া। যিবোৰ ঘটনা আমাৰ অভিজ্ঞতাৰ পৰা সম্পূৰ্ণ বাহিৰত, যিবোৰ কাহানিও ঘটা নাই আৰু কাহানিও নঘটিব, তেনেকুৱা ঘটনাও দৈনিক ঘটি থকা আৰু ঘটিব বুলি সঠিকভাৱে আমি কৈ দিব পৰা ঘটনাতকৈ, কাব্যিকভাৱে ক'বলৈ গ'লে অধিক সত্য হ'ব পাৰে। যিটো কাহানি ক'তো ঘটাই নাই, সেইটো কেতিয়াও পুৰণি নহয়।' (পৃ.১৭০-৭১) দক্ষতাৰে মিছা কথা কোৱাটো কবিৰ কৰ্তব্য আৰু বিশেষাধিকাৰ।

কাব্যৰ বিষয় সম্পৰ্কে হৰেচে দুটা উক্তি কৰিছে। তেওঁৰ মতে বিষয় যিয়েই নহওক ই সৰল হ'ব লাগিব আৰু দ্বিতীয় কথা ই ঐক্যবদ্ধ হ'ব লাগিব। কবিয়ে বিষয় নিৰ্বাচন কৰোতে নিজৰ শক্তি সামৰ্থ্যই বলে পৰা বিষয় নিৰ্বাচন কৰিব লাগিব। সৰল বিষয় বুলি কৈ হৰেচে চিনাকি বিষয়ৰ কথা বুজাইছিল। এই বিষয় জীৱন অথবা ৰীতি-নীতিৰ মাজৰ পৰা নিৰ্বাচিত হ'ব পাৰে। সংহতিদানৰ শক্তি অথবা নিৰ্মাণ কৌশলৰ দক্ষতাৰে কবিয়ে নিৰ্বাচিত বিষয়ৰ সৌষ্ঠৱ বৃদ্ধি কৰিব পাৰে। ই ঐক্যসূত্ৰৰে বান্ধ খাই থাকিব লাগিব আৰু একক হ'ব লাগিব। সেই বিষয়ৰ লগত ঐক্যসূত্ৰৰে বান্ধ নোখোৱা উপৰুৱা বস্তু তাত ওলমি থাকিব নালাগিব। এৰিষ্টটলেও ট্ৰেজেডি নাটকৰ সংজ্ঞা দাঙি ধৰি কাহিনীৰ আলোচনা কৰোতে এই নীতিৰ উল্লেখ কৰিছিল। কাহিনীৰ গাঁথনিত নাটকীয় কাৰ্য ঐক্যবদ্ধ হৈ থাকিব লাগিব। কবিয়ে সুচিন্তিতভাৱে বিষয় নিৰ্বাচন কৰিলে শব্দ আৰু বিষয়ক সৌষ্ঠৱপূৰ্ণ কৰি সংহত কৰাত অসুবিধাত নপৰিব।

হৰেচৰ মতে কাব্যই নিজৰ ধৰণ অনুসৰি ছন্দ বাছি লয়। বিষয় আৰু ছন্দৰ মাজত এক স্বাভাৱিক সাদৃশ্য থাকে বুলি তেওঁ বিশ্বাস কৰিছিল। কাব্যৰ ভাষাৰ বিষয়ে তেওঁ ক'লে কবি শব্দৰ নিৰ্বাচনত সতৰ্ক হৈ থাকিব লাগিব। শব্দৰ সজ্জা ফলপ্ৰদ হ'ব লাগিব। চিনাকি অথবা নতুন শব্দৰ ব্যৱহাৰ কৰিবলৈ কবিৰ স্বাধীনতা আছে। তেওঁ কেৱল চাব লাগিব যাতে সিবিলাকে প্ৰকাশৰ দুটা প্ৰয়োজন পূৰণ কৰে। সেই দুটা হ'ল পৰিচ্ছন্নতা আৰু ফলপ্ৰদতা। দক্ষতাৰে ব্যৱহাৰ কৰিব পাৰিলে চিনাকি শব্দয়ো প্ৰচণ্ড শক্তি আহৰণ কৰে। দক্ষতাপূৰ্ণ শব্দ সংযোজনত চিনাকি শব্দ একোটায়ো মৌলিকত্ব আহৰণ কৰিলে শব্দ সম্ভাৰ চমৎকাৰ হৈ পৰে। চিনাকি শব্দই যেতিয়া কবিৰ মনৰ অৱস্থাৰ শাব্দিক বিকল্প হ'ব নোৱাৰা হয়, কবিয়ে তেতিয়া নতুন শব্দ ব্যৱহাৰ কৰিব পাৰে। হৰেচৰ মতে গ্ৰীক উৎসৰ পৰা সামান্য সংশোধিত হৈ অহা নতুন শব্দই সুনাম অৰ্জন কৰিবলৈ সক্ষম হয়। এইদৰেই জাতি এটাৰ ভাষাৰ শব্দ ভাণ্ডাৰত নতুন শব্দৰ সংযোজনো হয়। শব্দৰো জন্ম, মৃত্যু আৰু পুনৰুত্থান আছে। কিছুমান শব্দ সময়ৰ সোঁতত পাহৰণিৰ গৰ্ভত সোমাই যায়। কিছুমান নতুনকৈ জন্ম হোৱা শব্দৰ বৃদ্ধি ঘটে, ডেকা-গাভৰুৰ দৰে শ্ৰীবৃদ্ধি হয়। অপ্ৰচলিত হৈ যোৱা কিছুমান শব্দয়ো আকৌ নতুন প্ৰাণ পায়। প্ৰথা বা ৰীতিৰ ওপৰতে ভাষাৰ মান নিৰ্ভৰ কৰে। ভাষাৰ মালিক আৰু শাসক হ'ল প্ৰথা বা ৰীতি। হৰেচে এই বুলিও কৈছে যে কবিয়ে যিকোনো ধৰণৰ শব্দ ব্যৱহাৰ কৰিব পাৰে।চিনাকি, নতুন, অপ্ৰচলিত, নতুনকৈ সৃষ্টি কৰা শব্দ ইত্যাদি। ব্যৱহাৰে যি দাবী কৰে সেই দাবী পূৰণ কৰিব পাৰিলেই হ'ল। চিনাকি শব্দক আচহুৱা আৰু আচহুৱা শব্দক চিনাকি কৰিব পৰাতে কবিৰ দক্ষতা প্ৰকাশ পায়। কিন্তু ৰচনাক বাদ দি যিহেতু শব্দবোৰে বাঞ্ছিত অৰ্থ কৰিব নোৱাৰে, শব্দৰ সংযোজনত কবিয়ে যত্ন আৰু ৰুচিৰ পৰিচয় দিব পাৰিব লাগিব।




বিষয় বস্তুক সুন্দৰকৈ সজাব পৰাটোৰেই আটাইতকৈ ডাঙৰ কথা। বিষয় বস্তুত লেখকে সৌন্দৰ্য আৰু আকৰ্ষণ সৃষ্টি কৰিব পাৰিব লাগিব। বিষয় বস্তুৰ সামগ্ৰিক পৰিকল্পনা আৰু ৰচনা ৰীতিৰ ক্ষেত্ৰত এই বৈশিষ্ট্যবোৰ প্ৰয়োজনীয়।

হৰেচে কবিতাৰ প্ৰসংগত আন এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্থাপন কৰিছে। কবিতা এটাৰ কৃতকাৰ্যতাত কবিৰ প্ৰতিভা আৰু তেওঁ আয়ত্ত কৰা কৌশলৰ সম্পৰ্ক কেনেকুৱা? কবি এজনৰ জন্মগত প্ৰতিভা থাকে আৰু তেওঁ কবিতা লিখাৰ বিভিন্ন কলাকৌশল আয়ত্ত কৰে। মানুহে প্ৰশ্ন সোধে যে কবিতা কবিৰ জন্মগত প্ৰতিভাৰ ফলত বিখ্যাত হয় নে কবিয়ে কষ্ট কৰি আয়ত্ত কৰা কৌশলৰ কাৰণে বিখ্যাত হয়। হৰেচৰ দৃষ্টিত প্ৰতিভা নাথাকিলে অধ্যয়নৰ পৰা একো লাভ নহয় আৰু প্ৰশিক্ষণ নোহোৱাকৈ দক্ষতা আয়ত্ত কৰিব নোৱাৰি। এটা গুণে আনটোক সহায় কৰি পৰস্পৰ পৰিপূৰক হৈ থাকে। এই কথা যিকোনো মহৎ কলাৰ ক্ষেত্ৰতে সত্য। কবিতা, চিত্ৰশিল্প, সংগীত, ভাস্কৰ্য আদি সকলো কলা শিল্পৰ ক্ষেত্ৰতে এই কথা প্ৰযোজ্য। কোনো লোকেই মহৎ শিল্পী হ'ব নোৱাৰে যদিহে তেওঁৰ জন্মগত প্ৰতিভা অলপ হ'লেও নাথাকে আৰু তেওঁ কষ্ট কৰি কলাৰ নীতিবোৰ আয়ত্ত নকৰে।

হৰেচৰ নাটকৰ সমালোচনাৰ বাবে তেওঁ এৰিষ্টটলৰ ওচৰত বহু পৰিমাণে ঋণী। তিনিটা শিতানত তেওঁ নাটকৰ আলোচনা কৰিছিল—কাহিনী, চৰিত্ৰ আৰু ৰচনা ৰীতি। নাট্যকাৰে দৰ্শকৰ চিনাকি বিষয়ৰ মাজৰ পৰাই নাটকৰ কাহিনী নিৰ্বাচন কৰিব লাগে বুলি তেওঁ কৈছিল। দৰ্শক গ্ৰীচৰ যিবোৰ কাহিনী বা কিংবদন্তীৰ লগত সুপৰিচিত, সিবোৰৰ মাজৰ পৰাই কাহিনী নিৰ্বাচন কৰা ভাল বুলি তেওঁ মত প্ৰকাশ কৰিছিল। নাট্যকাৰে তেতিয়া বিষয় বস্তুৰ কাৰ্যকৰী দিশটোৰ ওপৰত অধিক গুৰুত্ব দিব পাৰে। বিষয় বস্তুৰ শিল্পৰূপ নিৰ্মাণত তেওঁ মৌলিকত্ব প্ৰদৰ্শন কৰিব পাৰে। আগেয়ে কোনেও ব্যৱহাৰ নকৰা বিষয় নিৰ্বাচন কৰিলে নাট্যকাৰে তাক আৰম্ভণিৰ পৰা শেষলৈকে সংগতিপূৰ্ণ কৰি ৰাখিব লাগিব। গাঁথনিৰ ফালৰ পৰা কাহিনী একক আৰু অবিভাজিত হৈ থাকিব লাগিব। এলানি ঘটনাক সময়ৰ ক্ৰমত এটাৰ পাছত এটা গাঁথি দিলে নহ'ব। কাহিনী এটাৰ প্ৰাসংগিক ঘটনাবোৰকহে অবিভাজ্য ঐক্যসূত্ৰত বান্ধিব লাগিব। দৰ্শকক বিৰক্ত কৰা দৃশ্যক মঞ্চত দেখুৱাব নালাগিব। সিবিলাকক প্ৰয়োজন সাপেক্ষে সংবাদ হিচাপে পৰিৱেশন কৰিব পাৰিব। উদাহৰণস্বৰূপে মাকে নিজৰ ল'ৰা-ছোৱালীক হত্যা কৰা অথবা মানুহ এটা জন্তুলৈ সলনি হৈ যোৱাৰ নিচিনা ঘটনা মঞ্চত দেখুৱাব নালাগিব। তেনে ঘটনাই দৰ্শকক প্ৰচণ্ড আঘাত দিব আৰু বিৰক্ত কৰিব আৰু মানুহ জন্তু হৈ যোৱাৰ নিচিনা কথা মানুহে বিশ্বাসো নকৰিব। দেখাতকৈ শুনাটো দৰ্শকৰ বাবে কম ভয়ানক আৰু বিৰক্তিকৰ বাবে তেনে ঘটনাক সংবাদ কৰি পৰিৱেশন কৰাহে ভাল। একেদৰে মানৱীয় সমস্যা এটাৰ সমাধানৰ বাবে অতি প্ৰাকৃতিক শক্তিৰ সহায়ো ল'ব নালাগিব।

গ্ৰীক নাটকত কোৰাছে নাটকীয় কাহিনীত অংশগ্ৰহণ নকৰে, কাহিনীৰ ওপৰত মতামত ব্যক্ত কৰে। এই প্ৰসংগত হৰেচে কৈছিল যে কোৰাছ কাহিনীৰ বাহিৰত ওলমি থকাতকৈ কাহিনীৰ অপৰিহাৰ্য অংগ হোৱা ভাল। তেওঁ ভাবিছিল যে কাহিনীৰ বাহিৰত থাকি কোৰাছে কাহিনীৰ ঐক্য বিনষ্ট কৰিব পাৰে। মহৎ উদ্দেশ্য আগত ৰাখি কোৰাছে উপদেশ দিব লাগে। মংগলক কাৰাছে সমৰ্থন কৰিব লাগে, অত্যন্ত ক্ৰুদ্ধজনৰ ক্ৰোধ বাৰণ কৰিব লাগে। পাপ কাম কৰিবলৈ ভয় কৰাজনৰ প্ৰতি ই সদয় হ'ব লাগে। ন্যায়, আইন আৰু শান্তিৰ ই প্ৰশংসা কৰিব লাগে। কোৰাছ, সম্পৰ্কে হৰেচে কোৱা প্ৰথম কথাটো নাটকীয় কাহিনীৰ ঐক্য, অৰ্থাৎ কলাত্মক দিশৰ লগত জড়িত। পাছৰ কথাখিনিয়ে নাটকৰ নৈতিক দিশটোৰ প্ৰতি হৰেচৰ মতামত ব্যক্ত কৰিছে। নাটকৰ দৈৰ্ঘ্যৰ বিষয়ে হৰেচে কৈছিল যে ই পাঁচ অংকতকৈ চুটিও হ'ব নালাগে, দীঘলো হ'ব নালাগে। নহ'লে নাটকে দৰ্শকৰ মন জয় কৰিব নোৱাৰিব আৰু দৰ্শকে দ্বিতীয়বাৰ নাটকখন চাবলৈ নিবিচাৰিব। এই মতামত হৰেচৰ নিজৰ আৰু পৰৱৰ্তী সময়ত অনেক নাট্যকাৰে এই নীতি পালন কৰিছিল।


হৰেচৰ মতে নাট্যকাৰে চৰিত্ৰ কিংবদন্তীৰ পৰাও নিৰ্বাচন কৰিব পাৰে অথবা নতুন চৰিত্ৰও নিজে উদ্ভাৱন কৰিব পাৰে। চৰিত্ৰৰ আচৰণ আৰু কাম-কাজ সংগতিপূৰ্ণ হৈ থাকিব লাগিব। শৈশৱ, যৌৱন, বাৰ্ধক্য আদি মানুহৰ জীৱনৰ বিভিন্ন পৰ্যায়ৰ আচৰণ সংগতিপূৰ্ণ হ'ব লাগিব। ইয়াৰ পৰাই কমেডি নাটকত প্ৰতিনিধিত্বমূলক চৰিত্ৰ জনপ্ৰিয় হৈছিল। নাট্যকাৰে বিদ্ৰূপ কৰোতে কোনো মূৰ্খ মানুহ এজনক নকৰি সাধাৰণভাৱে মানুহৰ মূৰ্খামিক কৰে।

হৰেচৰ সময়ৰ ৰোমত ভাষা-সাহিত্য-সংস্কৃতিৰ জগতত লেটিন আৰু আলেকজেন্দ্ৰিয়ান সমৰ্থকৰ মাজত বিতৰ্ক হৈ আছিল। হৰেচৰ দৃষ্টিত ৰোমৰ বিশাল প্ৰয়োজন পূৰণ কৰিবলৈ প্ৰাচীন গ্ৰীকসকলৰ আদৰ্শহে উপযোগী আছিল। গ্ৰীক ধ্ৰুপদী সাহিত্যৰ মাজতহে তেওঁ শ্ৰেষ্ঠ উদাহৰণ দেখা পাইছিল। সাহিত্য সমালোচনাৰ তাত্ত্বিক চিন্তাও তেওঁ গ্ৰীক পণ্ডিতৰ পৰাই আহৰণ কৰিছিল।

*ফোন ঃ ৯৮৬৪২৩২০৮৬*

---

# দ্য চাৰ্ডিনিয়ান ফক্স



**চাৰ্ডিনিয়াৰ** লোকজীৱন কেন্দ্ৰিক গল্প 'দ্য চাৰ্ডিনিয়ান ফক্স'ত লেখিকা গ্ৰাজিয়া ডে'লেডাই লোক মনৰ আবেগ-অনুভূতি, উৎসাহ-উদ্দীপনাৰ লগতে ব্যক্তি মনৰ গহন প্ৰান্তত সুপ্ত হৈ থকা 'অন্ধকাৰখিনি'ও বাহিৰলৈ উলিয়াই আনিবলৈ প্ৰয়াস কৰিছে। এই বিশেষ গল্পটোতো তেনে এটা প্ৰয়াস মন কৰিবলগীয়া। গল্পটোৰ লেখিকা ১৯২৬ৰ ন'বেল বঁটা প্ৰাপক গ্ৰাজিয়া মাৰিয়া কছিমা ডামিয়ানা ডে'লে'ডা ইটালীয় লেখিকা। তেওঁৰ জন্ম ১৮৭১ত চাৰ্ডিনিয়াৰ নুৰোৱাত। বুৰ্জোৱা পিতৃ-মাতৃৰ সন্তান আছিল যদিও মাত্ৰ এঘাৰ বছৰ বয়সতে তেওঁ আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰিবলগীয়া হৈছিল। পৰৱৰ্তী সময়ছোৱাত তেওঁৰ শিক্ষাৰ বাবে ঘৰুৱা শিক্ষক নিযুক্ত হৈছিল। অধ্যয়ন কৰি ভাল পোৱা গ্ৰাজিয়াই ইটালীয়, ৰুছ, ফৰাচী আৰু ইংৰাজী সাহিত্য অধ্যয়ন কৰি নিজৰ জ্ঞান পিপাসু মনৰ তৃষ্ণা পূৰণ কৰিছিল। নুৰোৱাৰ বৃহত্তৰ সমাজখনেই হওক বা তেওঁৰ ৰক্ষণশীলমনা পিতৃ-মাতৃয়েই হওক -- কোনেও তেওঁৰ নিচিনা যোড়শীয়ে গল্প-উপন্যাস ৰচনা কৰা আৰু তাৰ প্ৰকাশ কৰাটো পছন্দ কৰা নাছিল। কিন্তু দৃঢ়চেতা গ্ৰাজিয়াই কম বয়সৰ পৰাই নিজৰ ৰচনাৰাজি স্থানীয় সংবাদপত্ৰ আৰু আলোচনীত প্ৰকাশ কৰিছিল।



## সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন

পৰৱৰ্তী সময়ত ১৮৯৯ত কাগ্‌লিয়াৰিত বিত্ত বিভাগৰ বিষয়া পাল্‌মিৰ' মাডেচানিৰ লগত পৰিচয় হোৱা ঘটনাটোৱে গ্ৰাজিয়াৰ জীৱনৰ পট পৰিবৰ্তন কৰি দিছিল। সেই চিনাকি পৰ্বৰ কেইমাহমানৰ পিছত ১৯৩০ত তেওঁলোক দুয়ো বিবাহপাশত আবদ্ধ হয় আৰু ৰোমত স্থায়ীভাৱে বসবাস কৰিবলৈ ধৰিলে। হয়তো অভিজাত ৰোমান সমাজৰ বাহ্যিক আড়ম্বৰ আৰু ফোঁপোলা স্বৰূপে তেওঁক তেনে সমাজৰ প্ৰতি বীতশ্ৰদ্ধ কৰি তুলিছিল। সেয়েহে হুলস্থূলীয়া পৰিৱেশৰ পৰা আঁতৰত এটা শান্তিপূৰ্ণ গাৰ্হস্থ্য জীৱন অতিবাহিত কৰাৰ প্ৰতি তেওঁ আগ্ৰহী আছিল। তাৰ মাজতে তেওঁ তেওঁৰ সাহিত্য সাধনা কৰি গৈছিল। যদিও তেওঁ ঔপন্যাসিক আৰু চুটিগল্পকাৰ হিচাপে অধিক প্ৰখ্যাত, তথাপিতো তেওঁৰ সৃষ্টিয়ে কবিতা, নিবন্ধ, নাট্যকলা, সাংস্কৃতিক নিবন্ধ, শিশু সাহিত্য আৰু অনুবাদ সাহিত্যও সামৰে। সমালোচকসকলে তেওঁৰ ৰচনাৰাজিত 'লোক সাংস্কৃতিক আঞ্চলিকতাবাদ'ৰ উপস্থিতিৰ কথা কৈছে। পিছে তেওঁ নিজৰ সৃষ্টিশীল ৰচনাৰাজিত যি দৰে চাৰ্ডিনিয়ান কৃষক জীৱনৰ ৰেখাংকন কৰিছে, সিবিলাকৰ দোষ-দুৰ্বলতা, চাৰিত্ৰিক গুণ আৰু আশা-আকাংক্ষা, ভোগ-লোভ, লালসা, বিদ্বেষ এই বহুৰঙী দলিচাখনে তেওঁৰ সৃষ্টিৰাজিক এক অভিনৱত্ব আৰোপ কৰিছে। তথাপিতো সময়ে সময়ে তেওঁৰ সৃষ্টিৰাজিত সমালোচকসকলৰ কাপৰ চোকা খোঁচ নপৰাকৈ থকা নাই। আলোচ্য গল্পটোৰ মাজেদি তেওঁৰ গল্পসমূহৰ মাজেদি সজীৱ হৈ উঠা চাৰ্ডিনিয়াৰ জনজীৱনৰ ৰেখাংকন কৰিবলৈ প্ৰয়াস কৰা হৈছে।

ভেড়া পালনৰ মাজেদি জীৱন নিৰ্বাহ কৰা এখন গাঁৱৰ ছবি গল্পকাৰ গৰাকীয়ে আঁকিছে। নগৰীয়া জীৱনৰ জটিলতাৰ পৰা বহু যোজন দূৰৈত অৱস্থান কৰা সেই গাঁওখনত ভিন্ন স্তৰৰ, বিভিন্ন মানসিকতাৰ স্ত্ৰী-পুৰুষে লেখিকাৰ কাপত জীৱন্ত হৈ উঠিছে। কাহিনীটো আৰম্ভ হৈছে পাহাৰৰ নামনিত অৱস্থিত ভেড়া পালকৰ গাঁৱৰ এজন বৃদ্ধ জিউ টমাচ আচিটুচৰ বিশেষ এটা ৰোগক কেন্দ্ৰ কৰি। বয়সৰ বাবে তেওঁৰ ভৰি আৰু আঁঠু জঠৰ হৈ গৈছে। তেওঁৰ নাতিনীয়েক জানাই গাঁওখনৰ চিকিৎসকগৰাকীৰ সহায় বিচাৰিলে। তাৰ বাবে ওচৰ-চুবুৰীয়া জিয়া লে'নাৰ্ডাক পাচিলে। চল্লিশোৰ্দ্ধৰ এই মহিলাগৰাকীয়ে চিকিৎসকৰ ঘৰলৈ গৈ গম পালে যে তেওঁ চহৰত। কিন্তু তেওঁৰ পৰিৱৰ্তে অন্য এজন 'বিকল্প' চিকিৎসক তেওঁৰ ঘৰতে আছে। সেইজন চিকিৎসকক জানাৰ ককাকৰ ৰোগ পৰীক্ষা কৰিবলৈ মাতিলে। চিকিৎসক গৰাকীয়ে ৰোগৰ উচিত প্ৰতি বিধান দি বৃদ্ধক ৰোগমুক্ত কৰিলে। পিছে সেই মধ্য বয়সীয়া চিকিৎসক গৰাকী জানাৰ সৌন্দৰ্যৰ মোহত বন্দী হ'ল। জানাই তেওঁৰ মনোভাৱ সম্পৰ্কে ধাৰণা কৰিছিল। নিজৰ মনৰ প্ৰকৃত ভাব জানিবলৈ নিদি জানাই সেই চিকিৎসক গৰাকীৰ লগত সৌহাৰ্দ্যপূৰ্ণ মনোভাৱ পোষণ কৰি থাকিল।

চিকিৎসকে ক্ৰমশঃ এইটো বুজি পাইছিল যে জানা, জিয়া লে'নাৰ্ডোহঁত দেখাত যেনে দৰিদ্ৰ প্ৰকৃতাৰ্থত তেওঁলোক তেনে নহয়। তেওঁলোক সম্পদশালী। কিবা অজান কাৰণতহে তেওঁলোকে দৰিদ্ৰ লোকৰ দৰে জীৱন নিৰ্বাহ কৰে মাথোন। ইফালে, চিকিৎসকে এইটো জানিলে যে জিয়াৰ স্বামী জাকু সৈন্য বাহিনীত আৰু তেওঁ বিশ বছৰ বয়সীয়া তৰুণ। তেওঁলোকৰ বাবে ভেড়াৰ নোম খুৰোৱা পৰ্ব এটা ডাঙৰ উৎসৱতুল্য। গতিকে চিকিৎসক গৰাকীয়ে কিবা উপায়েৰে তেওঁৰ তৰুণ স্বামীক উৎসৱৰ বাবে ঘৰলৈ ঘূৰি আহিবলৈ যত্ন কৰে যেন। ভবা মতেই তেওঁ চিকিৎসকৰ হতুৱাই তেওঁৰ শাৰীৰিক অসুস্থতাৰ প্ৰমাণ-পত্ৰ লিখাই নিজৰ স্বামীক ঘৰলৈ আনিবলৈ সমৰ্থ হয়।

জানাৰ প্ৰতি থকা চিকিৎসকৰ দুৰ্বলতাৰ কথা জিয়াই ভালদৰে বুজি পাইছিল। জানাৰ মনত কি ৰহস্য লুকাই আছিল তাক কোনেও জনা নাছিল। চিকিৎসকৰ লগত চিকিৎসা শাস্ত্ৰৰ লগত জড়িত ৰোগ-ব্যাধিৰ কথা, ভেষজৰ কথা, বিষ আদিৰ কথা নিঃসংকোচে পাতিছিল। বিষ বিচৰাত চিকিৎসকে জানাকনো কি কাৰণে বিষৰ প্ৰয়োজন তাক সোধাত জানাই উত্তৰ দিছিল যে ভেড়া পোৱালিবোৰক খাবলৈ অহা শিয়াল এটাক মাৰিবলৈ বিষৰ প্ৰয়োজন।

ইতিমধ্যে জিয়াৰ সুদৰ্শন স্বামী জাকু আহি উপস্থিত হৈছিল। আনুষ্ঠানিক- ভাৱে ভেড়াৰ নোম খুৰোৱা পৰ্ব আৰম্ভ হোৱাত চিকিৎসকেও অতিথি হিচাপে তাত যোগদান কৰিছিল। এই পৰম্পৰাৰ লগত 'দ্য চাৰ্ডিনিয়ান ফক্স'টোত গল্পকাৰে তেওঁৰ চিনাকি সমাজখন, নিজৰ অঞ্চলটো আৰু তাত প্ৰচলিত ৰীতি-নীতি, আচাৰ-আচৰণৰ কথা কলাত্মক ৰূপত দাঙি ধৰিছে।

*neevarani11@gmail.com*

---

অসমৰ নাট্য ইতিহাসৰ চক্ৰনাভি

# নাট্যসম্ৰাট চন্দ্ৰ চৌধুৰী

মনোজ কুমাৰ ভট্টাচাৰ্য

**সাহিত্যক** চহকী কৰিবলৈ, জীৱনক সমৃদ্ধ কৰিবলৈ, ভাষাৰ উত্তৰণ ঘটাবলৈ আৰু জাতিক দিক্‌দৰ্শন দেখুৱাবলৈ গ্ৰন্থৰ ভূমিকা যে অপৰিহাৰ্য সেই কথা সৰ্বজনবিদিত। গ্ৰন্থই এটা জাতিৰ অৰ্থনৈতিক, সামাজিক, ভাষিক আৰু সাংস্কৃতিক পৰিচয় বহন কৰি ঐতিহাসিক পৰম্পৰাৰ স্বাক্ষৰ প্ৰদান কৰে। এক কথাত ক'বলৈ গ'লে মানৱ ঐতিহ্য ফঁহিয়াই চাবলৈ গ্ৰন্থৰ অৱদান অনস্বীকাৰ্য। মিল্টনে সেয়েহে কৈছিল— 'এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন আদৰ্শবাদী ব্যক্তিক হত্যা কৰা একেই কথা।'

'অসমৰ নাট্য ইতিহাসৰ চক্ৰনাভি নাট্যসম্ৰাট চন্দ্ৰ চৌধুৰী' গ্ৰন্থখন পঢ়াৰ সুযোগ পালো আৰু পঢ়ি সঁচাকৈয়ে বৰ আপ্লুত হ'লো। নাট্যকলাৰ মহীৰূহ সদৃশ মহীয়ান ব্যক্তিজনাৰ অভিনয় চোৱাৰ উপৰি লগ পোৱাৰ সৌভাগ্যও মোৰ ঘটিছিল। সুদীৰ্ঘ তিনি কুৰি বছৰ অসমৰ স্বৰ্ণিল আৰু বৰ্ণিল নাট্য জগতত নানা ঘাত-প্ৰতিঘাত, দুখ-দৈন্য অতিক্ৰম কৰি মঞ্চ কঁপোৱা অভিনেতা, নাট পৰিচালক চন্দ্ৰ চৌধুৰী ভোটাতৰা হৈ জিলিকি আছিল।

নাট্যসম্ৰাট চন্দ্ৰ চৌধুৰী স্মৃতিৰক্ষা সমিতিৰ হিতেশ দত্ত, মীৰা দত্ত চৌধুৰী, বিনয় চৌধুৰী, নগেন চৌধুৰী আৰু ৰণেন্দ্ৰ কুমাৰ ডেকাৰ প্ৰচেষ্টাত চাৰি কুৰিৰো অধিক ব্যক্তিৰ বহুমূলীয়া লেখাৰে সমৃদ্ধ গ্ৰন্থখন নিঃসন্দেহে এখন তথ্যসম্বলিত দলিল। লগতে নাট্যসম্ৰাট চৌধুৰীৰ বিভিন্ন লেখাই তদানীন্তন মঞ্চ জগতৰ পৰিৱেশ, পৰিস্থিতি, সমস্যা আদি ভিন্ন দিশৰ চিত্ৰ সাৱলীলভাৱে আঁকিবলৈ সক্ষম হৈছে। তদুপৰি তেওঁৰ দিনপঞ্জী, ভাষণ, ৰাজহুৱা সন্মান-সম্বৰ্ধনাৰ তালিকা, স্বৰচিত গীত, কবিতা আৰু ৫০ পৃষ্ঠাৰ আলোক চিত্ৰসমূহে গ্ৰন্থখনৰ সৌষ্ঠৱ যথেষ্ট বৃদ্ধি কৰিছে।

নাট্য জগতৰ লগত জড়িত স্বনামধন্য লেখকসকলৰ বিভিন্ন দিশ সামৰি যুগুত কৰা লেখাসমূহত নাট্যসম্ৰাটজনাৰ বিৰল প্ৰতিভা উন্মোচিত হৈছে। বিশিষ্ট লেখকসকলৰ অন্যতম হ'ল— কুলদা কুমাৰ ভট্টাচাৰ্য, ৰত্ন ওজা, ঐশ্বৰ্য কাকতি, ড° অমৰজ্যোতি চৌধুৰী, কৃষ্ণ ৰয়, ৰতন লহকৰ, অতুল মজুমদাৰ, থানেশ্বৰ মালাকাৰ, হেমন্ত দত্ত, বাদল দাস, উৎপল দত্ত, সতীশ চন্দ্ৰ চৌধুৰী, নৰেন পাটগিৰি আৰু গোপাল জালান।

জনপ্ৰিয় নাট্যকাৰ, লেখক জিতেন শৰ্মাই গ্ৰন্থখনৰ পাতনিত উল্লেখ কৰিছে—'এই গ্ৰন্থখন অসমৰ যাত্ৰা তথা ভ্ৰাম্যমাণ নাট্যদলৰ বিষয়ে অনুসন্ধিৎসু লোকৰ বাবে হ'ব এখন মূল্যবান হাতপুথি স্বৰূপ। বিশেষকৈ চন্দ্ৰ চৌধুৰীৰ নিজৰ লেখা 'মোৰ নাট্য জীৱনৰ তিনি কুৰি বছৰ' নামৰ আত্মজীৱনীমূলক সুদীৰ্ঘ লেখনিটোৰ পৰা যাত্ৰা তথা ভ্ৰাম্যমাণৰ বহু অলিখিত ইতিহাসৰ সমল পোৱা যাব।



সাৱলীল ভাষাৰে স্বতঃস্ফূৰ্তভাৱে লিখি যোৱা এই লেখাটো পঢ়ি আমাৰ ভাব হৈছে চৌধুৰীদেৱৰ নাট্যজগতখনতে সীমাবদ্ধ হৈ নাথাকি সাহিত্য ক্ষেত্ৰখনতো মনোনিৱেশ কৰা হ'লে তেওঁ হয়তো বিশিষ্ট কথা-সাহিত্যিকৰ লেখত অৱস্থান কৰিলেহেঁতেন।'


'অসমৰ নাট্য ইতিহাসৰ চক্ৰনাভি নাট্যসম্ৰাট চন্দ্ৰ চৌধুৰী' গ্ৰন্থখনৰ বেটুপাত আকৰ্ষণীয়। ছশ পৃষ্ঠাৰ গ্ৰন্থখনৰ দাম ৫০০ টকা। পঢ়ুৱৈসকলে গ্ৰন্থখন আদৰি ল'লে যাত্ৰাদল আৰু ভ্ৰাম্যমাণৰ বহু সমল লাভ কৰি নিশ্চয়কৈ উপকৃত হ'ব পাৰিব।

---

# 'নৈবেদ্য'ত প্ৰকাশ পাইছে জীৱনৰ ছন্দ

গোপাল জালান

**ডাঃ দীপিকা** চৌধুৰীৰ গল্প সংকলন 'নৈবেদ্য'ত সমাজ জীৱনৰ প্ৰতিটো দিশেই ফুটি উঠিছে। বাস্তৱ জীৱনৰ সৰু সৰু ঘটনা তথা বিষয়বোৰক মূল শক্তি হিচাপে লৈ ৰচনা কৰা গল্পসমূহৰ ভাষা প্ৰাঞ্জল আৰু মনোগ্ৰাহী। লেখিকাৰ এইখন তৃতীয় গল্প সংকলন। এই সংকলনখনত ১৬টা গল্প সন্নিৱিষ্ট কৰা হৈছে। এইখন পুথিত লেখিকাই 'লিগেচী ডাটা, দংশন, বন্দিতা, মাতৃত্বৰ ব্যৰ্থতা, বানপ্ৰস্থ, ভৱিতব্য, বিস্মৃতি, এটি পুৰণি প্ৰেম কাহিনী, নাৰী দিৱস, পৰিচয়, খিৰিকী' গল্প অন্তৰ্ভুক্ত কৰিছে। এই গল্পসমূহ লেখিকাৰ নিজা অনুভূতিৰ ফল। লিগেচী ডাটা সংগ্ৰহৰ ক্ষেত্ৰত সকলোৰে কেনেকুৱা সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল আৰু ঘটনাক্ৰমে লগ পোৱা চিনাকি-অচিনাকি মানুহবোৰৰ স'তে ঘটা ঘটনা 'লিগেচী ডাটা' নামৰ গল্পটোত সুন্দৰভাৱে প্ৰকাশ হৈছে। আনহাতে, 'ভৱিতব্য' গল্পটোৰ জৰিয়তে অসহিষ্ণুতা, জীৱন-দৰ্শনৰ বিকৃত ভাবধাৰাৰ বাবে একো গৰাকী লোকৰ জীৱনলৈ কেনেধৰণৰ প্ৰত্যাহ্বান নামি আহে সেই বিষয়ে সুন্দৰভাৱে বৰ্ণনা কৰিছে। 'ৰুদ্ধ অনুভূতি' নামৰ গল্পটোত সুন্দৰ বৰ্ণনা দাঙি ধৰিছে সুন্দৰ শব্দ চয়নেৰে— 'মাহীমাকৰ কটু ব্যৱহাৰত শিশু বয়সতে টেঙাই যোৱা যুতিকাৰ মন চন্দ্ৰপ্ৰভাৰ মৰমৰ পৰশত জীপাল হৈ মৰমৰ বান্ধোনৰ পৰা ওলাব নোৱৰা হ'ল। ঘৰলৈ খুব কমেই গৈছিল আৰু বুজিব পৰা হোৱাত চন্দ্ৰপ্ৰভাকেই মাক যেন জ্ঞান কৰিছিল। জিৰিৰ পিছত যুতিকাৰ দায়িত্ব আহি পৰিল আৰু যেতিয়া অৰূপ শইকীয়াৰ জনা-শুনা, কোৰ্টত কাম কৰা হৰমোহনে তাইক বিয়া কৰাম বুলি জনালে চন্দ্ৰপ্ৰভা যেন এটা ডাঙৰ দায়িত্বৰ পৰা মুক্ত হ'ল।'




সাধাৰণতে আমাৰ সমাজত প্ৰতিনিয়ত সংঘটিত হৈ থকা ঘটনাৰ পৰা লাভ কৰা অভিজ্ঞতা আৰু দেখি-শুনি পোৱা জ্ঞানৰ দ্বাৰা যেতিয়া একোটা গল্প ৰচনা কৰা হয় তেতিয়া গল্পটো পাঠকৰ বাবে তেনেই মনোগ্ৰাহী হৈ উঠে। এই মনোগ্ৰাহী গল্পৰ মাজত পাঠকে বিচাৰি পায় একোখন সুন্দৰ ছবি, য'ত কেৱল বাস্তৱৰহে ছবিখন প্ৰতিফলিত হয়। ডাঃ চৌধুৰীৰ গল্প সংকলনখনতো ইয়াৰ সুন্দৰ প্ৰতিফলন ঘটিছে। গল্পসমূহ ভালদৰে পঢ়াৰ পাছত সন্মুখত ভাহি উঠা ছবিখনে কি কি কথা প্ৰকাশ কৰিব পাৰে তাৰ আভাস আগতেই পোৱা যায়। এইক্ষেত্ৰত লেখিকাই নিজস্ব শৈলীৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

বিশাল প্ৰকাশনে প্ৰকাশ কৰা গল্প সংকলনখনৰ বেটুপাত অংকন কৰিছে ডাঃ বাসৱদত্তা চৌধুৰীয়ে। সুন্দৰ প্ৰচ্ছদৰ 'নৈবেদ্য' গল্প সংকলনখনৰ মূল্য ২০০ টকা। এই গ্ৰন্থখনে নিশ্চয় পাঠক সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব। কোনো কাৰো আপোন নহয়, কোনো পৰো নহয়। কাকো বেছি আপোন কৰিব নালাগে আৰু বেছি পৰ বুলি ভবাও অনুচিত। সঠিক পথেৰে জীৱনৰ গতিপথ আগুৱাই নিব লাগে। জীৱনৰ খলা-বমা পথেৰে আগুৱাই যোৱাৰ সময়ত যাতে কেতিয়াও কোনোৱে পিছুৱাই আহিব নালাগে তাৰ বাবে সকলোৱে চেষ্টা কৰা উচিত। এই সকলোবোৰেই যেন গল্পপুথিখনত প্ৰকাশ পাইছে। সহজ অৰ্থত ক'বলৈ হ'লে ডাঃ দীপিকা চৌধুৰীয়ে এই পুথিখনৰ জৰিয়তে পাঠকৰ মন জয় কৰিবলৈ সক্ষম হৈছে।

*ফোন ঃ ৯৪৩৫১-০৩৯৭৭*

---

# বানে গৰকা বৰভাগত এখন জীয়া উপন্যাস

মিহিৰ কুমাৰ বৰুৱা



**লেখক** নবীন চন্দ্ৰ লহকৰ ৰচিত 'বানে গৰকা বৰভাগত' শীৰ্ষক গ্ৰন্থখন উছৰ্গা কৰিছে পৱিত্ৰ দামোদৰধাম সত্ৰৰ লগত জড়িত গুণী-জ্ঞানী লোকসকলৰ শ্ৰীচৰণত।

নলবাৰী জিলাৰ এক নৈপৰীয়া অঞ্চল হিচাপে জনাজাত বৰভাগৰ ঐতিহ্যক আগস্থান দি এই গ্ৰন্থখনৰ কাহিনীভাগ আৰম্ভ কৰা হৈছে। লেখক-শিক্ষাবিদ ড° সুৰেশ কুমাৰ আৰ্যই মনোৰম পাতনি লিখি নবীন লহকৰৰ এই গ্ৰন্থখনৰ বিষয়ে পুংখানুপুংখ আলোচনা কৰিছে।


১৪৪ পৃষ্ঠাৰ এই গ্ৰন্থখনত মুঠ দুকুৰি পাঁচটা বিষয় সন্নিবিষ্ট কৰি বৃহত্তৰ বৰভাগৰ আৰ্থ-সামাজিক-সাংস্কৃতিক-শৈক্ষিক দিশৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়োৱা দেখা যায়। ড° আৰ্যৰ দৃষ্টিত বৰভাগৰ সামাজিক সাংস্কৃতিক জীৱন পৰিক্ৰমা সন্নিবিষ্ট লহকৰৰ গ্ৰন্থখনৰ আন এক চকুত লগা বৈশিষ্ট্য হ'ল— জন্মস্থান বৰভাগৰ জীৱন প্ৰবাহৰ লগত লেখকৰ ব্যক্তিগত জীৱনৰ স্মৃতি ৰোমন্থন সংপৃক্ত থকাটো। লেখকৰ শৈশৱৰ ধৰ্মীয় উপাসনাস্থলী শ্ৰীশ্ৰী দামোদৰ ধাম সত্ৰত মূৰ দোঁৱাই আশিস লৈ সত্ৰৰ গৰিমা বখানি এই পুথি আৰম্ভ কৰিছে। পূবে বৰলীয়া, পশ্চিমে পাগলাদিয়া নৈৰ লগত অৱস্থিত বৰভাগ মৌজাৰ অন্তৰ্গত পাণ্ডুলা গাঁৱৰ পৰাই আৰম্ভ হৈছে এই পুথিৰ কাহিনীভাগ। পাণ্ডুলা প্ৰাথমিক বিদ্যালয়ৰ ৬০ৰ দশকৰ শিক্ষা পদ্ধতি আৰু ১৯৬৮-৬৯ত বৰভাগ কালাগ হাইস্কুলৰ পৰা অসমৰ ভিতৰত প্ৰথম হৈ মেট্ৰিক পাছ কৰা ভৱানীকান্ত শৰ্মাক লৈ গাঁৱত উলিওৱা শোভাযাত্ৰা একে অঞ্চলৰে ছহিদ মুকুন্দ কাকতি বিদ্যাপীঠৰ শৈক্ষিক বাতাবৰণবোৰৰ বৰ্ণনা অতি বিতোপন। ৭০-৮০ দশকৰ সম্পূৰ্ণ গাঁৱলীয়া পৰিৱেশত ডাঙৰ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ অসুখ-বিসুখ, আই ওলোৱা সময়ৰ পৰিৱেশ আৰু পৰিচৰ্যাৰ বিষয়েও লেখকে সুন্দৰভাৱে বৰ্ণনা কৰিছে। সেই সময়ৰ পঞ্চায়ত, বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ সময়ৰ গাঁৱলীয়া পৰিৱেশ, বানপানী, সাপ্তাহিক বজাৰ আদিৰ বৰ্ণনা অতি বিতোপন। তাৰ উপৰি অসমৰ মাধ্যম আন্দোলন, স্কুলৰ বৃত্তি, বন্ধ দিনত কটোৱা ল'ৰালিৰ স্মৃতি গৰু চৰা, বিভিন্ন খেল, মাছ ধৰা, আদিৰ উপৰি বিহু উদ্‌যাপন, গুছি লোৱা, ন-খোৱা, ভেলাঘৰ সজা, আদি পৰম্পৰাবোৰৰ আবেগিক বৰ্ণনা পোৱা যায়। চ'তৰ দেউল উৎসৱো কালাগ আৰু কমাৰকুছি গাঁৱৰ এটা প্ৰচলিত উৎসৱ। লেখকক পিতাকে আনৰ উদাহৰণ দি পঢ়া-শুনাৰ মাজেদিও কেনেকৈ হালৰ মুঠি ধৰিব লাগে তাৰো নীতি-শিক্ষা দিছিল। এই ছেগতে তেওঁ গাঁৱৰ আলিৰ মাজেৰে গুৱাহাটীলৈ যোৱা কল্যাণী, টুফানী আদি নামৰ বাছবোৰৰ বৰ্ণনাও নিখুঁতভাৱে দিয়ে। গাঁৱত প্ৰচলিত 'গুৰখে সেৱা' (গৰখীয়া সেৱা), পোহাৰীৰ পৰা মাছ লোৱা, শেলুক খোৱা আৰু গৰু-ছাগলী দৰহ (দৰখ) দিবলৈ যোৱা কাহিনীবোৰ সুন্দৰভাৱে বৰ্ণনা কৰিছে। বৰভাগৰ ভঠেলি উৎসৱ লেখকৰ শৈশৱৰ অন্য এক মধুৰ স্মৃতি। বৰভাগৰ আমতিৰ দিনকেইটাৰ স্মৃতি, আন ঠাইলৈ ফুটবল খেলিবলৈ যোৱা, ঠাকুৰ সেৱা, নামপাৰ্টি, আদিৰ মনোৰম স্মৃতিবোৰ সন্নিবিষ্ট হৈছে উক্ত গ্ৰন্থখনত। গ্ৰন্থখনত লেখকে আন এক পাহৰিব নোৱাৰা স্মৃতি বৰ্ণনা কৰিছে সেয়া হ'ল— গাঁৱৰ চাৰিআলি চ'কৰ জ্যেষ্ঠসকলৰ আড্ডা আৰু দৈনিক, সাপ্তাহিক বাতৰি কাকতৰ বাতৰিসমূহৰ আলোচনা বিশেষকৈ সেই সময়ৰ বৰভাগ সমষ্টিৰ বিধায়ক গৌৰীশংকৰ ভট্টাচাৰ্যই বিধানসভাৰ মজিয়াত প্ৰদান কৰা তেজস্বী ভাষণৰ বাতৰিবোৰ আড্ডাত এজনে ডাঙৰ ডাঙৰকৈ পঢ়ি শুনাইছিল। সেই আড্ডাতেই স্থান পোৱা উপেন ৰাজখোৱা পৰিয়ালৰ হত্যাকাণ্ডৰ ধাৰাবাহিক বাতৰি প্ৰকাশ কৰা 'অসমবাণী'ৰ সম্পাদকো আছিল এই লেখকৰ গাঁৱৰ নিকটৱৰ্তী উলাবাৰী গাঁৱৰ সতীশ চন্দ্ৰ কাকতি। লেখক লহকৰে সাৱলীলভাৱে বৰ্ণনা কৰিছে সেই সময়ৰ গাঁৱৰ বিয়া-সৱাহ, গাঁৱত জোঁৱাই-ভাগিনৰ আদৰ, ঘৰে-ঘৰে বস্তুৰ আদান প্ৰদান, পূজা পাতল সকাম আদিত ওদাপালি নিমন্ত্ৰণ, পছলা, কলাখাৰ, কলফুলৰ আঞ্জা, ভাজি আদিৰ বিষয়ে। লেখকৰ শৈশৱ-কিশোৰ- যৌৱনৰ সেৱাৰ থলী দামোদৰ ধাম সত্ৰলৈ পুনৰবাৰ প্ৰণিপাত জনাই গ্ৰন্থখনৰ সমাপ্তি ঘটাইছে।

## দেশত সামান্য হ্ৰাস দৈনিক সংক্ৰমণ, এদিনত মৃত্যু ৩১ জনৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ জুলাই ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণ সামান্য হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত এদিনত দেশত নতুনকৈ কৰ'না আক্ৰান্ত হ'ল ১৬,১০৩ জন লোক। শনিবাৰে দেশত ক'ভিড আক্ৰান্তৰ সংখ্যা আছিল ১৭,০৯২ জন। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ৩১ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। এদিন পূৰ্বে দেশত ক'ভিডত মৃতকৰ সংখ্যা আছিল ২৯ জন। সম্প্ৰতি দেশত এক লাখ ১১ হেজাৰ ৭১১ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## পতনৰ দিশত ইউক্ৰেইনৰ আন এখন বৃহৎ চহৰ, শংকাত জেলেনস্কি




নিউজ ব্যুৰ', কীভ, ৩ জুলাই ঃ চাৰি মাহৰো অধিক দিন ধৰি ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ অব্যাহত ৰাখিছে। ৰাছিয়াৰ ধাৰাবাহিক আগ্ৰাসনত ইউক্ৰেইনৰ বিভিন্ন চহৰ সম্প্ৰতি ধ্বংসস্তুপত পৰিণত হৈছে। অৱশ্যে এতিয়াও সম্পূৰ্ণ ইউক্ৰেইন দখল কৰিবলৈ ৰুছ সেনা বাহিনী সফল হোৱা নাই। এনে সময়তে ইউক্ৰেইনৰ আন এখন গুৰুত্বপূৰ্ণ চহৰ দখলৰ দিশত অগ্ৰসৰ হ'ল ৰুছ সেনা। ইউক্ৰেইনৰ অন্তিমখন বৃহৎ দুৰ্গ চহৰৰূপে পৰিচিত লিচিছানস্ক অচিৰে ৰাছিয়াই দখল কৰাৰ সম্ভাৱনা প্ৰকট হৈছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিৰ এজন উপদেষ্টাই এই আশংকা প্ৰকাশ কৰি জনোৱা অনুসৰি লিচিছানস্ক অচিৰে ৰুছ সেনাই দখল কৰিব পাৰে। ৰাছিয়াৰ বিভিন্ন সংবাদ মাধ্যমেও দাবী কৰা অনুসৰি ইউক্ৰেইনৰ এইখন চহৰ সম্প্ৰতি নিজৰ নিয়ন্ত্ৰণত আনিবলৈ সফল হ'ল ৰাছিয়াৰ সেনা বাহিনী। ৰুছ সেনাৰ নতুন আগ্ৰাসনৰ প্ৰতি লক্ষ্য ৰাখি জেলেনস্কিয়ে আকৌ এবাৰ আমেৰিকা আৰু পশ্চিম বিশ্বৰ পৰা তৎকালীন সহায় বিচাৰিলে।

## পোপ ফ্ৰান্সিছক সাক্ষাৎ এলন মাস্কৰ



**নিউজ ব্যুৰ', ৰোম, ৩ জুলাই ঃ** টেছলা আৰু স্পেচ এক্সৰ মুৰব্বী তথা বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত এলন মাস্কে পোপ ফ্ৰান্সিছক সাক্ষাৎ কৰিলে। মাস্কে নিজে টুইটাৰৰ জৰিয়তে এই কথা প্ৰকাশ কৰি কয় যে যোৱা শুকুৰবাৰে তেওঁ পোপক সাক্ষাৎ কৰাৰ সৌভাগ্য অৰ্জন কৰিলে। মাইক্ৰ' ব্লগিং ছাইটটো মাস্কে পোপক সাক্ষাৎ কৰাৰ এখন ছবিও প'ষ্ট কৰিছে। এই ছবিত পোপ ফ্ৰান্সিছৰ স'তে মাস্ক আৰু তেওঁৰ চাৰি সন্তানক প্ৰত্যক্ষ হৈছে। পোপক বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিজনে সাক্ষাৎ কৰাৰ সন্দৰ্ভত অৱশ্যে ভেটিকান চিটিয়ে কোনো তথ্য সদৰী কৰা নাই। পোপে প্ৰায়ে বিখ্যাত ব্যক্তিসকলক এইদৰে সাক্ষাৎ কৰি তেনে ব্যক্তিসকলক দৰিদ্ৰৰ কল্যাণৰ হকে কাম-কাজ কৰিবলৈ আৰু ধন ব্যয় কৰিবলৈ আহ্বান জনাই আহিছে।

## আৰ্জেণ্টিনাৰ ভয়াৱহ বিত্তীয় সংকট, পদত্যাগ বিত্তমন্ত্ৰীৰ



**নিউজ ব্যুৰ', বুয়েনছ এয়াৰেছ, ৩ জুলাই ঃ** মুদ্ৰাস্ফীতিৰ বৰ্ধিত হেঁচাত আৰ্জেণ্টিনাত ভয়াৱহ বিত্তীয় সংকটে দেখা দিছে। এনে পৰিস্থিতিত হঠাতে আৰ্জেণ্টিনাৰ বিত্ত মন্ত্ৰী মাতিন গুজমেনে পদত্যাগ কৰিলে। টুইটাৰৰ জৰিয়তে বিত্তমন্ত্ৰীজনে পদত্যাগৰ সিদ্ধান্তৰ কথা প্ৰকাশ কৰে। দেশৰ বৰ্তমানৰ আৰ্থিক সংকটৰ মাজতে গুজমেনৰ পদত্যাগ নিঃসন্দেহে প্ৰশাসনৰ ওপৰত এক বৃহৎ আঘাত বিবেচিত হৈছে। আৰ্থিক সংকটৰ পৰা দেশখনক সকাহ দিবলৈ আন্তৰ্জাতিক মুদ্ৰানিধিৰ স'তে ঋণ গ্ৰহণৰ প্ৰসংগত আৰ্জেণ্টিনাই যি আলোচনাত অংশ লৈছিল, তাৰ নেতৃত্ব প্ৰদান কৰিছিল গুজমেনে।

## মহাৰাষ্ট্ৰত ২৪ ঘণ্টাত ২৯৭১ ক'ভিড আক্ৰান্ত, পাঁচজনৰ মৃত্যু



**নিউজ ব্যুৰ', মুম্বাই, ৩ জুলাই ঃ** মহাৰাষ্ট্ৰত কৰ'নাৰ সংক্ৰমণ পুনৰ উদ্বেগৰ কাৰণত পৰিণত হৈছে। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত নতুনকৈ ২৯৭১ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। আনহাতে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত মহাৰাষ্ট্ৰত বিগত এদিনত পাঁচজন লোকে প্ৰাণ হেৰুৱালে। নতুন আক্ৰান্তৰ চিনাক্তকৰণৰ জৰিয়তে মহাৰাষ্ট্ৰত মুঠ ক'ভিড আক্ৰান্তৰ সংখ্যা ৭৯,৮২,৩৩৪ জনলৈ বৃদ্ধি পালে। বৰ্তমানলৈকে ৰাজ্যখনত ১,৪৭,৯৩৪ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। যোৱা শুকুৰবাৰে ৰাজ্যখনত ৩২৪৯ জন ক'ভিড ৰোগীক চিনাক্ত কৰাৰ লগতে চাৰিজন ৰোগীৰ মৃত্যু হৈছিল। সম্প্ৰতি ৰাজ্যখনত ২৩,৪৪৭ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে।

### ৪০ শতাংশ লোকে অপৰাধমূলক কামত ব্যৱহাৰ কৰিছিল হোৱাটছএপৰ দৰে মেছেজিং এপ

# হোৱাটছএপে নিষিদ্ধ কৰিলে ২.৩৮ কোটি ভাৰতীয় একাউণ্ট




**নিউজ ব্যুৰ' নতুন দিল্লী, ৩ জুলাই ঃ** ৫০ কোটিৰো অধিক ভাৰতীয় লোকে মেছেজিং এপ হোৱাটছএপ ব্যৱহাৰ কৰি আহিছে। ২০১১ৰ লোকপিয়লৰ দৃষ্টিৰে চালে ১০৮ কোটি প্ৰাপ্তবয়স্ক নাগৰিকৰ প্ৰতি দ্বিতীয়জন ভাৰতীয়ই হোৱাটছএপ ব্যৱহাৰ কৰে। কিন্তু একে সময়তে একাংশ লোকে এই মেছেজিং এপ অপৰাধমূলক কাম-কাজত ব্যৱহাৰ কৰি আহিছে। সামাজিক মাধ্যম ব্যৱহাৰকাৰীৰ এনে অপচেষ্টাত বাধা দিবলৈ বিগত এবছৰত ভাৰতত হোৱাটছএপে ২.৩৮ কোটি একাউণ্ট ব্লক অৰ্থাৎ বন্ধ কৰিলে। ২০২১ৰ জুলাইত হোৱাটছএপে ভাৰতত সৰ্বাধিক ৩০,২৭,০০০ একাউণ্ট বন্ধ কৰিছিল। হোৱাটছএপ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি একাংশ লোকে নগ্নতা, অশ্লীলতা, মানহানি, ভাবুকি, হিংসা সৃষ্টি, ঘৃণা বিয়পোৱাৰ দৰে অপকৰ্মত হোৱাটছএপৰ দৰে মেছেজিং এপৰ অপব্যৱহাৰ কৰিছে। এইধৰণৰ অপব্যৱহাৰৰ অভিযোগ লাভ কৰিলে হোৱাটছএপে তেনে একাউণ্টৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰে। এইধৰণৰ একাউণ্ট মেছেজিং এপ প্ৰতিষ্ঠানটোৱে লগে লগে বন্ধ কৰি দিয়ে। অপৰাধীৰ স'তে সম্পৰ্ক স্থাপন, হত্যা, ধৰ্ষণ আৰু অশ্লীল ভিডিঅ' প্ৰচাৰৰ বাবেও একাংশ লোকে মেছেজিং এপৰ সহায় লয়। এক সমীক্ষাৰ তথ্য অনুসৰি প্ৰতি ১০ জন হোৱাটছএপ ব্যৱহাৰকাৰীৰ চাৰিজনে প্ৰায় নিয়মিতভাৱে এই মেছেজিং এপৰ জৰিয়তে ফটো বা ভিডিঅ'ৰ আদান-প্ৰদান কৰি আহিছে। অৰ্থাৎ গড়ে ৪০ শতাংশ হোৱাটছএপ ব্যৱহাৰকাৰীয়ে এই সামাজিক মাধ্যমৰ ব্যৱহাৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে অশ্লীলতা বিয়পোৱা, হিংসাক প্ৰৰোচিত কৰা, উৰাবাতৰি বিয়পোৱাৰ দৰে অপৰাধমূলক কাৰ্যত ব্যৱহাৰ কৰি আহিছে। হোৱাটছএপ, ফে'চবুক আৰু ইনষ্টাগ্ৰামৰ কৰ্তৃপক্ষ প্ৰতিষ্ঠান মেটাই এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, ফে'চবুকে ২০২২ৰ প্ৰথম তিনিটা মাহত হিংসা আৰু প্ৰৰোচনামূলক কামত নিয়োজিত হোৱা ২.১৭ কোটি প'ষ্টৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছিল। তদুপৰি ফে'চবুকে সামাজিক মাধ্যমটোৰ পৰা ১.৮ বিলিয়ন ভুৱা তথ্যপাতি প্ৰত্যাহাৰ কৰিছিল। একেদৰে ইনষ্টাগ্ৰামেও নিচা আসক্তিক উচটনি যোগোৱা ১৮ লাখৰো অধিক প'ষ্ট সামাজিক মাধ্যমটোৰ পৰা মচি দিছিল।



## পাকিস্তানত ক'ভিডৰ ষষ্ঠ ঢৌৰ শংকা প্ৰকট

**নিউজ ব্যুৰ' ইছলামাবাদ, ৩ জুলাই ঃ** পাকিস্তানত ক'ভিডৰ সংক্ৰমণৰ ষষ্ঠ ঢৌৰ আগমনৰ শংকা প্ৰকট হৈছে। চৰম বিত্তীয় সংকটৰ সন্মুখীন হোৱা দেশখনত সম্প্ৰতি দৰবৰ যথেষ্ট অভাৱ হৈছে। মূলতঃ আমদানি শুল্ক অধিক হোৱাৰ ফলত পাকিস্তানে প্ৰয়োজনীয় দৰব আন দেশৰ পৰা আমদানি কৰাৰ ক্ষেত্ৰত বাধাগ্ৰস্ত হৈছে। ইয়াৰ পৰিণতিত দেশখনৰ বজাৰত সম্প্ৰতি বিভিন্ন জৰুৰী দৰবৰ নাটনি ঘটিছে। কৰ'নাৰ সংক্ৰমণৰ ষষ্ঠ ঢৌৰ শংকা অব্যাহত থকাৰ সময়তে এইদৰে দেশখনত দৰবৰ অভাৱ ঘটাত আগন্তুক সময়ত ক'ভিডকেন্দ্ৰিক পৰিস্থিতিয়ে পাকিস্তানত অধিক জটিল ৰূপ ধাৰণ কৰাৰ সম্ভাৱনা আছে।



## দিল্লীতো উদ্বেগজনক হৈছে ক'ভিড পৰিস্থিতি, এদিনত দুজনৰ মৃত্যু


**নিউজ ব্যুৰ' নতুন দিল্লী, ৩ জুলাই ঃ** দেশৰ ৰাষ্ট্ৰীয় ৰাজধানী নতুন দিল্লীত কৰ'নাৰ সংক্ৰমণ ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। শনিবাৰে ৰাজধানী চহৰখনত নতুনকৈ ক'ভিড ভাইৰাছত সংক্ৰমিত হ'ল ৬৭৮ জন লোক। আনহাতে, যোৱা ২৪ ঘণ্টাত ক'ভিডৰ সংক্ৰমণে দিল্লীত পুনৰ দুজন ৰোগীৰ প্ৰাণ কাঢ়িলে। একে সময়তে পশ্চিমবংগতো ক'ভিডৰ দৈনিক সংক্ৰমণ বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত পশ্চিমবংগত ১,৪৯৯ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। একেদৰে ক'ভিডৰ সংক্ৰমণৰ ফলত ৰাজ্যখনত শনিবাৰে পুনৰ তিনিজন লোকৰ মৃত্যু হ'ল। যোৱা ২৪ ঘণ্টাত কলকাতাত ৫৫০, উত্তৰ ২৪ পৰগনাত ৪২৯, দক্ষিণ ২৪ পৰগনাত ৯৮, হুগলিত ৮৮ আৰু হাওৰাত ৬৭ জন লোক ক'ভিড সংক্ৰমিত হ'ল।

## পুনৰ কৃষ্ণাংগ হত্যাক লৈ প্ৰতিবাদত উত্তাল হ'ল আমেৰিকা



**নিউজ ব্যুৰ', এক্ৰন, ৩ জুলাই ঃ** আমেৰিকাত পুনৰ আৰক্ষীৰ গুলিত প্ৰাণ হেৰুৱালে এজন কৃষ্ণাংগ যুৱকে। দেশখনৰ অহায়' প্ৰদেশত সংঘটিত হ'ল কৃষ্ণাংগ হত্যাৰ এই ঘটনা। আৰক্ষীয়ে দাবী কৰা অনুসৰি ট্ৰেফিক আইন উলংঘন কৰি গাড়ীৰে পলায়ন কৰাৰ অপচেষ্টা চলোৱাৰ সময়ত জেলেণ্ড ৱাকাৰ নামৰ কৃষ্ণাংগ যুৱক এজনক আৰক্ষীয়ে গুলিবৰ্ষণ কৰিবলৈ বাধ্য হৈছিল। আৰক্ষীয়ে গুলিবৰ্ষণ কৰাত কমেও ৬০ টা গুলিৰ আঘাতত ঘটনাস্থলীতে প্ৰাণ হেৰুৱালে ২৫ বছৰ বয়সীয়া জেলেণ্ডে। এই ঘটনাৰ পাছত অহায়'ত সহস্ৰাধিক লোকে কৃষ্ণাংগ হত্যাৰ বিৰোধিতাৰে ব্যাপক বিক্ষোভ প্ৰদৰ্শন অব্যাহত ৰাখিছে।

## বিহাৰত এদিনতে বজ্ৰপাতত মৃত্যু ১০ জনৰ



**নিউজ ব্যুৰ', পাটনা, ৩ জুলাই ঃ** প্ৰকৃতিৰ ভয়াৱহ ৰোষত পৰিল বিহাৰ। যোৱা নিশা ৰাজ্যখনত সংঘটিত হোৱা বজ্ৰপাতৰ ঘটনাত ১০ জন লোকৰ মৃত্যু হ'ল। শনিবাৰে নিশা বিহাৰৰ উত্তৰ-মধ্য আৰু দক্ষিণ-পশ্চিম জিলাত বজ্ৰপাতৰ ঘটনা সংঘটিত হৈছিল। ফলত বজ্ৰঘাতত চাৰানত ছজন, ছিৱান, হাজিপুৰ, বাঁকা আৰু গোপালগঞ্জত এজনকৈ লোকৰ প্ৰাণহানি হ'ল। এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিলে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে। বিগত কে'বাবছৰ মানৰ পৰা বিহাৰত বজ্ৰপাতত নিহত লোকৰ সংখ্যা ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছিল। বৰ্ষাকালৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে বিহাৰত বজ্ৰপাতত ২৬ জন লোকে প্ৰাণ হেৰুৱালে।

# অৰ্বুদপতিৰ হঠাৎ সম্পত্তি হ্ৰাস, জুকাৰবাৰ্গৰ অৰ্ধেকাংশ সম্পত্তি হ'ল হ্ৰাস



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩ জুলাই ঃ** কৰ'না কালৰ পাছত বিশ্বত দেখা দিয়া আৰ্থিক মন্দাৱস্থাই ধনাঢ্য লোকসকলকো ক্ৰমে প্ৰভাৱিত কৰিবলৈ ধৰিছে। বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কৰ সম্পত্তিৰ পৰিমাণ হঠাতে ৬২ বিলিয়ন ডলাৰ হ্ৰাস পালে। একেদৰে এমেজনৰ স্বত্বাধিকাৰী তথা অৰ্বুদপতি জেফ বেজ'ছৰ সম্পত্তিৰ পৰিমাণে ৬৩ বিলিয়ন ডলাৰ হ্ৰাস পালে। ব্লুমবৰ্গৰ তথ্য অনুসৰি, আন এগৰাকী ধনাঢ্য ব্যক্তি তথা ফে'চবুকৰ সহ- প্ৰতিষ্ঠাপক মাৰ্ক জুকাৰবাৰ্গৰ সম্পত্তিৰ পৰিমাণো অৰ্ধেকাংশ হ্ৰাস পালে। ব্লুমবৰ্গ বিলিয়নেৰ ইনডেক্সৰ তথ্যত উল্লেখ কৰা মতে, ২০২২ৰ প্ৰথম ছমাহত বিশ্বৰ শীৰ্ষ ৫০০ অৰ্বুদপতিৰ মুঠ ১৪ ট্ৰিলিয়ন ডলাৰৰ সম্প্ৰতি হ্ৰাস পালে। কৰ'না কালৰ পাছত সম্প্ৰতি বিশ্বৰ ধনাঢ্য ব্যক্তিসকলৰ সৰ্বাধিক সম্পত্তি হ্ৰাস পাইছে। পুঁজি বজাৰৰ শ্বেয়াৰৰ মূল্য অৱনতিৰ ফলতে অৰ্বুদপতিসকলৰ মুঠ সম্পত্তিৰ পৰিমাণ হ্ৰাস পাবলৈ ধৰিছিল। ব্লুমবৰ্গৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, মাস্কৰ সম্পত্তিৰ পৰিমাণ ২০৮.৫ বিলিয়ন ডলাৰলৈ হ্ৰাস পালে। একেদৰে এমেজনৰ মুৰব্বী জেফ বেজ'ছৰ সম্পত্তিৰ পৰিমাণ ১২৯.৬ বিলিয়ন ডলাৰলৈ হ্ৰাস পালে।

## পাকিস্তানত যাত্ৰীবাহী বাছ খাৱৈত পৰি মৃত কমেও ১৯ জন



**নিউজ ব্যুৰ', ইছলামাবাদ, ৩ জুলাই ঃ** পাকিস্তানত সংঘটিত হোৱা এক ভয়াৱহ পথ দুৰ্ঘটনাত কমেও ১৯ জন যাত্ৰীয়ে প্ৰাণ হেৰুৱালে। আজি পুৱাতে পাকিস্তানৰ ৰাজধানী ইছলামাবাদৰ পৰা কুৱেটালৈ যাত্ৰা কৰা এখন যাত্ৰীবাহী বাছ হঠাতে এটা খাৱৈত বাগৰি পৰাৰ ফলত এই ভয়াৱহ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত ঘটনাস্থলীতে ১৯ জন যাত্ৰীৰ মৃত্যু হোৱাৰ লগতে আন এজন ১১ যাত্ৰী গুৰুতৰভাৱে আহত হৈছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, বাছখনত ৩০ জন যাত্ৰী আছিল। বৰষুণৰ বতৰত পথত চকা পিছলি পৰাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি আৰক্ষীয়ে ধাৰণা কৰিছে।

## গোধৰা ৰেল অগ্নিসংযোগৰ ঘটনাত জড়িত ৰফিকক যাৱজ্জীৱন কাৰাদণ্ড



**নিউজ ব্যুৰ', গোধৰা, ৩ জুলাই ঃ** ২০০২ বৰ্ষত গুজৰাটৰ গোধৰাত সংঘটিত হোৱা ভয়াৱহ ৰেল অগ্নিসংযোগকৰণ আৰু হত্যাকাণ্ডৰ ঘটনাত অভিযুক্ত ৰফিক ভাতুকক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিলে গুজৰাটৰ পঞ্চমহল জিলাৰ গোধৰাৰ এখন অতিৰিক্ত দণ্ডাধীশৰ আদালতে। গোধৰাত ৰেলত অগ্নিসংযোগ কৰি ৫৯ জন কৰসেৱকক হত্যা কৰা হৈছিল। এই ঘটনাত জড়িত থকাৰ অভিযোগত ৰফিকক ২০২১ৰ ফেব্ৰুৱাৰীত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। আদালতে এই পৰ্যন্ত দোষী সাব্যস্ত কৰা মুঠ ৩৫ জন অভিযুক্তৰ অন্যতম এজন হৈছে ৰফিক। কালি বিশেষ ন্যায়িক দণ্ডাধীশৰ আদালতে ৰফিকক গোধৰা কাণ্ডৰ ঘটনাত দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়ে।


# এইবাৰ বিহাৰত এদিনতে বুলড'জাৰৰে ভাঙিলে ৭০ টা অবৈধ গৃহ ঃ আৰক্ষী-ৰাইজৰ সংঘৰ্ষ

**নিউজ ব্যুৰ' পাটনা, ৩ জুলাই ঃ** উত্তৰ প্ৰদেশৰ পাছত এইবাৰ বিহাৰত অবৈধ নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে সক্ৰিয় হ'ল প্ৰশাসন। প্ৰকাশিত বাতৰি অনুসৰি পাটনাৰ ৰাজীৱ নগৰ থানাৰ অধীনস্থ নেপালীনগৰ অঞ্চলত প্ৰশাসনে ৭০ টাকৈ বাসগৃহ বুলড'জাৰৰে ধ্বংসস্তুপত পৰিণত কৰিলে।



অবৈধভাৱে নিৰ্মাণ কৰা এইসমূহ বাসগৃহ ধ্বংস কৰাৰ বাবে প্ৰশাসনে ১৭ খন জে চি বি ব্যৱহাৰ কৰে। প্ৰশাসনে এইদৰে উচ্ছেদ অভিযান চলোৱাৰ সময়ত নেপালী নগৰ অঞ্চলৰ ক্ষুব্ধ বাসিন্দাসকলে বাধাদান কৰাত আৰক্ষীৰ স'তে সংঘৰ্ষৰ সূত্ৰপাত ঘটে। বুলড'জাৰৰে অবৈধ গৃহ ধ্বংসৰ অভিযান আৰক্ষীয়ে আৰম্ভ কৰাৰ লগে লগে অঞ্চলটোৰ একাংশ লোকে এখন থেলাত অগ্নিসংযোগ কৰাৰ লগতে আৰক্ষীলৈ শিলাবৰ্ষণ কৰে। আৰক্ষী আৰু ক্ষুব্ধ বাসিন্দাসকলৰ মাজত হোৱা সংঘৰ্ষৰ ঘটনাত আন কে'বাজনো আৰক্ষীৰ লগতে পাটনা মধ্যৰ আৰক্ষী অধীক্ষক অম্বৰীশ ৰাহুল আহত হয়। অবৈধ গৃহধ্বংসৰ প্ৰশাসনৰ অভিযানৰ বিৰুদ্ধে নেপালী নগৰ অঞ্চলৰ ৰাইজে ব্যাপক প্ৰতিবাদ অব্যাহত ৰাখিছে। উল্লেখ্য যে কিছুদিন পূৰ্বে উত্তৰ প্ৰদেশত অবৈধ নিৰ্মাণৰ বিৰুদ্ধে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ নিৰ্দেশত প্ৰশাসনে বুলড'জাৰ ব্যৱহাৰ কৰি উচ্ছেদ অভিযান চলাইছিল।

## নিজৰ বাহিৰে আন সকলোৰে পদবী বাতিল কৰিলে অখিলেশে




**নিউজ ব্যুৰ', লক্ষ্নৌ, ৩ জুলাই ঃ** সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে নিজৰ লগতে উত্তৰ প্ৰদেশৰ দলৰ মুৰব্বী নৰেশ উত্তম পটেলৰ বাহিৰে আন সকলো সদস্যৰ পদবী বাতিল কৰিলে। অখিলেশে ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহ সমিতি আৰু ৰাজ্যিক কাৰ্যনিৰ্বাহ সমিতিৰ লগতে লোহিয়া বাহিনী, ছাত্ৰ সভা, ইউথ ব্ৰিগেডসহ আন সকলো মুখ্য সংগঠনৰ ৰাষ্ট্ৰীয় আৰু প্ৰাদেশিক সমিতি ভংগ ঘোষণা কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি সমাজবাদী পাৰ্টিৰ এইসমূহ সমিতি দলৰ কাৰ্য পৰিষদৰ সন্মিলনৰ পাছত নতুনকৈ গঠন কৰা হ'ব। সমাজবাদী পাৰ্টিৰ ৰাষ্ট্ৰীয় সন্মিলন অহা আগষ্টৰ অন্তিম সপ্তাহ অথবা ছেপ্টেম্বৰত অনুষ্ঠিত হোৱাৰ কথা। বিধানসভাৰ বিগত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতে সমাজবাদী পাৰ্টিৰ কাৰ্যবাহী সমিতি ভংগ কৰাৰ সম্ভাৱনা প্ৰকট হৈছে। আজি অখিলেশে ৰাষ্ট্ৰীয় মুৰব্বী হিচাপে নিজৰ লগতে ৰাজ্যিক মুৰব্বী হিচাপে নৰেশ উত্তমক পদত বাহাল ৰখাৰ কথা ঘোষণা কৰি দলৰ আন সকলো নেতাৰ পদ বাতিলৰ কথা ৰাজহুৱা কৰে।

# চলিত বৰ্ষত সৰ্বাধিক বিদেশীয়ে লাভ কৰিব মাৰ্কিন নাগৰিকত্ব

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩ জুলাই ঃ** আমেৰিকাৰ স্বাধীনতা দিৱসৰ অনুষ্ঠানত প্ৰতি বছৰে এক বিশেষ কাৰ্যসূচীৰ জৰিয়তে নতুন নাগৰিকসকলক স্বাগতম জনোৱা হয়। পহিলা জুলাইৰ পৰা অহা আঠ জুলাইলৈকে এসপ্তাহ ধৰি আমেৰিকাত ৬৬০০ৰো অধিক নতুন নাগৰিকক শপত পাঠ কৰোৱা হ'ব। ৩০ ছেপ্টেম্বৰত সমাপ্ত হোৱা আমেৰিকাৰ ২০২২ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ইউ এছ চি আই এছে ৬,৬১,৫০০ জন নতুন নাগৰিকক দেশখনলৈ স্বাগতম জনালো। যোৱা ১৫ জুনলৈকে সামৰি এই পৰিসংখ্যা যুগুত কৰা হৈছে। বিত্তীয় বৰ্ষ ২০২১ৰ সময়ছোৱাত ৮,৫৫,০০০ জন নতুন নাগৰিকে শপত গ্ৰহণ কৰিছিল। ২০২২ বিত্তীয় বৰ্ষৰ প্ৰথম তিনিটা মাহত আমেৰিকাত ১,৯৭,০০০ জন ব্যক্তিয়ে মাৰ্কিন নাগৰিক হিচাপে শপত লৈছিল। হোমলেণ্ড ছিকিউৰিটি বিভাগৰ পৰিসংখ্যাত উল্লেখ কৰা মতে, এইসকল মাৰ্কিন নাগৰিকত্ব গ্ৰহণ কৰা লোকৰ ৩৪ শতাংশই বিশ্বৰ পাঁচখন দেশৰ প্ৰবাসী নাগৰিক আছিল। মেক্সিকোৰ ২৪,৫০৮, ভাৰতৰ ১২,৯২৮, ফিলিপাইনছৰ ১১,৩১৬, কিউবাৰ ১০,৬৮৯ আৰু ডমিনিকান গণৰাজ্যৰ ৭,০৪৬ জন নাগৰিকে মাৰ্কিন নাগৰিকত্ব গ্ৰহণ কৰিলে। কাইলৈ পুনৰ ৬,৬০০ জন লোকে পুনৰ মাৰ্কিন নাগৰিকত্ব লাভ কৰিব।



## পাকিস্তানী সেনাক নিন্দা কৰা বৰ্ষীয়ান সাংবাদিকক ৰাজপথত প্ৰহাৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ৩ জুলাই ঃ** পাকিস্তানী সেনাৰ বিষয়াসকল দৰাচলতে একোজন ব্যৱসায়ী। নিজ দেশৰে সেনা বাহিনীক অলপতে এইদৰে সমালোচনা কৰিছিল পাকিস্তানৰ বৰ্ষীয়ান সাংবাদিক আয়াজ আমিৰে। এনে মন্তব্যৰ পৰিণতিত ৰাজপথত এক আক্ৰমণৰ বলি হ'বলগা হ'ল আমিৰে। যোৱা বৃহস্পতিবাৰে এক আলোচনাচক্ৰত অংশ লোৱাৰ সময়ত আমিৰে পাকিস্তানৰ সেনা বিষয়াক ব্যৱসায়ী বুলি কটাক্ষ কৰাৰ লগতে ছবছৰ ধৰি দেশৰ সেনাপ্ৰধান হৈ থকা বাবে জেনেৰেল কামাৰ জাভেদ বাজৱাক সমালোচনা কৰিছিল। পাকিস্তানী সেনাক সমালোচনা কৰাৰ কাৰণতে দুষ্কৃতিকাৰীয়ে পথত গাড়ীৰ পৰা নমাই আনি প্ৰবীণ সাংবাদিকজনক প্ৰহাৰ কৰে। আক্ৰমণকাৰীয়ে আমিৰৰ ম'বাইল ফোন আৰু পাৰ্চ কাঢ়ি নিয়ে। আক্ৰমণ সংঘটিত কৰিয়ে আততায়ীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰিছিল।

## কাশ্মীৰৰ তুকছন গাঁৱত লস্কৰৰ দুই সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ, অস্ত্ৰ-শস্ত্ৰ জব্দ



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ৩ জুলাই ঃ** জম্মু-কাশ্মীৰৰ তুকছন গাঁৱত দুজন সন্ত্ৰাসবাদীক আজি গাঁওবাসীয়ে আটক কৰি আৰক্ষীক গতাই দিয়ে। প্ৰকাশিত বাতৰি অনুসৰি, ধৃত দুই সন্ত্ৰাসবাদীৰ এজেণ্ট হৈছে তালিব হুছেইন আৰু তেওঁ ৰাজৌৰি জিলাৰ বাসিন্দা। আনজন সন্ত্ৰাসবাদীৰ নাম ফৈজল আহমেদ ডাৰ বুলি চিনাক্ত কৰা হৈছে আৰু ফৈজল পুলৱামাৰ বাসিন্দা আছিল। আৰক্ষীয়ে লাভ কৰা তথ্য অনুসৰি দুই সন্ত্ৰাসবাদী লস্কৰ এ তৈবাৰ সদস্য আছিল আৰু তালিব লস্কৰৰ কমাণ্ডাৰ আছিল। ধৃত দুই সন্ত্ৰাসবাদীৰ পৰা আৰক্ষীয়ে বৃহৎ পৰিমাণৰ বিস্ফোৰকৰ লগতে দুটা এ কে ৪৭ ৰাইফল, সাতটা গ্ৰেণেড আৰু এটা পিষ্টল জব্দ কৰে। তুকছন গাঁৱৰ বাসিন্দাই দুই সন্ত্ৰাসবাদীক চিনাক্ত কৰি লগে লগে আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ৰাইজে আবদ্ধ কৰি ৰখা সন্ত্ৰাসবাদী দুজনক জিম্মাত লয়।

## ডি জে এগ্ৰ'ৰ সহযোগত বানপীড়িতৰ মাজত সাহায্য বিতৰণ



অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ৩ জুলাই ঃ** জালুকবাৰী সমষ্টিৰ অন্তৰ্গত মান্দাকাটা গাঁও পঞ্চায়তৰ বিজেপিৰ একাংশ সক্ৰিয় কৰ্মীৰ উদ্যোগত ডি জে এগ্ৰ' ইণ্ডাষ্ট্ৰিৰ সহযোগত জালুকবাৰী সমষ্টিৰ বিভিন্ন বানপীড়িত অঞ্চলত বানাক্ৰান্তৰ মাজত কালি বান সাহায্য বিতৰণ কৰা হয়। মান্দাকাটা আঞ্চলিক ৰাইজৰ সহযোগত বানত ক্ষতিগ্ৰস্ত জালুকবাৰী সমষ্টিৰ শিলভড়াল আদি ঠাইৰ বানপীড়িত পৰিয়ালক খাদ্য-সামগ্ৰী যোগান ধৰে মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকা, মান্দাকাটা আঞ্চলিক পঞ্চায়তৰ সদস্য বীৰেন্দ্ৰ বৈশ্য, মান্দাকাটা গাঁও পঞ্চায়তৰ সভাপতি জাহিদুল ইছলাম, বিজেপিৰ সক্ৰিয় কৰ্মী অচ্যুত দাস, ইন্তাজুল হক, আহমেদ আলী, যুৱনেতা বাবুল হুছেইন, দিলোৱাৰ হুছেইন, জাকিৰ হুছেইন (কনিষ্ঠ), নিপু কৰ্মকাৰ, আয়েজুল হক, বাহাৰুল ইছলাম প্ৰমুখ্যে বিজেপিৰ কে'বাজনো জ্যেষ্ঠ আৰু কনিষ্ঠ কৰ্মীয়ে।

# মুকলিৰ পূৰ্বেই ডবকা পৌৰসভাৰ ভেণ্ডৰ মাৰ্কেটৰ আট্টালিকাত মেলিছে ফাঁট

## বজাৰগৃহৰ চাদ খহি পৰাত কথমপি প্ৰাণৰক্ষা ব্যৱসায়ীৰ



অগ্ৰদূত বাৰ্তা
**যমুনামুখ, ৩ জুলাই ঃ** হোজাই জিলাৰ ডবকা পৌৰসভাৰ নেতাজী সুভাষ চন্দ্ৰ বসু ভেণ্ডৰ মাৰ্কেটৰ নৱ নিৰ্মিত গৃহৰ কাম সম্পূৰ্ণ নৌহওঁতেই কালি সন্ধিয়া চাহ খহি পৰাত বজাৰখনৰ একাংশ ব্যৱসায়ীৰ কথমপি প্ৰাণৰক্ষা পৰে। ইয়াকে লৈ স্থানীয় ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে চাৰি কোটি ৪৭ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মিত এই বজাৰ গৃহটো ২০১৩ত কাম আৰম্ভ হৈছিল। বৰ্তমান প্ৰায় ৯০ শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে। গৃহ নিৰ্মাণৰ ঠিকা লাভ কৰা ঠিকাদাৰ জগত বৰা আৰু সুৰজিত বৰাৰ বিৰুদ্ধে অতি নিম্নমানৰ কাম কৰাৰ অভিযোগ উত্থাপিত হৈছে। কিয়নো নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পূৰ্বেই গৃহটো চপৰা চপৰে কংক্ৰিটৰ চাহ খহি পৰিবলৈ আৰম্ভ কৰিছে। তদুপৰি ঠাই বিশেষ বৃহৎ বৃহৎ ফাঁট মেলা পৰিলক্ষিত হৈছে। তথ্য অনুসৰি প্ৰায় ৮০ শতাংশ ধন ইতিমধ্যে মোকলাই দিয়া হৈছে। ঠিকাদাৰে গৃহ নিৰ্মাণৰ নামত সংঘটিত কৰা এনে অনিয়মৰ স'তে পৌৰসভাৰ একাংশ বিষয়ববীয়া, অভিযন্তা আৰু কৰ্মচাৰী জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। গৃহ নিৰ্মাণৰ নামত সংঘটিত হোৱাৰ দুৰ্নীতি আৰু অনিয়ম সন্দৰ্ভত স্থানীয় ব্যৱসায়ীসকলে এক নিৰপেক্ষ তদন্তৰ দাবী কৰিছে চৰকাৰ তথা প্ৰশাসনৰ ওচৰত।

## ৰঙিয়াত এটিএম ভাঙি বৃহৎ পৰিমাণৰ ধন লুট

অগ্ৰদূত বাৰ্তা
**ৰঙিয়া, ৩ জুলাই ঃ** ৰঙিয়াৰ ব্যস্ততম ভাৰত-ভূটান আন্তঃৰাষ্ট্ৰীয় পথৰ কাষত তিনিআলিৰ চ'কৰ সমীপত থকা ভাৰতীয় ষ্টেট বেংকৰ এটিএমৰ পৰা লুট হ'ল বৃহৎ পৰিমাণৰ ধন। ধনৰ সঠিক পৰিমাণ সদৰী হোৱা নাই যদিও কালি সন্ধিয়াৰ ভাগত এটিএমটোত বেংকৰ এজেন্টে বৃহৎ পৰিমাণৰ ধন ভৰাইছিল। এটিএমটোত কমে ৩০ লাখ টকা আছিল বুলি ৰাইজৰ সন্দেহ। দুৰ্বৃত্তৰ দলটোৱে এটিএমটোৰ দৰজাৰ তলা লগতে এটিএমটোৰ টকাৰ বাকচটো গেছেৰে কাটি ধনখিনি লৈ যোৱা বুলি অভিযোগ উত্থাপিত হৈছে। পুৱতি নিশা ২.৪৫ ৰ পৰা ৩.৩০ ভিতৰত ধন লুটৰ ঘটনাটো সংঘটিত হৈছে বুলি সন্দেহ কৰা হৈছে। পুৱাৰ ভাগতে ঘটনাস্থলীত ৰঙিয়া আৰক্ষীয়ে উপস্থিত হৈ তদন্তৰ খাতিৰত এটিএমটো ছীল কৰি থয়। ইতিমধ্যে ৰঙিয়া আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও বাতৰি লিখা পৰলৈকে দুৰ্বৃত্তৰ কোনো শুংসূত্ৰ উলিয়াব পৰা নাই। ইপিনে, ঘটনাৰ তদন্তৰ বাবে গুৱাহাটীৰ পৰা আৰক্ষীৰ কুকুৰসহ চিআইডিৰ দলে ঘটনাস্থলীত উপস্থিত হৈছে। দলটোৱে জোৰ তদন্ত আৰম্ভ কৰিছে।

## কোকৰাঝাৰত ড্ৰাগছ সৰবৰাহীক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ৩ জুলাই ঃ** ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীৰ কঠোৰ অভিযান অব্যাহত থকাৰ সময়ছোৱাতে যোৱা নিশা কোকৰাঝাৰত আৰক্ষীৰ দলে চলোৱা অভিযানত ড্ৰাগছ সৰবৰাহৰ অপৰাধত এগৰাকী মহিলাক হাতে লোটে আটক কৰিবৰ সক্ষম হয়। ধৃত মহিলাগৰাকী বড়োফা নগৰৰ ৰেণু ইছলাৰী। আৰক্ষীৰ দলটি মহিলাগৰাকীৰ গৃহৰ পৰা ড্ৰাগছ ভৰ্তি ৩২ টা সৰু কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। অৱশ্যে ড্ৰাগছ সৰবৰাহত জড়িত মহিলাগৰাকীৰ স্বামী ডিম্পল ব্ৰহ্ম সম্প্ৰতি পলাতক অৱস্থাত আছে।

## শংকৰদেৱ-সুধাকণ্ঠৰ প্ৰতি কৰা অভব্য আচৰণক তীব্ৰ নিন্দা অসম সত্ৰ মহাসভাৰ

### ■ শীঘ্ৰে দোষী শিক্ষয়িত্ৰীক গ্ৰেপ্তাৰৰ দাবী

অগ্ৰদূত বাৰ্তা
**পুৰণিগুদাম, ৩ জুলাই ঃ** অসম তথা অসমীয়াৰ প্ৰাণ জগত গুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপৰত কোকৰাঝাৰৰ এগৰাকী শিক্ষয়িত্ৰীয়ে কৰা অভব্য আৰু কটু সমালোচনাৰ বিৰুদ্ধে গৰজি উঠিছে অসম সত্ৰ মহাসভা। অভিযুক্ত শিক্ষয়িত্ৰীগৰাকীৰ বিৰুদ্ধে অদ্য পৰিমিত ৰাজ্য চৰকাৰে কোনো বিহীত ব্যৱস্থা গ্ৰহণ নকৰাত আশ্চৰ্য প্ৰকাশ কৰিছে সত্ৰ মহাসভাই। এক বাৰ্তাত অসম সত্ৰমহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্তই কয় যে অসম আৰু অসমীয়াৰ থলুৱা স্বাৰ্থত কোনো প্ৰকাৰে আঘাত হনা নহয় বুলি সততে দম্ভালি মাৰি থকা বিজেপি চৰকাৰখনে এই ক্ষেত্ৰত নিটাল মাৰি বহি থকা কাৰ্যত ৰহস্যৰ গোন্ধ পাইছে সত্ৰ মহাসভাই। ইতিমধ্যে কোকৰাঝাৰত বিৰোধিতা কৰি তীব্ৰ ক্ষোভ প্ৰকাশ কৰা হৈছে যদিও সৰ্বত্ৰ বিৰোধ নোহোৱাত চিন্তনীয় বিষয় হৈ পৰিছে। অসমীয়াৰ স্বাভিমানত আঘাত হনা শিক্ষয়িত্ৰীগৰাকীক নাভূত নাশ্ৰুত মন্তব্যৰ বিৰুদ্ধে কোকৰাঝাৰৰ কে'বাটাও সংগঠনে উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰি উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰিছে যদিও সংশ্লিষ্ট কৰ্তৃপক্ষ অথবা জিলা প্ৰশাসনে ৰহস্যজনক ভূমিকা পালন কৰাৰ আঁৰৰ ৰহস্য কি বুলি সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক মহন্তই প্ৰশ্ন কৰে। শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিত নিয়োজিত এইগৰাকী বাংলাভাষী শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ মজিয়াত জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো জাতি, জনগোষ্ঠীক একত্ৰিত কৰি বৰ অসম গঢ়া জগতগুৰু গৰাকীৰ লগতে বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতি অভব্য আচৰণ কৰাৰ অসৎ সাহস ক'ত পালে বুলিও প্ৰধান সম্পাদক মহন্তই প্ৰশ্ন কৰে।

## নগাঁও উকীল সন্থাৰ কামপুৰ-ৰহাত বান সাহায্য প্ৰদান



বিশেষ সংবাদদাতা
**নগাঁও, ৩ জুলাই ঃ** বান বিধ্বস্ত নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰ আৰু ৰহা ৰাজহ চক্ৰৰ অন্তৰ্গত কে'বাখনো ৰাজহ গাঁৰৰ বানাক্ৰান্তসকলৰ মাজত নগাঁও উকীল সন্থাৰ এটি দলে আজি বান সাহায্য প্ৰদান কৰে। নগাঁও উকীল সন্থাৰ সভাপতি আবুল হাছিম খন্দকাৰ আৰু সাধাৰণ সম্পাদক অজিত কুমাৰ বৰাৰ নেতৃত্বত যোৱা অধিবক্তাৰ দলটোৱে পুৱাৰ ভাগত ৰহা তিনিখুঁটি, টুবুকি বৰডুবি, দক্ষিণ জাগিয়াল গাঁও পঞ্চায়ত আৰু কামপুৰ অঞ্চলৰ তেতেলীসৰা, কলাইখোৱা আৰু কেকুৰিবাৰী, নিজকামপুৰ গাঁও পঞ্চায়তত বিতৰণ কৰে। সামগ্ৰী বিতৰণ কাৰ্যসূচীত সন্থাৰ সভাপতি আবুল হাছেম খন্দকাৰ, সম্পাদক অজিত কুমাৰ বৰা, জ্যেষ্ঠ সদস্য তথা অধিবক্তা মহেশ চন্দ্ৰ দাস, সহকাৰী সম্পাদক আবু বক্কৰ ছিদ্দিক আৰু সদস্য পংকজ হাজৰিকা, কংকন বৰুৱা, অনুপম গোস্বামী, পংকজ কলিতাকে আদি কৰি কে'বাজনো সদস্যই ভাগ লয় বান সাহায্য বিতৰণ কাৰ্যসূচীত।

## হস্ততাঁত-বস্ত্ৰশিল্প বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীৰ সতীৰ্থ সন্মিলন

বিশেষ সংবাদদাতা
**নগাঁও, ৩ জুলাই ঃ** অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীসকলক একত্ৰিত কৰি আজি নগাঁৱত এখন সতীৰ্থ সন্মিলন অনুষ্ঠিত হয়। হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ নগাঁও জিলা কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত সন্মিলনত ৰাজ্যৰ বিভিন্ন জিলাৰ শতাধিক অৱসৰপ্ৰাপ্ত বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। কাৰ্যসূচী অনুসৰি পুৱা অৱসৰপ্ৰাপ্ত বয়োজ্যেষ্ঠ কৰ্মচাৰী থানেশ্বৰ দাসে পতাকা উত্তোলন কৰাৰ পাছত আৰম্ভ হোৱা সন্মিলনত বিভাগটোৰ প্ৰয়াত বিষয়া-কৰ্মচাৰীসকলৰ পুন্য স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিয়লি অনুষ্ঠিত মুকলি সভাত বিভাগৰ অৱসৰপ্ৰাপ্ত সকলো সতীৰ্থ কৰ্মচাৰীয়ে নিজৰ পুৰণি স্মৃতি ৰোমন্থন কৰি নষ্টালজিক হৈ পৰে। সভাত আদৰণি ভাষণ দিয়ে বিভাগটোৰ অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক মদন চন্দ্ৰ দত্তই। তেওঁ ভাষণ প্ৰসংগত অৱসৰপ্ৰাপ্ত জীৱনত কৰিব লগা কাম-কাজৰ ওপৰত বহু মূল্যবান পৰামৰ্শ আগবঢ়ায়।

## জগলীয়াপাৰ আঞ্চলিক কনিষ্ঠ মহাবিদ্যালয়ত সাতদিনীয়া চিত্ৰাংকন কৰ্মশালা



অগ্ৰদূত বাৰ্তা
**আজাৰা, ৩ জুলাই ঃ** বৃহত্তৰ আমৰাংগা বৰিহাট শাখা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ক্লাছ ঘৰ চাৰুখলা বিদ্যালয়ৰ সহযোগত জগলীয়াপাৰ আঞ্চলিক কনিষ্ঠ মহাবিদ্যালয়ত কালিৰে পৰা সাতদিনীয়া গ্ৰীষ্মকালীন বিনামূলীয়া চিত্ৰাংকন কৰ্মশালা অনুষ্ঠিত হৈছে। কৰ্মশালা মুকলি কৰে বৰিহাট শাখা ছাত্ৰ সন্থাৰ উপদেষ্টা তথা দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ উপ-সভাপতি অংকুৰ দাসে। অনুষ্ঠানত শাখা ছাত্ৰ সন্থাৰ সভাপতি ইন্দ্ৰজিৎ দাস, সাধাৰণ সম্পাদক প্ৰাণজিৎ দাস, শিক্ষা সম্পাদক সুনীল হাজৰিকাৰ লগতে অন্যান্য বিষয়ববীয়াও উপস্থিত থাকে। কৰ্মশালাত প্ৰায় ৮০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শেষৰ দিনা অংশগ্ৰহণকাৰীসকলক মানপত্ৰ প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে সদৰী কৰিছে।

## বেজেৰাত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ৩ জুলাই ঃ** আয়ুৰ্বেদিক চিকিৎসা সন্থা অসমৰ উদ্যোগত উত্তৰ গুৱাহাটী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু বেজেৰা মণ্ডল বিজেপিৰ সহযোগত বানপীড়িত ৰাইজৰ সুবিধাৰ্থে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰিছে। আজি বেজেৰাস্থিত বৰবংশৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা বিনামূলীয়া চিকিৎসা শিবিৰটো মুকলি কৰে বিজেপি বেজেৰা মণ্ডলৰ সভাপতি দিলীপ চন্দ্ৰ ডেকাই। প্ৰায় ১৫গৰাকী চিকিৎসকে চিকিৎসা প্ৰদান কৰা স্বাস্থ্য শিবিৰটো সহস্ৰাধিক ৰোগীয়ে বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰে। চিকিৎসা শিবিৰত উপস্থিত থাকে উত্তৰ গুৱাহাটী স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ মুনীন্দ্ৰ চমুৱা, বেজেৰা সামুহিক স্বাস্থ্য কেন্দ্ৰৰ উপ-অধীক্ষক ডাঃ সবীন চন্দ্ৰ দাস প্ৰমুখ্যে স্বাস্থ্য বিষয়া নৱ বৈশ্য প্ৰমুখ্যে কে'বাগৰাকীও চিকিৎসক। আয়ুৰ্বেদিক চিকিৎসা সন্থাৰ সভাপতি ডাঃ অৰবিন্দ দাসে সাংবাদিকৰ সন্মুখত হাতৰ ধন ব্যয় কৰি ঔষধ ক্ৰয় কৰি বিনামূলীয়াকৈ বিতৰণ কৰা বুলি মন্তব্য প্ৰকাশ কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

## টিহুৰ গোৰৱাদলত অগ্নিকাণ্ড



অগ্ৰদূত বাৰ্তা
**টিহু, ৩ জুলাই ঃ** নলবাৰী জিলাৰ টিহু আৰক্ষী থানাৰ অন্তৰ্গত গোৰৱাদলৰ সমীপৰ যাঠিকুছিত আজি মনিৰ আলী নামৰ লোকজনৰ খেৰৰ পুঁজিত অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। পুৱা আঠ বজাত ঘৰৰ সন্মুখৰ গোহালিৰ লগত লাগি থকা খেৰৰ পুঁজিত জুইৰ সূত্ৰপাত হয়। নিমিষতে জুইৰ লেলিহান শিখাই চাৰিওদিশ আগুৰি ধৰে। পৰিয়ালৰ লোকে জুই দেখি হুৱা-দুৱা লগায়। ইয়াৰ পাছত স্থানীয় সাংবাদিক শৈলেন বৰ্মন আৰু স্থানীয় লোকৰ তৎপৰতাত জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। সাংবাদিক বৰ্মনে জুই লগা খবৰ পাই ঘটনাস্থলীত উপস্থিত হৈয়েই স্থানীয় লোকসকলক হুৱা-দুৱা এৰি পানী মাৰিবলৈ লগাই দিয়ে আৰু অগ্নিনিৰ্বাপক বাহিনীক ততাতৈয়াকৈ খবৰ দিয়ে। ইয়াৰ পাছত নলবাৰী আৰু টিহুৰ অগ্নিনিৰ্বাপক বাহিনীৰ দুখন গাড়ী ঘটনাস্থলীত আহি উপস্থিত হয়। অগ্নিনিৰ্বাপক বাহিনী আৰু ৰাইজৰ প্ৰচেষ্টাত জুই নিৰ্বাপিত হোৱাত পৰিয়ালটোৰ মূল গৃহ আৰু চুবুৰিবাসী গৃহস্থসকল এক ভয়ংকৰ বিপদৰ পৰা ৰক্ষা পৰে। আনহাতে, টিহু আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিয়ালটোৰ ক্ষয়ক্ষতিৰ বুজ লয়। অৱশ্যে বাতৰি লিখা পৰলৈকে কি কাৰণত জুইৰ সূত্ৰপাত হ'ল এই বিষয়ে জানিব পৰা হোৱা নাই।

## গোৱালপাৰাৰ মালাধৰাত অবৈধ কাঠ ফলা কল উৎখাত



অগ্ৰদূত বাৰ্তা
**মাটিয়া, ৩ জুলাই ঃ** গোৱালপাৰা বন সুৰক্ষা বাহিনীয়ে অভিযান চলাই যোৱা নিশা মালাধৰাৰ পৰা এটা অবৈধ কাঠ ফলা কল উৎখাত কৰে। বিগত কিছুদিন ধৰি দিনে-নিশাই কাঠ ফালি থকা অবৈধ কলটোৰ সম্পূৰ্ণ যন্ত্ৰাংশৰ লগতে কলটোত ফালিবলৈ মজুত কৰি ৰখা কিছু কাঠ জব্দ কৰি গোৱালপাৰা ডিএফঅ'ৰ কাৰ্যালয়লৈ আনে বুলি বন সুৰক্ষা বাহিনীৰ কৰ্মী পৰিতোষ দাসে জানিবলৈ দিয়ে। উল্লেখ্য যে বিভাগীয়া বিষয়া কৰ্মচাৰীৰ ছত্ৰ ছায়াত অসাধু চক্ৰই জিলাখনৰ বিভিন্ন প্ৰান্তত প্ৰায় শতাধিক কাঠ ফলা কল স্থাপন কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। বিশেষকৈ লক্ষীপুৰ আঞ্চলিক বন বিভাগৰ অন্তৰ্গত অঞ্চলত প্ৰায় অৰ্ধশতাধিক অবৈধ কাঠ ফলা কল চলি থকা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইপিনে, তুলনামূলকভাৱে মেঘালয়ৰ সীমান্তৱৰ্তী অঞ্চলৰ উপৰি নৈপৰীয়া অঞ্চলসমূহত অবাধ গতিত চোৰাং কাঠৰ কাৰবাৰ চলি থকা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। ইফালে, গোৱালপাৰা, কামৰূপ গ্ৰাম্য আৰু বৰপেটা জিলাৰ সীমান্তৱৰ্তী অঞ্চল নৱাগত শিমলীতোলা ঘাটেৰে প্ৰতি নিশাই বৃহৎ পৰিমাণৰ চোৰাং কাঠ সৰবৰাহ কৰা বুলিও নাম প্ৰকাশত অনিচ্ছুক আভ্যন্তৰীণ সূত্ৰ এটিয়ে দাবী কৰিছে। ফলত এফালে চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাইছে আৰু আনফালে একাংশ বিষয়া-কৰ্মচাৰীয়ে নিজৰ নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হৈ আহিছে। অৱশ্যে ৰাইজৰ দাবীৰ ভিত্তিত বন বিভাগে মাজে সময়ে দুই-চাৰিটা অবৈধ কাঠফলা কল উৎখাত কৰি আহিছে যদিও কিছুদিন পাছতে একেই ঠাইত পুনৰ অবৈধ কাঠ ফলা কল স্থাপন কৰা হয় বুলিও ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

## কোকৰাঝাৰ জিলা পথ সুৰক্ষা সমিতি পুনৰ গঠন

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ৩ জুলাই ঃ** ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি কোকৰাঝাৰ জিলাৰ দণ্ডাধীশ তথা উপায়ুক্তক অধ্যক্ষ আৰু লোক নিৰ্মাণ বিভাগৰ (পথ আৰু ভৱন) কাৰ্যবাহী অভিযন্তাক সদস্য সচিব হিচাপে লৈ কালি সন্ধিয়া কোকৰাঝাৰ জিলাৰ পথ সুৰক্ষা সমিতিখন পুনৰ গঠন কৰা হয়। উল্লেখ্য যে ইয়াৰ পূৰ্বে জিলা পথ সুৰক্ষা সমিতিত জিলা পৰিবহণ বিষয়াইহে সদস্য সচিব হিচাপে কাৰ্যনিৰ্বাহ চলাই আহিছিল। অৱশ্যে জিলাৰ পথ সুৰক্ষা সমিতিত সদস্যসকলে আগৰ দৰে বাহাল থাকিব। এই সন্দৰ্ভত কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাৰ অধ্যক্ষতাত জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। বৈঠকত পথ সুৰক্ষা, কোকৰাঝাৰ জিলাত সঘনাই হৈ থকা পথ দুৰ্ঘটনা আৰু কোকৰাঝাৰ চহৰৰ যান-জঁট সমস্যাক কেনেদৰে হ্ৰাস কৰিব পাৰি সেই সম্পৰ্কীয় বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। সম্ভাব্য পথ দুৰ্ঘটনা হ্ৰাস কৰিবলৈ উপায়ুক্তজনে জিলাখনৰ দুৰ্ঘটনাপ্ৰৱণ অঞ্চলসমূহ যুটীয়াভাৱে পৰিদৰ্শন কৰাৰ বাবে জিলা পৰিবহণ বিষয়া আৰু লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাক নিৰ্দেশ দিয়ে আৰু তেওঁলোকক স্পীডব্ৰেকাৰ-ৰাম্বল ষ্ট্ৰিপ নিৰ্মাণ কৰি, সকলো গড়কাপ্টানী পথত পথ ছাইনেজ স্থাপন কৰিবলৈ আৰু তেনেদৰেই গড়কাপ্টানী পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথত অনুমোদিত গতিসীমা প্ৰদৰ্শন কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ কয়। বৈঠকত বৌ বজাৰ আৰু এফচিআই ৱেৰহাউছৰ ওচৰৰ যান-বাহনৰ সমস্যাৰ লগতে ইয়াৰ পৰা ওলোৱা দুৰ্গন্ধৰ অভিযোগৰ বিষয়েও আলোচনা কৰা হয়। এই সন্দৰ্ভত উপায়ুক্তই পৰিবহণৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত (পৰিবহণ)ক বিষয়টোৰ ওপৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে কোকৰাঝাৰ পৌৰ পৰিষদৰ স'তে আলোচনা কৰিবলৈ নিৰ্দেশ দিয়া হয়।

## গৰৈমাৰীৰ কানহাৰত পুখুৰীৰত পৰি ১০ বছৰীয়া শিশুৰ সলিল সমাধি

অগ্ৰদূত বাৰ্তা
**সোণতলী, ৩ জুলাই ঃ** কামৰূপ জিলাৰ গৰৈমাৰীৰ কানহাৰা গাঁৱত এটি ১০ বছৰীয়া শিশু পুখুৰীত পৰি সলিল সমাধি ঘটে। জানিব পৰা মতে, গৰৈমাৰী কানহাৰা গাঁৱৰ আৰমান আলীৰ পুত্ৰ গোপাল আলী (১০) য়ে উৎকট গৰমত সমনীয়াৰ স'তে পুখুৰীত গা ধুবলৈ নামে। তেনে অৱস্থাত হঠাৎ পানীৰ তললৈ ডুব গৈ সন্ধানহীন হৈ পৰে। লগে লগে সমনীয়াৰ স'তে ঘটনা সন্দৰ্ভত পৰিয়ালক অৱগত কৰে, পৰিয়াল তথা স্থানীয় ৰাইজে বহু সময় অনুসন্ধান চলাই শিশুটিক পুখুৰীৰ পৰা উদ্ধাৰ কৰে। পানীৰ পৰা উদ্ধাৰ কৰি লগে লগে গৰৈমাৰী সামুহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰে যদিও অৱশেষত চিকিৎসকে মৃত বুলি ঘোষণা কৰে। শিশুটিৰ এনে কৰুণ মৃত্যুত পৰিয়ালৰ মাজত শোকৰ ছাঁ পৰিছে ।

## বহিঃৰাজ্যৰ পৰা উভতি অহাৰ পথত মৃত্যু জামুগুৰিহাটৰ যুৱকৰ

অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ৩ জুলাই ঃ** কৰ্মসংস্থাপনৰ তাগিদাত সুদূৰ বাংগালোৰত কৰ্মৰত হৈ থকা জামুগুৰিহাটৰ টুপিয়াৰ ইমদাদুল শ্বাহ (১৯) নামৰ যুৱকজনে ঈদ উপলক্ষে ঘৰলৈ বুলি অহাৰ পথত অন্ধ্ৰ প্ৰদেশৰ কাওবাল ৰেল ষ্টেছনত আকস্মিকভাৱে ৰেলৰ পৰা পৰি মৃত্যু হোৱাৰ পাছত আজি পুৱা যুৱকজনৰ মৃতদেহ জামুগুৰিহাটৰ নিজা গৃহলৈ অহাৰ পাছত শোকত ভাগি পৰিছে অঞ্চলবাসী। পিতৃ-মাতৃক ভৰণ পোষণৰ বাবেই বাংগালোৰলৈ যোৱা ইমদাদুলৰ মৃতদেহ ঘৰ আহি পোৱাৰ পাছতেই এইদৰে হিয়াধাকুৰি কান্দে পিতৃ-মাতৃৰ লগতে পৰিয়ালবৰ্গই। উল্লেখ্য যে বহিঃৰাজ্যলৈ কৰ্ম সংস্থাপনৰ তাগিদাত যোৱা অসমৰ বহু যুৱক-যুৱতীৰ পূৰ্বেও এইদৰে দুৰ্ঘটনা বা আন কোনো লোকৰ আক্ৰমণৰ বলি হৈ মৃত্যুত মুখত পৰিছে।

## সমাজত সকলোতকৈ মূল্যবান মানুহবোৰ হৈছে সমাজকৰ্মীসকল

### ■ বিশিষ্ট শিক্ষাবিদ-শংকৰী সাধক ৰবি ডেকাৰ স্মৃতিসৌধ উন্মোচন



অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ৩ জুলাই ঃ** 'আজিৰ দিনটোত নিস্বাৰ্থভাৱে সমাজত সেৱা আগবঢ়োৱা, জনকল্যাণৰ হকে কাম কৰা মানুহৰ অভাৱ। সকলোতকৈ মূল্যবান মানুহবোৰ হৈছে সমাজকৰ্মীসকল। কিন্তু তথাকথিত শিক্ষিত লোকে সমাজকৰ্মীসকলক স্বীকৃতি দিব নিবিচাৰে।' এই মন্তব্য মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাৰ। আজি মৰিগাঁও জিলাৰ বঘৰা অঞ্চলৰ শিলসাঁকোৰ বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, অসম সাহিত্য সভাৰ আজীৱন সদস্য প্ৰয়াত ৰবি ডেকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে তেওঁৰ স্মৃতিসৌধ উন্মোচন কৰি এই মন্তব্য কৰে জিলা সাহিত্য সভাৰ সভাপতিজনে। লগতে তেওঁ উল্লেখ কৰে যে বৰ্তমান সমাজত শিক্ষিত মানুহৰ অভাৱ নাই; কিন্তু বঘৰা অঞ্চলৰ প্ৰয়াত ৰবি ডেকাৰ দৰে প্ৰকৃত সমাজকৰ্মীৰ অভাৱ। এই সমাজকৰ্মীসকলৰ বাবেই আজিৰ সমাজ ব্যৱস্থা বৰ্তি আছে। আজি বঘৰাৰ শিলসাঁকোৰ ডেকাৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি বাসগৃহত স্মৃতিসৌধ উন্মোচনী অনুষ্ঠানৰ আৰম্ভণিতে স্মৃতিসৌধত বন্তি প্ৰজ্বলন কৰে বঘৰাৰ শ্ৰীশ্ৰী অনন্ত থান পৰিচালনা সমিতিৰ সভাপতি সুচেন্দ্ৰ নাথ ডেকাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও জিলা সাংবাদিক সন্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, বঘৰা ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ অমৰজ্যোতি ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক অৰুণ চন্দ্ৰ পাচনী, সমাজসেৱক অশোক ডেকা, কুশল ডেকা, জীৱন জেউতি কৃষক সংঘৰ সভাপতি তুলসী ডেকাৰ লগতে বঘৰা অঞ্চলৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি।

## প্ৰাগজ্যোতি ক্লাবৰ অধিবেশন-প্ৰতিষ্ঠা দিৱস সম্পন্ন

**পাটাছাৰকুছি, ৩ জুলাই ঃ** পাটাছাৰকুছিৰ স্বেচ্ছাসেৱী সামাজিক অনুষ্ঠান প্ৰাগজ্যোতি ক্লাবৰ ২০ সংখ্যক অধিবেশন, ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু ৫৩ সংখ্যক বিষ্ণু ৰাভা দিৱসৰ আজি তৃতীয় দিনাৰ কাৰ্যসূচী হিচাপে ক্লাবৰ ভূপেন হাজৰিকা ভৱনত ক্লাবৰ সভাপতি ৰফিকুল হকৰ সভাপতিত্বত ক্লাবৰ সাধাৰণ তথা বিষয় বাছনি সভা অনুষ্ঠিত হয়। সভাত সম্পাদক শিখৰ গোস্বামীয়ে পাঠ কৰা সম্পাদকীয় প্ৰতিবেদন আৰু হিচাপ পৰীক্ষক আমিনুল হক আৰু সুকুমাৰ শৰ্মাই পাঠ কৰা হিচাপ পৰীক্ষাৰ প্ৰতিবেদন দুখন সৰ্বসন্মতক্ৰমে গৃহীত হোৱাৰ লগতে আগন্তুক দ্বি-বৰ্ষৰ (২০২২-২৪) বাবে ৰফিকুল হকক সভাপতি, প্ৰহ্লাদ পাঠকক কাৰ্যকৰী সভাপতি, শিখৰ গোস্বামীক সম্পাদক, দ্বিপেন দাসক সহকাৰী সম্পাদক, সতীশ ডেকাক সাংস্কৃতিক সম্পাদক, দিপুমণি শৰ্মাক খেল সম্পাদক, খগেন ডেকাক প্ৰচাৰ সম্পাদক, জাহান আলীক কাৰ্যালয় সম্পাদক, মহিৰুল ইছলাম, নিতুল শৰ্মা, হোমেন ৰাজবংশী, ৰাজীৱ শৰ্মা, সুকুমাৰ শৰ্মা, অভিজিৎ হালৈ আৰু সঞ্জয় শৰ্মাক কাৰ্যনিৰ্বাহ সদস্য হিচাপে লৈ ক্লাবৰ এখন নতুন সমিতি গঠন কৰা হয়। সমিতিত বুবুল দাস আৰু আমিনুল হকক হিচাপ পৰীক্ষক হিচাপে লোৱা হয়। ইয়াৰ পূৰ্বে ক্লাবৰ পতাকা উত্তোলন কৰে ক্লাবৰ সভাপতি ৰফিকুল হকে, স্মৃতি তৰ্পণ কৰে বিশিষ্ট সমাজকৰ্মী মুনীন্দ্ৰ নাৰায়ণ গোস্বামী আৰু বিশিষ্ট ক্ৰীড়া সংগঠক শ্ৰীপদ চৌধুৰীয়ে। ইয়াৰ পাছতে ক্লাবৰ বাৰ্ষিক প্ৰচাৰ পত্ৰ (লিফলেট) দ্বিতীয় সংখ্যা উন্মোচন আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠানত আমিনুল হকৰ দ্বাৰা সম্পাদিত তথা ক্লাবৰ সম্পাদক শিখৰ গোস্বামীৰ দ্বাৰা প্ৰচাৰিত প্ৰচাৰপত্ৰখন উন্মোচন কৰে আনন্দৰাম বৰুৱা একাডেমীৰ অধ্যক্ষ ড° ৰঞ্জিত ডেকাই। প্ৰচাৰ পত্ৰখন উন্মোচন কৰি তেওঁ প্ৰাগজ্যোতি ক্লাবৰ ব্যতিক্ৰমী কাম-কাজৰ প্ৰশংসা কৰি কয় যে বজালী জিলাক বিভিন্ন দিশত উজলাই তোলাৰ বাবে ক্লাব বা সামাজিক অনুষ্ঠানে ন চিন্তাৰে কৰ্মপন্থা হাতত ল'ব লাগে। সমাজৰ পৰা ক্ৰীড়া আৰু শিক্ষাৰ ক্ষেত্ৰত মানৰ সম্পদ গঢ় দিবলৈ শৃংখলাবদ্ধ চিন্তাৰে কৰ্মসূচী গঠন কৰি ইউপিএছচিকে ধৰি বিভিন্ন ধৰণৰ আগশাৰীৰ প্ৰতিযোগিতাত বহাৰ বাবে সঠিকভাৱে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰাত মনোনিবেশ কৰাৰ আহ্বান জনায়। অনুষ্ঠানত এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত অষ্টম স্থান আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত সপ্তম স্থান দখল কৰা পাটাছাৰকুছিৰ সন্তান ক্ৰমে ৰিয়া শইকীয়া আৰু জ্যোতিপল তালুকদাৰক ক্লাবৰ তৰফৰ পৰা গামোচা, পিতলৰ ষ্টেণ্ড জাপি আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। জ্যোতিপল তালুকদাৰৰ হৈ মাতৃয়ে সম্বৰ্ধনা গ্ৰহণ কৰে। নিতুল শৰ্মাই আঁত ধৰা অনুষ্ঠানত আৰম্ভণিতে ক্লাবৰ সংগীত পৰিৱেশন কৰা হয়। অনুষ্ঠানত মুনীন্দ্ৰ নাৰায়ণ গোস্বামী, কৃতী ছাত্ৰী ৰিয়া শইকীয়া, ক্লাবৰ সভাপতি ৰফিকুল হক আদিয়ে বক্তব্য ৰাখে। ইয়াৰ পাছতে ক্লাবৰ কাৰ্যালয়ৰ সন্মুখত পথচাৰীৰ মাজত মিঠাই বিতৰণ কৰা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# তালাচীৰ নামত আছু নেতাক আৰক্ষীৰ নিৰ্যাতন

## ■ দোষী আৰক্ষী বিষয়াক শাস্তি প্ৰদানৰ দাবীত কুমাৰীকাটাত দুঘন্টীয়া অৱস্থান ধৰ্মঘট


*কলগাছিয়াত জমিয়ত উলেমা ই হিন্দৰ বানপীড়িতৰ মাজত সাহায্য বিতৰণ।*

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩ জুলাই ঃ** তালাচীৰ নামত বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ডুলুজিত দাসক কুমাৰীকাটা আৰক্ষীয়ে শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলোৱাৰ প্ৰতিবাদত বাগ্‌সা জিলা ছাত্ৰ সন্থাই কুমাৰীকাটাত দুঘন্টীয়া ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। তামুলপুৰ মহকুমা ছাত্ৰ সন্থা আৰু কুমাৰীকাটা আঞ্চলিক ছাত্ৰ সন্থাৰ আহ্বানত বৃহত্তৰ কুমাৰীকাটা অঞ্চলৰ কে'বাটাও জাতীয় ছাত্ৰ সংগঠনৰ লগতে স্থানীয় মহিলা সমিতি, জ্যেষ্ঠ নাগৰিক, ব্যৱসায়ী সন্থাৰ সহযোগত কুমাৰীকাটা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সন্মুখত দিনৰ ১১ বজাৰ পৰা এক বজালৈ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অৱস্থান ধৰ্মঘটত অংশগ্ৰহণকাৰীসকল অসম পুলিচ হায় হায়, পুলিচৰ দাদাগিৰি নচলিব, গৃহ বিভাগ হায় হায়, মুখ্যমন্ত্ৰী হুছিয়াৰ, আছু কৰ্মীৰ ওপৰত আৰক্ষীৰ নিৰ্যাতন বন্ধ কৰক, ছাত্ৰ ঐক্য জিন্দাবাদ, দোষী আৰক্ষী বিষয়াক শীঘ্ৰে গ্ৰেপ্তাৰ কৰক আদি শ্ল'গানেৰে কুমাৰীকাটাৰ পৰিৱেশ উত্তাল কৰি তোলে । কালি প্ৰতিবাদস্থলীৰ পৰাই ছাত্ৰ সংগঠন আৰু স্থানীয় নাগৰিকৰ হুংকাৰ যদি ইয়াৰ পাছত আৰক্ষী প্ৰশাসনে দোষী বিষয়াৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ নকৰে পৰৱৰ্তী পৰ্যায়ত আন্দোলন আৰু অধিক তীব্ৰতৰ হ'ব। আজি অৱস্থান ধৰ্মঘট কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকা, কাৰ্যনিৰ্বাহক সদস্য ৰিয়াজউদ্দিন আহমেদ, বাগ্‌সা জিলা আছুৰ সভাপতি গোবিন্দ শৰণীয়া, বাগ্‌সা জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মাধৱ ছেত্ৰী, তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ সিং ৰাভা, বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ জয়চন্দ্ৰ বৰ্মন, আটচাৰ জিচাই বাগ, ধনুচ মহালি, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ধ্ৰুৱজ্যোতি বায়ন, কোচ ৰাজবংশীৰ মহিকান্ত বৰ্মণ, শৰণীয়া কছাৰীৰ দিলেশ্বৰ ডেকা, বাঙালী ফেডাৰেচন, কুমাৰীকাটা মহিলা মঞ্চ, জ্যেষ্ঠ নাগৰিক মঞ্চকে ধৰি বহু দল সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে যোৱা ২৪ জুনৰ নিশা বাগ্‌সা জিলা আছুৰ সাধাৰণ সম্পাদক ডুলুজিৎ দাসক নিজ গৃহ অভিমুখে গৈ থকা অৱস্থাত কুমাৰীকাটাত কুমাৰীকাটা আৰক্ষীয়ে তালাচীৰ নামত শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলাইছিল। এই ঘটনাক কেন্দ্ৰ কৰি পৰৱৰ্তী সময়ত তামুলপুৰ মহকুমা ছাত্ৰ সন্থা আৰু বাগ্‌সা জিলা ছাত্ৰ সন্থাই আৰক্ষী বিষয়াদ্বয়ৰ ওপৰত তদন্তৰ জৰিয়তে শাস্তিৰ দাবী উত্থাপন কৰি তামুলপুৰ জিলা আৰক্ষী অধীক্ষকৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান কৰিছিল। ঘটনাক লৈ আৰক্ষী অধীক্ষক আৰু আছুৰ মাজত অনুষ্ঠিত আলোচনাত তদন্তৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল যদিও সেই প্ৰতিশ্ৰুতি আজিলৈকে পূৰণ কৰা নহ'ল।

## দেৱৰাজ ৰয় কলেজত 'অসমীয়া গদ্যৰ গতিপথ' শীৰ্ষক মনোজ্ঞ বক্তৃতা অনুষ্ঠান অনুষ্ঠিত

**বিশেষ সংবাদদাতা**


**গোলাঘাট, ৩ জুলাই ঃ** গোলাঘাট দেৱৰাজ ৰয় কলেজত আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মুক্ত আৰু দূৰ সংযোগ শিক্ষাৰ দেৱৰাজ ৰয় কলেজ কেন্দ্ৰৰ উদ্যোগত আৰু দেৱৰাজ ৰয় কলেজ মানৱবিদ্যা আৰু সমাজ বিজ্ঞান সমিতিৰ সহযোগত 'অসমীয়া গদ্যৰ গতিপথ' শীৰ্ষক এখন বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। দেৱৰাজ ৰয় মহাবিদ্যালয় মানৱবিদ্যা আৰু সমাজ বিজ্ঞান সমিতিৰ সভাপতি দেৱজিৎ ফুকনৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী সভাত দেৱৰাজ ৰয় কলেজৰ অধ্যক্ষ ড° জয়ন্ত বাৰুকিয়ালে চহকী অসমীয়া সাহিত্যৰ বিষয়ে ব্যাখ্যা কৰে। দেৱৰাজ ৰয় কলেজৰ মানৱবিদ্যা আৰু সমাজ বিজ্ঞান সমিতিৰ সম্পাদক ড° তৰুণ গগৈয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত দেৱৰাজ ৰয় কলেজৰ উপাধ্যক্ষা গায়েত্ৰী শৰ্মা তামুলী, জ্যেষ্ঠ অধ্যাপক দোলেন গগৈ, জ্যোতিময়ী ভট্টাচাৰ্য, মৌচুমী বৰুৱা, দেৱেশ্বৰ বৰুৱা আদিয়ে ভাগ লয়। দুটা ভাগত বিভক্ত কাৰিকৰী শাখাত 'প্ৰাচীন অসমীয়া গদ্যৰ গতিপথ' শীৰ্ষক বিষয়ত সমল ব্যক্তি গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক ড° দীপালী গগৈয়ে বক্তব্য ৰাখি অসমীয়া গদ্য সাহিত্যলৈ শংকৰদেৱৰ লগতে ভট্টদেৱৰ অৱদানৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। তেওঁ ভট্টদেৱক অসমীয়া সাহিত্যৰ জনক আখ্যা দিয়ে। বক্তৃতা অনুষ্ঠানত আধুনিক অসমীয়া গদ্যৰ গতিপথ শীৰ্ষক বিষয়ত ভাষণ দিয়ে বিশিষ্ট শিক্ষাবিদ জেডিএছজি কলেজৰ অধ্যাপক ড° ৰুবী বৰাই। তেওঁ ব্ৰিটিছ শাসনৰ সময়ছোৱাত অসমীয়া ভাষালৈ নামি অহা সংকটৰ আঁৰৰ কাহিনী ব্যাখ্যা কৰে আৰু আধুনিক অসমীয়া ভাষা সাহিত্যলৈ মিছনেৰীসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে আলোকপাত কৰে। অৰুনোদয়ৰ পৰা সাম্প্ৰতিক সময়লৈকে আলোচনীসমূহৰ গদ্যৰ শৈলী সম্পৰ্কে কয়। আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদিৰ গদ্যত দেশপ্ৰেম আৰু জাতীয়তাবাদৰ চিন্তা- চৰ্চাৰ প্ৰেক্ষাপটত সাম্প্ৰতিক সময়ত তাৰ গুৰুত্ব অপৰিসীম। জোনাকীৰ পৰা ৰামধেনু হৈ চলিত সময়লৈকে অমসীয়া গদ্য সাহিত্যৰ গতিপথ কেনেদৰে আগবাঢ়িছে সেই বিষয়ে আলোকপাত কৰি জোনাকী যুগ অসমীয়া সাহিত্যৰ উজ্জ্বল যুগ আখ্যা দিয়ে।

## গৰৈমাৰীত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সজাগতা কাৰ্যসূচীৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ৩ জুলাই ঃ** কামৰূপ জিলাৰ গৰৈমাৰী ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয় প্ৰাংগণত কালি স্বাস্থ্য বিভাগৰ সজাগতা শিবিৰৰ সামৰণি পৰে। গৰৈমাৰী ৰাজহ চক্ৰ বিষয়া অৰূপ বিৰকমীয়াই আঁত ধৰা সভাত অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ বিভিন্ন আঁচনিৰ ওপৰত আলোকপাত কৰা হয়। গৰৈমাৰী ৰাজহ চক্ৰ বিষয়াই স্বাস্থ্য বিভাগৰ আঁচনিৰ উপৰি স্বাস্থ্যৰ ওপৰত ল'বলগীয়া বিষয়ত সচেতনতাৰ আলোকপাত কৰে। সভাত উপস্থিত থাকে স্বাস্থ্য বিভাগৰ ছয়গাঁও মহকুমা স্বাস্থ্য বিষয়া ডাঃ ৰাধা চনৰ দাস, উপ-অধীক্ষক ডাঃ অসীম কুমাৰ কাকতি, গৰৈমাৰী পুখুৰী পৰা সামূহিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ কুৰবান আলী, ফখৰ উদ্দিন আলী আহমেদ কলেজৰ অধ্যক্ষ আব্দুল আৱাল, মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আক্কাছ আলী আহমেদ, কবি-সাহিত্যিক দোস্ত হবিবুৰ ৰহমান, ফখৰ উদ্দিন আহমেদ কলেজৰ সকলো প্ৰবক্তা, জিলা স্বাস্থ্য কৰ্মীসকল, আশা কৰ্মীসকলৰ লগতে গৰৈমাৰী অঞ্চলৰ গাঁওবুঢ়াসকলে।

## নহিৰা গুইমাৰা আঞ্চলিক হাইস্কুলত যোগ গুৰুকুল অসমৰ উদ্যোগত অনুষ্ঠিত যোগ সোপান বৰ্গৰ সামৰণি



**ছয়গাঁও, ৩ জুলাই ঃ** যোগ গুৰুকুল অসমৰ সৌজন্যত যোৱা ২৯ জুনৰ পৰা পলাশবাৰী সমষ্টিৰ নহিৰা গুইমাৰা আঞ্চলিক হাইস্কুলত অনুষ্ঠিত হোৱা যোগ সোপান বৰ্গৰ প্ৰশিক্ষণৰ আজি সামৰণি পৰে। নহিৰা গুইমাৰা আঞ্চলিক হাইস্কুলৰ সভাপতি তথা সমাজকৰ্মী নয়ন মহন্ত উপস্থিত থকা কাৰ্যসূচীত ভাষণ প্ৰদান কৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ক্ষেত্ৰ প্ৰচাৰক উল্লাস কুলকাৰ্ণী, জ্যেষ্ঠ প্ৰচাৰক ভাস্কৰ কুলকাণী, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, কামৰূপ জিলাৰ স্কুল পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া, যোগ গুৰুকুল অসমৰ সভাপতি দিলীপ গোস্বামী, উপ-সভাপতি অনুপ কুমাৰ মেধি, সম্পাদক ডাঃ হিমাংশু বুজৰবৰুৱা, নহিৰা গুইমাৰা হাইস্কুলৰ প্ৰধান শিক্ষক ধীৰেণ কুমাৰে। আনহাতে, কাৰ্যসূচীতে যোগৰ প্ৰশিক্ষণ দিয়া যোগ শিক্ষক ভাস্কৰ হাজৰিকা, প্ৰবীণ দাস, যোগ শিক্ষয়িত্ৰী নিলু কৰিশ্মা দাসে গীতৰ তালে তালে যোগ কৰি সকলোকে মোহিত কৰি তুলিছিল। প্ৰথম দিনাই ৰাইজৰ সঁহাৰি লাভ কৰা অনুষ্ঠানত ১২০ গৰাকী ছাত্ৰ-ছাত্ৰীক যোগ প্ৰশিক্ষণ দিয়া হয়।

## নৃত্য-গীত-কথা-গল্পৰে সামৰণি পৰিল গোৱালপাৰা জিলাৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩ জুলাই ঃ** এক জুলাইৰ পৰা দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত গোৱালপাৰা জিলাৰ প্ৰতিষ্ঠা দিৱসৰ আজি সামৰণি পৰে। দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱা অনুষ্ঠিত কুইজ আৰু তৰ্ক প্ৰতিযোগিতাত কে'বাখনো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। গোৱালপাৰা জিলাৰ সুযোগ্য সন্তান বিশিষ্ট কবি সাহিত্যিক অতনু ভট্টাচাৰ্যৰ পৰিচালনাৰে এক আকৰ্ষণীয় 'গল্প কথা' অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানে উপস্থিত ৰাইজক আপ্লুত কৰাৰ লগতে অধিক জীপাল কৰি তোলে। ইয়াৰ পাছতে মৃণাল কান্তি মেধিৰ কথা আৰু অৰুণজ্যোতি পাটগিৰিৰ সুৰ আৰু পৰিচালনাৰে গোৱালপাৰা জিলাৰ 'থিম ছিঙ' পৰিৱেশন কৰি মুকলি কৰা হয়। উক্ত মঞ্চতে অনুষ্ঠিত সভাত নিৰ্দিষ্ট বক্তা হিচাপে গোৱালপৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° সিদ্ধিনাথ শৰ্মা, জ্যেষ্ঠ সাংবাদিক তথা সাহিত্যিক দিলীপ কুমাৰ শৰ্মা আৰু শিক্ষক তথা বিশিষ্ট ক্ৰীড়া সংগঠক তপন চক্ৰৱৰ্তীয়ে ভাষণ প্ৰদান কৰে। পাছত অনুষ্ঠিত বঁটা বিতৰণী সভাত তৰ্ক প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা অংকুৰ কলিতা, দ্বিতীয় স্থান লাভ কৰা সুমিত কলিতা, তৃতীয় স্থান লাভ কৰা অপৰাজিতা নাথক বঁটা প্ৰদান কৰা হয়। একেদৰে কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা ত্ৰৈলোক্য ৰাভা আৰু তৃষ্ণা ৰাভা, দ্বিতীয় স্থান লাভ কৰা কংকনা জ্যোতি ৰয় আৰু প্ৰান্তিক শিৱমক পুৰস্কাৰ প্ৰদান কৰা হয়। সেইদৰে ৰচনা প্ৰতিযোগিতাত ছিনিয়ৰ শাখাত প্ৰথম হোৱা ইমৰান খান, দ্বিতীয় ললিতা বিশ্বাস আৰু জুনিয়ৰ শাখাত মাইসাহ ফাৰজান হাজৰিকাই প্ৰথম স্থান লাভ কৰাত তেওঁলোককো বঁটা প্ৰদান কৰা হয়। ইপিনে, চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা জাহ্নৱী দাস, দ্বিতীয় স্বৰ্ণৱ পাঠক আৰু তৃতীয় স্থান লাভ ধৃতি কলিতাক পুৰস্কৃত কৰা হয়। সন্ধিয়া বিভিন্ন ধৰণৰ নৃত্য-গীত প্ৰদৰ্শন কৰা হয়।

## কাকজান মহাবিদ্যালয়ত বুজাবুজি চুক্তি সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**কাকজান, ৩ জুলাই ঃ** জীৱনত আত্মপ্ৰতিষ্ঠাৰ বাবে চাকৰিমুখী নহৈ ছাত্ৰ-ছাত্ৰীসকলে কৃষি অৰ্থনীতিৰ উদ্যোগ স্থাপনৰ প্ৰাৰম্ভিক প্ৰস্তুতি, উদ্ভাৱনীমূলক চিন্তাৰ প্ৰসাৰ আৰু মানসিক, প্ৰায়োগিক সহযোগিতাৰ বাবে বৃহস্পতিবাৰে কাকজান মহাবিদ্যালয়ৰ স'তে অসম কৃষি বিশ্ববিদ্যালয়ৰ উত্তৰ-পূৰ্বাঞ্চল কৃষি প্ৰযুক্তি কেন্দ্ৰ (নীট হাব)ৰ এক বুজাবুজি চুক্তি সম্পাদিত হয়। কাকজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠানিক উদ্ভাৱনী পৰিষদৰ উদ্যোগত আয়োজিত অনুষ্ঠানত কাকজান মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ ড° ৰূপৰেখা বৰদলৈ আৰু নীট হাবৰ হৈ ড° কে কাৰ্তিকায়নে চুক্তিত সাক্ষৰ কৰে। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত উপাধ্যক্ষ ড° বিজয়লক্ষ্মী নেওগ, নীট হাবৰ জনসম্পৰ্কৰক্ষী বিষয়া নিবিৰ বৰুৱা আৰু মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত এই চুক্তি সম্পাদিত অনুষ্ঠানৰ আঁত ধৰে আইআইচিৰ সমন্বয়ক ৰাজদ্বীপ বৰাই। কাকজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰূপৰেখা বৰদলৈয়ে এই চুক্তিৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱসায়িক উদ্যমিতাৰ লগতে কৃষি অৰ্থনীতি সম্ভাৱনী ব্যৱসায়িক বুনিয়াদ এটা নিৰ্মাণ কৰাত নীট হাবৰ দ্বাৰা সহযোগিতাৰ স্বাক্ষৰিত চুক্তিৰ সম্পৰ্কত এক ব্যাখ্যা আগবঢ়ায়। নীট হাবৰ সঞ্চালক ড° কে কাৰ্তিকায়নে ছাত্ৰ-ছাত্ৰীসকলক কৃষি অৰ্থনীতিক আধাৰ হিচাপে লৈ ব্যৱসায়িক উদ্যমিতাৰ ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ আহ্বান জনায়। অধ্যাপক ড° ক্ষিৰোদ শইকীয়াই অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে।

## মৰাণত গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩ জুলাই ঃ** চাহ বাগিচাৰ শিক্ষাৰ ক্ষেত্ৰত থকা সমস্যা, ইতিবাচক সমাধান আৰু প্ৰত্যাহ্বান সাঙুৰি হিঙৰিজান বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জিতেন দাসে লিখা অন্যতম গ্ৰন্থ 'চাহ বাগিচাত শিক্ষাৰ উত্তৰণত প্ৰত্যাহ্বান' নামৰ গ্ৰন্থখন কালি উন্মোচন কৰা হয়। এই উপলক্ষে হিঙৰিজান চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ত সাংবাদিক ত্ৰৈলোক্য চেতীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত উক্ত গ্ৰন্থখন উন্মোচন কৰে বৰহাট ভৱানী প্ৰসাদ বৰুৱা মহাবিদ্যালয়ৰ প্ৰবক্তা বাৰীন্দ্ৰ দাসে। উন্মোচনী ভাষণত তেওঁ জিতেন দাসৰ প্ৰচেষ্টাক শলাগ লয় আৰু বিদ্যালয়খনৰ কাম-কাজক ভূয়সী প্ৰশংসা কৰে। সভাত লেখক জিতেন দাসে কিতাপখন লিখিবলৈ মন মেলাৰ উদ্দেশ্য অৱগত কৰে। গ্ৰন্থখনৰ বিশ্লেষণাত্মক মন্তব্য আগবঢ়ায় মূলাগাভৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক অনন্ত কৃষ্ণ মহন্তই। গ্ৰন্থখনৰ ভৱিষ্যতৰ দিনত চাহ শ্ৰমিকসকলৰ শিক্ষাৰ ক্ষেত্ৰত অভিভাৱকৰ হাত পুথি হোৱাৰ লগতে গ্ৰন্থখনৰ গৱেষণাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰে। বক্তব্য ৰাখে প্ৰাক্তন শ্ৰম বিষয়া প্ৰবীণ কোঁৱৰ, চাহ জনগোষ্ঠীৰ সমাজ কৰ্মী শংকৰ চাহু, চাহ জনজাতি সাহিত্য সভাৰ সভাপতি-সম্পাদক ক্ৰমে মনমোহন চিক, জিতৰাম তাঁতী, দিৰৈ শাখা সাহিত্য সভাৰ সভানেত্ৰী জিনু প্ৰভা দত্ত আৰু সম্পাদক ফৰিদ আলীয়ে।

## যোৰহাটত দ্বিতীয়টো বৰষুণৰ পানী সংৰক্ষণৰ দ্বাৰা ভূগৰ্ভৰ পানী পুনৰভৰণ প্ৰকল্প মুকলি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৩ জুলাই ঃ** যোৰহাট জিলা প্ৰশাসন আৰু যোৰহাট জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত আজি বৰষুণৰ পানী সংৰক্ষণৰ দ্বাৰা ভূগৰ্ভৰ পানী পুনৰভৰণৰ দ্বিতীয়টো প্ৰকল্প পুৰণা চিভিল হাস্পতালৰ চৌহদত বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে মুকলি কৰে। অনুষ্ঠানত যোৰহাট জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মন, প্ৰাক্তন বিধায়ক হেমন্ত কলিতা, সমাজকৰ্মী ঈশ্বৰ প্ৰসন্ন বৰদলৈ, যোৰহাট পৌৰসভাৰ বিভিন্ন উচ্চবৰ্গৰ বিষয়া, জিলাখনৰ জ্যেষ্ঠ নাগৰিক, কেঁবাখনো মহাবিদ্যালয়ৰ অধ্যক্ষ-অধ্যক্ষাৰ উপস্থিতিত বিধায়কজনে এয়া এক অতি সময় উপযোগী আঁচনি ৰাইজৰ বাবে মুকলি কৰা হৈছে বুলি মন্তব্য কৰে। অনুষ্ঠানতি পৌৰসভা অঞ্চলৰ গৃহ নিৰ্মাতা কোম্পানীৰ বহু কেইজন স্বত্বাধিকাৰী উপস্থিত থাকে। উল্লেখ্য যে জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনৰ তৎপৰতাত বৰষুণৰ পানী সংৰক্ষণ কৰি সেই পানী বিশুদ্ধকৰণৰ দ্বাৰা উপভোক্তাসকলক খোৱাপানী যোগান ধৰা কাৰ্যটো সফল হৈ উঠিছে। জিলাখনৰ মুঠ ১০ টা অব্যৱহৃত গভীৰ নলীনাদত এনে ধৰণৰ বৈজ্ঞানিক পদ্ধতিৰে পানী সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি জিলা উপায়ুক্তই জানিবলৈ দিছে। এই ক্ষেত্ৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা ভাস্কৰ শৰ্মাৰ প্ৰচেষ্টাত ইতিমধ্যে যোৰহাট নগৰৰ মাজমজিয়াৰ নেহেৰু পাৰ্কস্থিত নলীনাদটোৰ পানী ভূগৰ্ভত সংস্থাপনৰ প্ৰথম প্ৰকল্পটো আৰম্ভ হৈ গৈছে। যোৰহাটত স্থাপন কৰিবলৈ লোৱা এই আঁচনিয়ে পৌৰসভা অঞ্চলৰ জলস্তৰ উৰ্ধ্বগামী হোৱাত সহায়ক হ'ব বুলি জানিব পৰা গৈছে। উক্ত কাৰ্যসূচীত জিলা প্ৰশাসন আৰু জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বহুসংখ্যক বিষয়া- কৰ্মচাৰী উপস্থিত থাকে।

## মথনগুৰি টিএলচিচিত দৰিদ্ৰ হিতাধিকাৰীৰ মাজত টিনপাত বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩ জুলাই ঃ** বাগ্‌সাৰ মথনগুৰি টিএলচিচিৰ অন্তৰ্গত গোৱৰ্ধনা উন্নয়ন খণ্ডৰ ডিপিআৰডি আঁচনিৰ অধীনত উত্তৰ খাৰিজা বিজনী আৰু মইনামাতা ভিচিডিচিত মুঠ ৪২ গৰাকী দৰিদ্ৰ হিতাধিকাৰীৰ মাজত আজি দুই বাণ্ডিলকৈ টিনপাত বিতৰণ কৰা হয়। উল্লেখ্য যে মথনগুৰি সমষ্টিৰ ১০ টা ভিচিডিচি আৰু শালবাৰী সমষ্টিৰ পাঁচটা ভিচিডিচিৰ ভিতৰত মথনগুৰিত ৪২০ খন আৰু শালবাৰী সমষ্টিত মুঠ ৩২০ খন টিনপাত ইতিমধ্যে দৰিদ্ৰ লোকৰ মাজত বিতৰণ কৰা হৈছে। আজি টিনপাত বিতৰণী অনুষ্ঠানত মথনগুৰি টিএলচিচিৰ সভাপতি বিনয় বৈশ্য, উপ-সভাপতি যোগেশ্বৰ বসুমতাৰী আৰু বহু কেইগৰাকী ভিচিডিচিৰ সভাপতি আৰু সদস্য-সদস্যা উপস্থিত থাকে।

## সংগ্ৰামী যুৱ পৰিষদৰ মৰঙি আঞ্চলিক সমিতিৰ সম্পাদক-সহকাৰী সম্পাদকৰ পদত্যাগ

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ৩ জুলাই ঃ** সংগ্ৰামী যুৱ পৰিষদ, অসমৰ মৰঙি আঞ্চলিক সমিতিৰ সম্পাদক আৰু সহকাৰী সম্পাদক দুজনে পদত্যাগ কৰে। আঞ্চলিক সমিতিখনৰ সম্পাদক দাদু বৰা আৰু সহকাৰী সম্পাদক নিতুমণি ঠেঙালে গোলাঘাট জিলা সমিতিৰ সভাপতি, সম্পাদকৰ হাতত তেওঁলোকৰ পদত্যাগপত্ৰ অৰ্পণ কৰে। পদত্যাগ পত্ৰখনত উল্লেখ কৰা মতে, মৰঙি আঞ্চলিক সমিতিখনৰ সভাপতিৰ মইমতালি তথা কিছু তৎকালীন সিদ্ধান্তই তেওঁলোকক দায়িত্ব পালনত অসুবিধাৰ সৃষ্টি কৰাৰ বাবে পদত্যাগৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁলোকৰ পদত্যাগপত্ৰ জিলা সমিতিয়ে গ্ৰহণ কৰি তেওঁলোকক পদৰ পৰা অব্যাহতি দিয়ে।

## এনিশাৰ উদ্যোগত বাংকাকাটাত বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়া

**ছয়গাঁও, ৩ জুলাই ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ বাংকাকাটা গাঁৱৰ অন্যতম সামাজিক সাংস্কৃতিক অনুষ্ঠান এনিশাৰ উদ্যোগত আজি বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ১৫ সংখ্যক বৰ্ষত ভৰি দিয়া এনিশা নামৰ অনুষ্ঠানটোৰ কালি দিনৰ ভাগৰ কাৰ্যসূচী অনুসৰি পুৱা ন বজাত পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি তপন সাউদে। ছহিদ তৰ্পণ কাৰ্যসূচীৰ উদ্বোধন কৰে সাততালুক গাঁও পঞ্চায়তৰ সভাপতি ঘনশ্যাম কলিতাই। বৃক্ষৰোপণ কাৰ্যসূচী উন্মোচন কৰে গুমি বাংকাকাটা গাঁও পঞ্চায়তৰ সভাপতি তমিজ আলীয়ে। বিভিন্ন ধৰণৰ খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে প্ৰাক্তন প্ৰধান শিক্ষক যোগেন কাকতিয়ে। অনুষ্ঠানত উপস্থিত থাকে সমাজসেৱক ক্ৰমে বিপুল কলিতা, আনন্দ কলিতা, প্ৰদীপ কলিতা, বাপুৰাম কলিতা, জিতেন কলিতা, হৰেশ্বৰ বড়ো, প্ৰমোদ কলিতা প্ৰমুখ্যে সাংস্কৃতিক সন্ধিয়াৰ সদস্য-সদস্যাসকলে। নিশা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী বাবু বৰুৱাৰ গীতৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

## চিকিৎসক দিৱসত ডাঃ মহেন বৰুৱাক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩ জুলাই ঃ** কালি চিকিৎসক দিৱস উপলক্ষে নআলি, বলিয়া গোহাঁই পুখুৰীৰ দক্ষিণ যোৰহাট টাই কলা কৃষ্টি সাংস্কৃতিক আৰু গৱেষণা অনুষ্ঠানে জিলাখনৰ জনপ্ৰিয় চিকিৎসক, সুলেখক ডাঃ মহেন বৰুৱাক তেওঁৰ লিচুবাৰীস্থিত চেম্বাৰত সম্বৰ্ধনা জনায়। কাৰ্যসূচীত অনুষ্ঠানৰ সভাপতি হৰেন কোঁৱৰ, উপ-সভাপতি তপন বুঢ়াগোহাঁই, সম্পাদক হৰিনাৰায়ণ বৰগোহাঁই প্ৰমুখ্যে কে'বাজনো লোক উপস্থিত থাকে।

## বিশ্বনাথ পাণপুৰ অঞ্চলত অব্যাহত আছে তীব্ৰ খহনীয়া

### ■ কুমলীয়াত ব্যৱস্থা গ্ৰহণৰ দাবী সংখ্যালঘু নেতাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩ জুলাই ঃ** বিশ্বনাথৰ দক্ষিণ পাৰৰ সংখ্যালঘু বসতি প্ৰধান অঞ্চলত মহাবাহুৰ কালৰূপ। ইতিমধ্যে নদীৰ বুকুত বিলীন হৈছে কে'বাখনো ৰাজহ গাঁও। খহনীয়াত ক্ষতিগ্ৰস্ত হোৱা লোকসকলে আজিলৈকে নাপালে চৰকাৰী সংস্থাপন। দুৰ্বিষহ জীৱন পাৰ কৰিবলগীয়া হৈছে শ শ পৰিয়ালে। কাণসাৰ নাই জনপ্ৰতিনিধি আৰু চৰকাৰৰ। ইফালে, কাজিৰঙা ষষ্ঠ সংযোজনৰ সঠিক সীমা নিৰ্ধাৰণ নকৰাৰ ফলত অতিৰিক্ত সমস্যাত পৰিছে বিশ্বনাথৰ ধৰ্মীয় সংখ্যালঘু লোকসকল। এফালে, খহনীয়াৰ কালৰূপ, আনফালে কাজিৰঙাৰ সীমা নিৰ্ধাৰণ নকৰাক লৈ চিন্তিত হৈ পৰিছে স্থানীয় ৰাইজ। পৰিষদৰ সম্পাদক নাজিৰ আহমেদে সংবাদ মাধ্যমৰ জৰিয়তে খহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপন আৰু কাজিৰঙা ষষ্ঠ সংযোজনৰ সঠিক সীমা নিৰ্ধাৰণ, বান আৰু খহনীয়াৰ স্থায়ী সমাধান কৰিবলৈ অসম চৰকাৰক আহ্বান জনায়।

## হাজোৰ বৰলীয়া নৈৰ খহনীয়া পৰিদৰ্শন কৰি বানপীড়িত লোকৰ মাজত সাহায্য প্ৰদান আছুৰ



**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩ জুলাই ঃ** বৰলীয়া-পাগলাদিয়া নদীয়ে কালৰূপ ধাৰণ কৰাত সমগ্ৰ হাজোত অদ্যাপি বিভীষিকাময় পৰিস্থিতিৰ যেন শাম কটা নাই। বিশেষকৈ বৰলীয়া নৈৰ দুয়োপাৰে মথাউৰি নথকাৰ বাবেই জলমগ্ন হ'ল সমগ্ৰ হাজো। এইক্ষেত্ৰত জলসম্পদ বিভাগৰ কাণ্ডজ্ঞানহীনতাৰ বাবেই হাজো জলমগ্ন হোৱাৰ গুৰুতৰ অভিযোগ সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসৰ। বৰলীয়া নৈৰ দুয়োপাৰে প্ৰায় ২০ কিলোমিটাৰ মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত কোনোদিনে গুৰুত্বই নিদিলে স্থানীয় বিধায়িকাজনৰ লগতে বিয়াগোম বিভাগটোৱে। যাৰ বাবে হাজোৰ ৪০ হেজাৰতকৈয়ো অধিক কৃষকে সৰ্বস্ৰান্ত হৈ এতিয়া মূৰে- কপালে হাত দিছে। আনহাতে আপোন ঘৰখনৰ ঠিকনা হেৰুৱাই দিশহাৰা হৈছে হেজাৰ হেজাৰ শ শ পৰিয়াল। অনতিবিলম্বে বৰলীয়া নৈৰ দুয়োপাৰে মথাউৰি নিৰ্মাণ কৰি হাজোবাসীক বানমুক্ত কৰিবলৈ জলসম্পদ বিভাগক দাবী ছাত্ৰ নেতা প্ৰকাশ চন্দ্ৰ দাসৰ। অন্যথা বিয়াগোম বিভাগটোৰ বিৰুদ্ধে কঠোৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে। কালি ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোৱে, বৰলীয়া নৈৰ খহনীয়া পৰিদৰ্শন কৰি, আধিয়াৰপাৰা অঞ্চলটোত প্ৰায় পাঁচশ ঘৰ পৰিয়ালৰ মাজত সাহায্য বিতৰণ কৰে। আজিৰ এই কাৰ্যসূচীত উপস্থিত আছিল সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা, সহকাৰী সম্পাদক ইমদাদুৰ ৰহমান, মুখ্য সাংগঠনিক সম্পাদক সুৰজিত কলিতা, আছু নেতা নৱ জ্যোতি দাস, আটিকুৰ ৰহমান, প্ৰাক্তন আছু নেতা আজমুল হুছেইন লগতে অঞ্চলটোৰ কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শালিধান-মাটি মাহৰ বীমাকৰণৰ বাবে কৃষক ৰাইজক আহ্বান

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুলাই ঃ** প্ৰাকৃতিক দুৰ্যোগৰ ফলত সৃষ্টি হোৱা শস্যৰ লোকচান বা ক্ষতিসমূহৰ পৰা কৃষকক সুৰক্ষা দিয়াৰ উদ্দেশ্যে ভাৰত চৰকাৰে 'প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা' শীৰ্ষক এখন আঁচনি ৰূপায়ণ কৰি আহিছে। 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি নগাঁও জিলাৰ কৃষি বিভাগৰ উদ্যোগত কালিৰে পৰা সাত জুলাইলৈকে প্ৰধানমন্ত্ৰী 'শস্য বীমা সপ্তাহ' পালন কৰা হৈছে। ইয়াৰে অংশ হিচাপে কালি নগাঁও জিলাৰ উপায়ুক্ত নিসৰ্গ হিৱৰেই পতাকা জোকাৰি প্ৰচাৰ অভিযানৰ আৰম্ভ কৰে। অনুষ্ঠানত উপস্থিত থাকে নগাঁও জিলা কৃষি বিষয়া তৰুণ হাজৰিকা, ন'ডেল বিষয়া ভদ্ৰ কুমাৰ বৰা, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়াদ্বয় অসীম কুমাৰ নাথ আৰু



বুবুল শৰ্মাৰ লগতে ইন্সুৰেন্স কোম্পানীৰ বিষয়ববীয়াসকল। শস্য বীমা কৰিব বিচৰা কৃষকসকলে আধাৰ কাৰ্ড, মাটিৰ প্ৰমাণপত্ৰ আৰু বেংক পাছবুকৰ জেৰক্স কপি জমা দি আবেদন কৰিব পাৰিব। এই আঁচনিৰ অধীনত প্ৰতি হেক্টৰ কৃষি ভূমিলৈকে কৃষকসকলে মাত্ৰ এশ টকাকৈ প্ৰিমিয়াম দিব লাগে আৰু প্ৰিমিয়ামৰ বাকী অংশ চৰকাৰে বহন কৰে। শালিধানৰ শস্যৰ ক্ষয়-ক্ষতিৰ বাবে কৃষকসকলে প্ৰতি হেক্টৰ শস্যত সৰ্বোচ্চ ৬৭,৯২০ টকালৈকে ক্ষতিপূৰণ লাভ কৰিব পাৰে। শালিধানৰ বাবে আবেদন জনোৱাৰ অন্তিম তাৰিখ হৈছে ৩১ জুলাই আৰু মাটিমাহৰ বাবে অন্তিম তাৰিখ হৈছে ১০ ছেপ্টেম্বৰ। নগাঁও জিলাৰ বাবে শস্য বীমাকাৰী প্ৰতিষ্ঠানটো হৈছে 'ফিউচাৰ জেনেৰেলী ইণ্ডিয়া ইন্সুৰেন্স কোম্পানী'। নগাঁও জিলাৰ কৃষি বিষয়া হাজৰিকাই জিলাখনৰ কৃষকসকলক 'প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা'ৰ জৰিয়তে শালিধান আৰু মাটিমাহৰ খেতিডৰা বীমা কৰি ক্ষতিৰ পৰা শংকামুক্ত হ'বলৈ অনুৰোধ জনাইছে। কৃষকসকলে বীমাৰ আবেদন কৰিবৰ বাবে জিতুচ সোম (দূৰভাষ ঃ ৮৬৩৮০১৮১৬ /৮৪৫৩৮৮৯৬১১, প্ৰজেক্ট মেনেজাৰ 'ফিউচাৰ জেনেৰেলী ইণ্ডিয়া ইন্সুৰেন্স কোম্পানী' আৰু পৰাগ তামুলি ৭০০২৩৩৩১০৭, জিলা সমন্বয়ক, এগ্ৰি বুক কোম্পানীৰ লগত যোগাযোগ কৰিবলৈ জিলা কৃষি বিষয়া হাজৰিকাই আহ্বান জনাইছে।

## গোসাঁইগাঁৱত শ্ৰীশ্ৰী জগন্নাথ মহাপ্ৰভুৰ ৰথযাত্ৰা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ৩ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে কালি গোসাঁইগাঁও চহৰতো শ্ৰীশ্ৰী জগন্নাথ দেৱৰ ৰথযাত্ৰা উলহ-মালহ তথা ভক্তিভাৱেৰে উদ্‌যাপন কৰা হয়। গোসাঁইগাঁও দীনবন্ধু আশ্ৰমৰ উদ্যোগত তথা স্থানীয় বিভিন্ন দল-সংগঠনৰ সহযোগত আয়োজিত শ্ৰীশ্ৰীজগন্নাথ দেৱৰ ৰথযাত্ৰাৰ কাৰ্যসূচী বিয়লি চাৰি বজাৰ পৰা আৰম্ভ হয়। গোসাঁইগাঁও বাৰোৱাৰী নাট মন্দিৰৰ বাকৰিৰ পৰা উলিওৱা ধৰ্মীয় শোভাযাত্ৰা গোসাঁইগাঁও চহৰৰ বিভিন্ন পথ পৰিভ্ৰমণ কৰে। শ শ ৰাইজে শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ লগত সুভদ্ৰা বলোভদ্ৰক লৈ অনা ৰথখন লৈ নগৰ পৰিভ্ৰমণ কৰাৰ অন্তত পুনৰ একে স্থানত আহি উপনীত হয়। এই উপলক্ষে মন্দিৰ প্ৰাংগণত অনুষ্ঠিত মেলাখনত বহু লোকৰ সমাগম ঘটে।

■ মাইক্ৰ'ফাইনেন্সৰ ধন লাভৰ পৰা বঞ্চিত মহিলা, উচিত তদন্তৰ দাবী

# গোৰেশ্বৰত ইউকো বেংকৰ পৰা হেৰাল মাইক্ৰ'ফাইনেন্সৰ চেক

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ৩ জুলাই ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰত ইউকো বেংকৰ এটা শাখাৰ পৰা চেক হেৰুওৱাৰ দৰে নাভূত-নাশ্ৰুত কাণ্ড সংঘটিত হৈছে। গোৰেশ্বৰ ইউকো বেংকৰ অন্তৰ্গত হাজলপাৰা শাখাত সংঘটিত হৈছে এই ঘটনা। মহিলা সকলে লাভ কৰা মাইক্ৰ'ফাইনেন্সৰ চেক হেৰুওৱাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সম্পৰ্কে যোৱা ৩০ জুনত গোৰেশ্বৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদক ক্ৰমে বিষ্ণুজ্যোতি শৰণীয়া আৰু কৃষাণু ডেকা স্বাক্ষৰিত এখন স্মাৰকপত্ৰ গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়াক প্ৰদান কৰে। গোৰেশ্বৰ আঞ্চলিক ছাত্ৰ সন্থাই স্মাৰক পত্ৰক কয় যে- বৰ্তমান অসম চৰকাৰে মহিলাসকলক সন্মান জনাই ৰাজ্যখনৰ সকলো মহিলাক মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই দিছিল। সেই মৰ্মে ডিচেম্বৰ ২০২১ত চৰকাৰে মহিলাসকলক চেক প্ৰদান কৰিছিল। এই আঁচনিৰ জৰিয়তে গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বেতনা হাজলপাৰা গাঁৱৰ মহিলাসকলে চেক লাভ কৰিবলৈ সক্ষম হয়। উক্ত চেকসমূহ মহিলাসকলে হাজলপাৰাস্থিত ইউকো বেংকত জমা কৰে। কিন্তু মহিলাসকলে বেংকত চেকসমূহ জমা দিয়াৰ পাছত তিনিমাহ পৰ্যন্ত চেকসমূহৰ টকা নিজ নিজ একাউন্টত নোসোমোৱাত চিন্তিত হৈ পৰে। ইপিনে এই বিষয়টো মহিলাসকলে বেংকলৈ গৈ বেংক কৰ্তৃপক্ষৰ পৰা জানিব বিচৰাত মহিলাসকলক উক্ত চেকসমূহ হেৰুওৱা বুলি জানিব দিয়ে বেংক কৰ্তৃপক্ষই। এই নাভূত-নাশ্ৰুত কাণ্ডৰ পাছত গোৰেশ্বৰ আঞ্চলিক ছাত্ৰ-সন্থাৰ এটা প্ৰতিনিধি দলে বেংকলৈ গৈ বিষয়টো সন্দৰ্ভত কথা পাতে। বেংকটো শাখা প্ৰবন্ধক পাৰ্থপ্ৰতিম শইকীয়াই চেকসমূহ হেৰাই যোৱা বুলি আছুৰ প্ৰতিনিধি দলটোক অৱগত কৰে। অৱশ্যে এই বৰ্ষৰে ৩০ মাৰ্চত উক্ত হেৰাই যোৱা চেকৰ ধনৰাশি মহিলাসকলক তিনিমাহৰ ভিতৰত প্ৰদান কৰা হ'ব বুলি আশ্বাস দিয়ে। কিন্তু বৰ্তমান তিনি মাহ উকলি যোৱৰ পাছতো চেকসমূহৰ ধন মহিলাসকলে লাভ নকৰিলে। বৰ্তমান বেংক কৰ্তৃপক্ষই এই সম্পৰ্কে কোনো সদুত্তৰ দিবলৈ সক্ষম হোৱা নাই। এটা বেংকৰ শাখাৰ পৰা কেনেকৈ চেক হেৰাবলৈ পালে তাৰ এটা উচিত তদন্ত কৰি মহিলাসকলক চেকৰ ধনৰাশি পোৱাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে গোৰেশ্বৰ আঞ্চলিক ছাত্ৰ সন্থাই।



*বিহালীত উলিওৱা ৰথযাত্ৰাৰ দৃশ্য।*

## ভাৰত-বাংলাদেশ সীমান্ত ৰামৰাইকুঠী সত্ৰত ৰথ যাত্ৰা

অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ৩ জুলাই ঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ আৰু বাংলাদেশ সীমান্তৰ সত্ৰশালৰ ৰামৰাইকুঠী সত্ৰত অনুষ্ঠিত হৈছে ৰথ যাত্ৰা। শংকৰদেৱে নিজেই স্থাপন কৰে সত্ৰখন। এই সত্ৰতে গুৰুজনাৰ উপস্থিতিত আই ভূৱনেশ্বৰী আৰু নৰনাৰায়ণৰ ভ্ৰাতৃ চিলাৰায়ৰ বিয়া হৈছিল। পাছত মহাৰাজা নৰনাৰায়ণে ৰথখন সত্ৰত দান কৰে। ৰথখন সম্পূৰ্ণ পিতলৰে নিৰ্মিত। অজানা দিনৰ পৰা সত্ৰখনত ৰথযাত্ৰা পালিত হৈ আহিছে। পিতলৰ ৰথখন পুৰণি হোৱাত এইবাৰ কাঠেৰে নিৰ্মিত ৰথখন উলিওৱা হয়। ভক্তপ্ৰাণ ৰাইজে ৰথখন টানি নামঘৰৰ চাৰিওফালে সাতপাক ঘূৰাই ঘুনুচাবাড়ী সত্ৰলৈ নিয়া হয়। অসম পশ্চিমবংগৰ বিভিন্ন প্ৰান্তৰ পৰা বহু লোকৰ ভিৰ হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এক অনবদ্য অৱদান হৈছে সত্ৰ আৰু নামঘৰ। অসমৰ বৈষ্ণৱ ধৰ্মৰ মূল কেন্দ্ৰবিন্দু সত্ৰানুষ্ঠানৰ জৰিয়তে অসমীয়া সমাজক নৈতিক আৰু শুদ্ধভাৱে এক কৰাৰ প্ৰচেষ্টা চলাইছিল। ভাৰত-বাংলাদেশ সীমান্ত তথা ধুবুৰী চহৰৰ ৪০ কিলোমিটাৰ দূৰত্বত অৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰী ধাম ৰামৰাইকুঠী সত্ৰ।

## ঘগ্ৰাপাৰৰ সঠামৌত মণ্ডল বিজেপিৰ উদ্যোগত বানাক্ৰান্তক সাহায্য প্ৰদান

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৩ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত সঠামৌ গাঁৱৰ শতাধিক বানাক্ৰান্তৰ মাজত আজি বড়োগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাৰ উদ্যোগত বান সাহায্য বিতৰণ কৰা হয়। পুৰা স্থানীয় শিৱ মন্দিৰ প্ৰাংগণত গাঁওখনৰ প্ৰায় শতাধিক দুখীয়া বানাক্ৰান্তৰ মাজত বান সাহায্য বিতৰণ কৰা হয়। প্ৰায় শতাধিক বানাক্ৰান্ত পৰিয়ালক আজি দলটোৱে চাউল, মিঠাতেল, দাইল আদি নিত্যব্যৱহাৰ্য সামগ্ৰী সাহায্য হিচাপে আগবঢ়ায়। ইয়াৰ উপৰি গাঁওখনৰ পশুপালকসকলৰ মাজত পশুখাদ্য বিতৰণ কৰে। এই সাহায্য বিতৰণত মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাক সংগ দিয়ে বিজেপিৰ যুৱ নেতা তপন কলিতা, জয়ন্ত তালুকদাৰ, খঞ্জন তালুকদাৰ, মিণ্টু বৈশ্য, বুথ বিজেপিৰ সভাপতি চক্ৰেশ্বৰ তালুকদাৰ প্ৰমুখ্যে ভালেসংখ্যক দলীয় কাৰ্যকৰ্তাই।

## দেৰগাঁৱত এছবিআইৰ প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ৩ জুলাই ঃ** ভাৰতীয় ষ্টেট বেংকৰ প্ৰতিষ্ঠা দিৱস যোৱা এক জুলাইত দেৰগাঁও শাখায়ো উলহ-মালহেৰে পালন কৰে। এই উপলক্ষে দেৰগাঁও ষ্টেটবেংক শাখাটো আটকধুনীয়াকৈ সজাই তুলি বিয়লি এখন সভা অনুষ্ঠিত হয়। দেৰগাঁও শাখাৰ মুখ্য প্ৰৱন্ধক অভিশেষ গৌৰৱে আদৰণি ভাষণ দিয়া সভাত অসম আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱাশীষ শৰ্মা, বিটিচিৰ অধিনায়ক জয়শ্ৰী খেচৰা, একাদশ আৰক্ষী বাহিনীৰ অধিনায়ক কল্যাণ ফুকন, দেৰগাঁৱৰ চক্ৰ বিষয়া চিৰঞ্জীৱ দাস, দেৰগাঁৱৰ পৌৰপতি ৰূপাঞ্জলি বৰা, দেৰগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চিদানন্দ পাঠক, বেংকৰ গ্ৰাহক, সমাজকৰ্মী বিচিত্ৰ ভূষণ কলিতা, বিপিন হাজৰিকা, উৎপল ঠাকুৰ, ব্যৱসায়ী সন্থাৰ সম্পাদক প্ৰদীপ কাব্ৰা, দেৰগাঁও সাংবাদিক সংস্থাৰ সম্পাদক ইন্দুভূষণ মহন্ত, সাংবাদিক জগত সোণোৱাল আৰু বিজয় হাজৰিকা, সমাজকৰ্মী কাজিম উল্লা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত শিল্পী আমান আহমেদে এটি সুন্দৰ গীত পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে। ষ্টেটবেংকৰ আঞ্চলিক প্ৰৱন্ধকগৰাকীয়ে অতিথিসকলক সম্বোধন কৰি ভাষণ দিয়া সভাত বেংকৰ কে'বাগৰাকীয়ো গ্ৰাহক আৰু অতিথিসকলক উপহাৰৰ টোপোলাসহ সম্বৰ্ধনা জনোৱা হয়।

## মৰিগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৩ জুলাই ঃ** 'মৰিগাঁও জিলাৰ উচ্চ শিক্ষাৰ পীঠস্থান হিচাপে পৰিচিত মৰিগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। এটা চক্ৰই মৰিগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাটো সম্পূৰ্ণ বিৰোধ কৰাৰ পাছতো বহুকেইজন ব্যক্তিৰ অশেষ ত্যাগৰ বিনিময়ত মৰিগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিব পৰাটো মৰিগাঁওবাসীৰ বাবে অতিকৈ উল্লেখনীয় দিশ আছিল।' এই মন্তব্য মৰিগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন্দ্ৰ নাথ কেওটৰ। মৰিগাঁও মহাবিদ্যালয়ৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি মৰিগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন্দ্ৰ নাথ কেওটে মৰিগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত দেৱেন্দ্ৰ নাথ হাজৰিকা, সুচেন ডেকাকে আদি কৰি বহুকেইজন ব্যক্তিৰ অশেষ ত্যাগ-শ্ৰম নিয়োজিত হৈ থকা বুলি উল্লেখ কৰি প্ৰতিষ্ঠাপক অধ্যক্ষ গুৰুচৰণ মেধিয়ে যি অনবদ্য বৰঙণি আগবঢ়াই থৈ গ'ল সেয়া মৰিগাঁওবাসীয়ে সদায় স্মৰণ কৰি থাকিব বুলি উল্লেখ কৰে। তদুপৰি মৰিগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত জিলাখনৰ মৌজাদাৰসকলে যি সেৱা আৰু সহযোগিতা আগবঢ়াই থৈ গ'ল সেইসকলকো মহাবিদ্যালয়খনে স্মৰণ কৰিব লাগে বুলি মন্তব্য কৰে। মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰৰ পৌৰোহিত্যত অনুষ্ঠিত 'মৰিগাঁও মহাবিদ্যালয়ৰ বৰ্তমান আৰু ভৱিষ্যৎ চিন্তন' শীৰ্ষক আলোচনাচক্ৰত মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বাণী বৰুৱা, অধ্যাপক গণেশ চন্দ্ৰ মেধি, প্ৰাক্তন ছাত্ৰ তথা সাংবাদিক ডালিম ফুকন, অৱসৰপ্ৰাপ্ত প্ৰবক্তা তথা তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য চিদাম দেউৰী, প্ৰবন্ধকাৰ, সমালোচক মিলেশ্বৰ পাটৰকে আদি কৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে বক্তব্য আগবঢ়োৱা সভাখনত মহাবিদ্যালয়খনৰ উপাধ্যক্ষা হেমলতা শৰ্মা, অধ্যাপিকা দীপালী তালুকদাৰকে আদি কৰি অধ্যাপক, অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু দল-সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে আলোচনাচক্ৰখনৰ পূৰ্বে পুৱা পতাকা উত্তোলনৰে কাৰ্যসূচী আৰম্ভ কৰে মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লীলাকান্ত বৰঠাকুৰে। ইয়াৰ পাছতেই মহাবিদ্যালয়ৰ সংগীত পৰিৱেশন, প্ৰতিষ্ঠাকালৰ গুৰি ধৰোতা হৃদয়বান ব্যক্তিসকলৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰাৰ লগতে সন্ধিয়া বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ সামৰণি পৰে।

## শিক্ষকৰ ৰূপত শুৱালকুছি আৰক্ষী থানাৰ উপ-পৰিদৰ্শক

অগ্ৰদূত বাৰ্তা

**হাজো, ৩ জুলাই ঃ** কামৰূপ জিলাৰ বামুন্দীত, পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বামুন্দী শাখা ছাত্ৰ সন্থাৰ সহযোগত বামুন্দী হাইস্কুলত চলি থকা 'গ্ৰীষ্মকালীন পাঠদানত' অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উৎসাহেৰে পাঠদান কৰি থকা হৈছে। আজি গ্ৰীষ্মকালীন পাঠদান কাৰ্যসূচীত উপস্থিত থাকে এসময়ৰ কটন কলেজৰ মেধাৱী ছাত্ৰ, বৰ্তমান অসম আৰক্ষীৰ এজন সুদক্ষ বিষয়া, তথা শুৱালকুছি আৰক্ষী থানাৰ উপ-পৰিদৰ্শক পংকজ দাস। বিষয়াজনে উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগোৱাৰ উদ্দেশ্যে শ্ৰেণী কোঠাত গৈ পাঠদান কৰে। পাঠদান কাৰ্যসূচীত উপস্থিত হোৱাৰ পাছত আৰক্ষী বিষয়াজনে ছাত্ৰ সন্থাৰ এনে পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰি ইয়াৰ জৰিয়তেই ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব বুলি উল্লেখ কৰে।

## জনীয়াত বান সাহায্য বিতৰণ

অগ্ৰদূত বাৰ্তা

**কলগাছিয়া, ৩ জুলাই ঃ** অসম ৰাজ্যিক জমিয়তৰ সভাপতি মৌলানা মুস্তাক আনফৰ আলীৰ সাহায্যত মুফতি আছাদুল ইছলামৰ নেতৃত্বত আৰু জনীয়া বজাৰ জামে মছজিদৰ ইমাম মৌলানা মহম্মদ আয়নুল হকে আজি অৰ্ধ শতাধিক বন্যাৰ্তৰ মাজত চাউল, দাইল, আলু, পিঁয়াজ, নিমখ, চাবোন আৰু বিস্কুট বিতৰণ কৰে। প্ৰসংগ ক্ৰমে নপুৰ শৰ্মাৰ সমৰ্থনত ৰাজস্থানৰ উদয়পুৰৰ কানাইয়ালালে সামাজিক মাধ্যমত প'ষ্ট দিয়াৰ কাৰণে কানহয়ালালক হত্যা কৰা কাৰ্যক তীব্ৰ ভাষাৰে নিন্দা কৰে। নপুৰ শৰ্মাৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায়দানক আদৰণি জনোৱাৰ লগতে অসমৰ সকলো জাতি-জনগোষ্ঠী, ধৰ্ম, ভাষা ভাষিক ভ্ৰাতৃত্ববোধ বজাই ৰাখি মিলা-প্ৰীতিৰে থাকিবলৈ আহ্বান জনায় ইমাম মহম্মদ আয়নুল হকে।

## শুৱালকুছি শাখা লেখিকা সংস্থাৰ বাৰ্ষিক অধিৱেশন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৩ জুলাই ঃ** সদৌ অসম লেখিকা সংস্থাৰ অন্যতম শুৱালকুছি শাখা লেখিকা সংস্থাৰ দ্বিবাৰ্ষিক অধিৱেশনৰ আয়োজন কৰিছে। ন আৰু ১০ জুলাইত আয়োজন কৰা অধিৱেশনৰ কাৰ্যসূচী অনুসৰি পহিলা দিনা বিয়লি সংস্থাৰ বিষয় বাছনি সভা। ১০ জুলাইৰ পুৱা সংস্থাৰ পতাকা উত্তোলন কৰিব শাখাৰ সভানেত্ৰী কুমাৰী কামদা বৈশ্যই। বন্তি প্ৰজ্বলন কৰিব উপ-সভানেত্ৰী নিলীমা দাসে। স্মৃতি তৰ্পণ কৰিব কাৰ্যকৰী সভানেত্ৰী মধুস্মিতা বৈশ্যই। বিয়লি মুকলি সভা, স্মৃতিগ্ৰন্থ-কাব্যগ্ৰন্থ উন্মোচন আৰু বাৰেৰহণীয়া অনুষ্ঠান। সদৌ অসম লেখিকা সংস্থাৰ প্ৰাক্তন সভানেত্ৰী মঞ্জুলা শৰ্মা ভট্টাচাৰ্যই উদ্বোধন কৰিব লগা মুকলি সভা সঞ্চালনা কৰিব শাখাৰ সভানেত্ৰী কুমাৰী কামদা বৈশ্যই। লেখিকা সংস্থাৰ সভানেত্ৰী মৃদুলা শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব লগা মুকলি সভাতে অধিৱেশন উপলক্ষে প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থ 'অপৰাজিতা' উন্মোচন কৰিব অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱীয়ে। মুকলি সভাত বিশিষ্ট অতিথিদ্বয় ক্ৰমে লেখিকা সংস্থাৰ উপসভানেত্ৰী হেমপ্ৰভা তাচা আৰু প্ৰধান সম্পাদিকা বিজয়া দেৱ দাস। শুৱালকুছি শ্ৰীশ্ৰীদামোদৰীয়া সমাজৰ দুৰ্গা মণ্ডপত হ'ব লগা উক্ত অনুষ্ঠানতে মল্লিকা বৰদলৈৰ কাব্যগ্ৰন্থ 'নীৰৱ নিশাৰ তৰা' উন্মোচন কৰিব আৰোহণ ফাউণ্ডেচনৰ সঞ্চালিকা ড° সীমা বৰাই। অধিৱেশনৰ বিস্তৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি বিচাৰিছে শাখাৰ হৈ সম্পাদিকা জ্যোৎস্না দাস আৰু যুটীয়া সম্পাদিকা মিনাক্ষী দাস বৰুৱাই।



*আজাৰাত বন মহোৎসৱত উদ্‌যাপন।*

## যমুনামুখৰ পূব বান্দৰমেলাত 'হৰ খেত কো পানী' পৰ্যায়ৰ আঁচনিৰ উদ্বোধন

অগ্ৰদূতবাৰ্তা

**যমনামুখ, ৩ জুলাই ঃ** যমুনামুখ সমষ্টিৰ অন্তৰ্গত পূব বান্দৰমেলাত প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা 'হৰ খেতি কো পানী', পৰ্যায়ৰ আঁচনিখনৰ কালি উদ্বোধন কৰে যমুনামুখৰ বিধায়ক ছিৰাজুদ্দিন আজমলে। উল্লেখ্য যে অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ উদ্যোগত কৃষক ৰাইজক পানী যোগান ধৰাৰ বাবে জলসিঞ্চন বিভাগৰ অধীনত যমুনামুখ সমষ্টিৰ অন্তৰ্গত পূব বান্দৰমেলাৰ চাৰিওত প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা 'হৰ খেত কো পানী', পৰ্যায়ৰ আঁচনিখনৰ শুভ উদ্বোধন কৰি কৃষক ৰাইজৰ কাৰণে উছৰ্গা কৰে বিধায়ক ছিৰাজুদ্দিনে । এই উপলক্ষে বান্দৰমেলাত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয় । সভাত মুখ্য অতিথিৰূপে যমুনামুখৰ বিধায়ক ছিৰাজুদ্দিনে ফিটা কাটি আঁচনিখন শুভ উদ্বোধন কৰে। আঁচনিখন মুকলি কৰি বিধায়ক আজমলে কয় যে প্ৰধানমন্ত্ৰী জল জীৱন আঁচনিৰ যোগেদি সমষ্টিৰ কৃষক ৰাইজ পূৰ্বতকৈ বহুবেছি পৰিমাণে উপকৃত হ'ব পাৰিব। চৰকাৰৰ এই আঁচনি আৰম্ভ কৰাৰ পাছত অঞ্চলটোৰ কৃষক ৰাইজ উৎফুল্লিত হৈ পৰে।

এই আঁচনিৰ জৰিয়তে অনাগত সময়ত কৃষক ৰাইজক পানী যোগান ধৰাৰ উদ্দেশ্যে এনেদৰে সমষ্টিৰ পৃথক স্থানত আৰু ৫০টা মেচিন খেতিয়ক ৰাইজৰ কাৰণে উছৰ্গা কৰা হ'ব আৰু ৰাইজ নিশ্চিতভাৱে উপকৃত হ'ব বুলি বিধায়ক আজমলে মন্তব্য কৰে। যমুনামুখ বিধানসভা সমষ্টিত ৰূপায়ণ কৰা প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা হৰ খেত কো পানী,পৰ্যায়ৰ আঁচনিখনৰ উদ্বোধনী অনুষ্ঠানত বিধায়ক ছিৰাজুদ্দিন আজমলৰ লগতে হোজাই জলসিঞ্চন চক্ৰৰ অধীক্ষক অভিযন্তা জ্যোতি প্ৰসাদ খাটনিয়াৰ, যমুনামুখ, হোজাই, লামডিঙৰ জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তা উজ্জ্বল বৰগোহাঁই, যমুনামুখ উপ-সংমণ্ডলৰ জলসিঞ্চন বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা অমৰেন্দ্ৰ তালুকদাৰ, হোজাইৰ সহকাৰী অভিযন্তা ৰমেশ ঠাকুৰসহ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে। উক্ত সভাত স্থানীয় চৰকাৰী গাঁওবুঢ়া, পঞ্চায়ত প্ৰতিনিধিৰ লগতে কে'বা শতাধিক ৰাইজ উপস্থিত থাকে।

# তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ নৱনিৰ্মিত মূল তোৰণ উন্মোচন

■ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সোঁৱৰণী সদৌ অসমভিত্তিক একাংক নাট প্ৰতিযোগিতা আৰম্ভ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৩ জুলাই ঃ** তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰক আগন্তুক দুটা বছৰৰ ভিতৰত অধিক বিজ্ঞানসন্মতভাৱে অত্যাধুনিক ৰূপত গঢ়ি তোলা হ'ব বুলি কালি বিয়লি বাণ থিয়েটাৰত মন্তব্য কৰে শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই। উল্লেখ্য যে, বাণ থিয়েটাৰৰ প্ৰয়াত অতনু বৰুৱা সোঁৱৰণী নৱনিৰ্মিত মূল তোৰণখন এক মাংগনিক পৰিৱেশত উন্মোচন কৰে শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই। আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সোঁৱৰণী সদৌ অসমভিত্তিক একাংক নাট প্ৰতিযোগিতাৰ পূৰ্বে আয়তীৰ মংগল উৰুলি, দবা বাদনৰ মাজত আকৰ্ষণীয়কৈ নিৰ্মাণ কৰা মূল তোৰণখন ফিটা কাটি উন্মোচন কৰাৰ পাছত অনুষ্ঠিত বিশেষ উন্মোচনী অনুষ্ঠানত উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই সংস্কৃতি নগৰী হিচাপে পৰিগণিত তেজপুৰৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ বাণ থিয়েটাৰৰ এক বিশেষ ইতিহাস আছে বুলি মন্তব্য কৰি এই ইতিহাসক যাউতীযুগীয়া কৰিবলৈ বাণ থিয়েটাৰক অধিক বিজ্ঞানসন্মতভাৱে গঢ়ি তোলাৰ বাবে ইতিমধ্যে অসম চৰকাৰে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে আৰু তেনে তৎপৰতাৰ বাবেই আগন্তুক দুটা বছৰৰ ভিতৰত ইয়াক জাকত জিলিকা কৰি গঢ়ি তুলিবলৈ নিজাববীয়াকৈ প্ৰচেষ্টা হাতত ল'ব বুলি মন্তব্য কৰে। বাণ থিয়েটাৰৰ কাৰ্যনিৰ্বাহক সদস্য পংকজ বৰুৱাই আঁত ধৰা এই উন্মোচনী অনুষ্ঠানতে তোৰণখনৰ দাঁতা খগেন বৰুৱা আৰু ইন্দ্ৰেশ্বৰী দেৱীক বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰীয়ে একোখনকৈ গামোচাৰে সন্মান জনায়। উল্লেখ্য যে, বাণ থিয়েটাৰৰ অতি নিষ্ঠাবান সদস্য খগেন বৰুৱাৰ পুত্ৰ অতনু বৰুৱা ২০১৪ত এক পথ দুৰ্ঘটনাত অকাল মৃত্যুক সাৱটি লৈছিল। উন্মোচনী অনুষ্ঠানত অতনুৰ মাতৃ ইন্দ্ৰেশ্বৰী দেৱীয়ে পুত্ৰৰ স্মৃতি ৰোমন্থন কৰি এই স্মৃতি যাউতিযুগীয়া কৰিবলৈকে বাণ থিয়েটাৰৰ দৰে অনুষ্ঠানৰ মূল তোৰণখন নিৰ্মাণ কৰা হয় বুলি কৈ এই তোৰণখন নিৰ্মাণৰ বাবে প্ৰয়াত বিধায়ক ৰাজেন বৰঠাকুৰে উদ্বুদ্ধ কৰিছিল বুলি কৈ এক আবেগিক পৰিৱেশৰ সৃষ্টি কৰে। ইয়াৰ পাছতেই দুদিনীয়াকৈ অনুষ্ঠিত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সোঁৱৰণী সদৌ অসমভিত্তিক একাংশ নাট প্ৰতিযোগিতা উদ্বোধন কৰে প্ৰবীণ মঞ্চ আৰু চলচ্চিত্ৰ অভিনেত্ৰী বুলু বৰাই। বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মা, উপ-সভাপতি ভৱানন্দ দাস, দিলীপ বৰা, সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰী, সাধাৰণ পৰিচালক ভূপেন শৰ্মাৰ উপস্থিতিত বৰ্ষীয়ান অভিনেত্ৰী বুলু বৰাই নিজৰ অভিনয় জীৱনৰ স্মৃতি ৰোমন্থন কৰি বাণ থিয়েটাৰত অভিনয় কৰা বহু দিশ, নটসূৰ্য, কলাগুৰুৰ সান্নিধ্যৰ স্মৃতি সদৰী কৰি 'শকুনিৰ প্ৰতিৰোধ' আৰু 'লালুকসোলা' নাটকৰ সংলাপ আওৰাই বাণ থিয়েটাৰৰ প্ৰেক্ষাগৃহ জীপাল কৰি তোলে। উদ্বোধনী অনুষ্ঠানৰ মাজতে সদৌ অসমভিত্তিক একাংশ নাট প্ৰতিযোগিতাৰ তিনি বিচাৰক ক্ৰমে বিশিষ্ট অভিনেতা-পৰিচালক মৃদুল চুতীয়া, বিশিষ্ট চলচ্চিত্ৰ পৰিচালক কৃপাল কলিতা আৰু প্ৰগতিশীল নাট্যশিল্পী অমৃত বৰগোহাঁইক বাণ থিয়েটাৰৰ পৰিয়ালৰ তৰফৰ পৰা একোখনকৈ গামোচাৰে সন্মান জনোৱা হয়। উল্লেখ্য যে প্ৰথম দিনটোত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ১১টা নাট্য দলে নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

## কোকৰাঝাৰ পৰিদৰ্শন উত্তৰ পূৰ্বাঞ্চলৰ এডিজি মেজৰ জে ভাস্কৰ কলিতাৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৩ জুলাই ঃ** উত্তৰ পূৰ্বাঞ্চলৰ নেচনেল কেডেট কৰ্পছ (এনচিচি)ৰ অতিৰিক্ত সঞ্চালক প্ৰধান মেজৰ জেনেৰেল ভাস্কৰ কলিতাই কালি কোকৰাঝাৰ জিলা পৰিদৰ্শন কৰি জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাৰ লগত জিলাখনৰ বিভিন্ন দিশৰ ওপৰত আলোচনা কৰে। অতিৰিক্ত সঞ্চালক প্ৰধান মেজৰ জেনেৰেল ভাস্কৰ কলিতাক সংগ দিয়ে ধুবুৰী নেচনেল কেডেট কৰ্পছ (এনচিচি)ৰ কমাণ্ডেন কৰ্ণেল নীৰাজ ত্ৰিবেদীয়ে। আলোচনাৰ অন্তত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা এক সংবাদমেলত ভাৰতীয় সেনাৰ শীৰ্ষ বিষয়া কলিতাই জনায় যে কোকৰাঝাৰ জিলাৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ত বৰ্তমান চাৰিশৰ অধিক নেচনেল কেডেট কৰ্পছ (এনচিচি)ৰ কেডাৰ আছে। কিন্তু অলপতে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগত আলোচনা হোৱা অনুসৰি তেওঁলোকৰ ফালৰ পৰা খালী হৈ থকা স্থান পূৰণ কৰাৰ উদ্দেশ্যে কোকৰাঝাৰ জিলাত শিবিৰ পাতি এশজন কেডাৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰচেষ্টা কৰিব। লগতে কেন্দ্ৰীয় চৰকাৰৰ নতুন আঁচনি অগ্নিপথ সম্পৰ্কে ধনাত্মক দিশসমূহ জনাই তেওঁ কয় যে এই আঁচনি কাৰ্যকৰী হ'লে সেনাৰ গড় বয়স ৩২ৰ পৰা ২৬ লৈ কমি আহিব আৰু সেইটো বহুত কাৰণত যুৱক-যুৱতীসকলৰ বাবে সুবিধাজনক হ'ব। কাৰণ যিসকল যুৱক-যুৱতীয়ে চাকৰিৰ পৰা ঘূৰি আহিব তেওঁলোকে চৰকাৰী খণ্ড যেনে সশস্ত্ৰ সীমা বল, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আদিত নিয়োগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পাব। কিন্তু অসমৰ যুৱক-যুৱতীসকলৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰীয়ে নিশ্চিতকৰণ দিছে যে অগ্নিপথৰ পৰা ঘূৰি অহা যুৱক-যুৱতীয়ে অসম আৰক্ষীত নিযুক্তি পাব। গতিকে কেন্দ্ৰীয় চৰকাৰৰ নতুন অগ্নিপথ আঁচনিক সকলোকে সমৰ্থন জনাবলৈ ভাৰতীয় সেনাৰ শীৰ্ষ বিষয়াজনে আহ্বান জনায়।

## বিশ্বনাথৰ পাভৈ বৰনামঘৰত শৰণ কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে একশৰণ হৰি নাম ধৰ্মৰ জৰিয়তে এক আধ্যাত্মিক আন্দোলনৰ গুৰি ধৰি এখন নিকা সমাজ গঠন কৰিছিল। য'ত শিক্ষা দিয়া হৈছিল জীৱনৰ প্ৰমূল্যবোধৰ। যাৰ বাবে গুৰুজনাই শ্ৰীমন্ত শংকৰৱদেৱে শৰণৰ ব্যৱস্থা কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এই নীতিকে সাৰোগত কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘ পাভৈ আঞ্চলিক শাখাৰ দ্বাৰা পাভৈ বৰনামঘৰত কালি শৰণ কাৰ্যসূচী আয়োজন কৰা হয়। শৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ, সংঘৰ পদাধিকাৰ কামলাকান্ত গগৈৰ উপস্থিতিত প্ৰায় ডেৰ শতাধিক লোকে শৰণ গ্ৰহণ কৰা অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পাভৈ আঞ্চলিক শাখাৰ ১০খন প্ৰাথমিকে অংশগ্ৰহণ কৰে। আনহাতে, যুৱ প্ৰজন্মই বৰ্তমান ড্ৰাগছ জাতীয় সামগ্ৰীৰ প্ৰতি আকৰ্ষিত হৈ অহাৰ সন্দৰ্ভত পদাধিকাৰজনে কয় যে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সমগ্ৰ ভাৰতবৰ্ষত মুঠ ১৪ লাখ সেৱা বাহিনী আছে, এই সেৱা বাহিনীৰ যুৱক-যুৱতীসকলে আজি পৰ্যন্ত কোনো দিনে মুখত এই নিচা জাতীয় সামগ্ৰী মুখত দিয়া নাই। প্ৰয়োজন হ'লে আনৰ জীৱন দান কৰাৰ বাবে ৰক্ত দান কৰিছে। সেয়ে পদাধিকাৰজনে ল'ৰা-ছোৱালীক আহ্বান জনায় যে তেওঁলোকক সৰুৰ পৰাই শংকৰদেৱ জড়িত কৰাব লাগে বুলি।

### শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈৰ অংশগ্ৰহণ

## তিনিদিনীয়া অপেক্ষাৰ অন্তত পুনৰ আৰম্ভ হ'ল মাজুলীৰ ফেৰী সেৱা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৩ জুলাই ঃ** প্ৰতিকূল বতৰ আৰু ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে যাত্ৰীসকলৰ নিৰাপত্তাৰ কথা চিন্তা কৰি তিনিদিন ধৰি মাজুলীৰ ফেৰী সেৱা বন্ধ ৰাখিছিল মাজুলী জিলা প্ৰশাসনে। কালি পুৱাৰ পৰা বতৰ ফৰকাল আৰু ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ যথেষ্ট হ্ৰাস পোৱাৰ বাবে পুনৰ ফেৰী সেৱা আৰম্ভ হ'ল মাজুলী আৰু নিমাতীৰ মাজত। আজি পুৱাৰে পৰা অফলামুখ আৰু কমলাবাৰী ফেৰীঘাটত যাত্ৰীৰ যথেষ্ট ভিৰ দেখিবলৈ পোৱা গৈছিল। অৱশ্যে আজিৰ দিনটোত চাৰিচকীয়া বাহন পাৰাপাৰ কৰিবলৈ অস্বীকাৰ কৰে কৰ্মচাৰীসকলে। কাৰণ বানত ক্ষতিগ্ৰস্ত দুয়োপাৰৰ ৰেম্পবিলাক এতিয়াও যাতায়াতৰ বাবে সুচল হৈ থকা নাছিল। দুয়োপাৰৰ ৰেম্পসমূহৰ বাবে কে'বাবাৰো ফেৰী সেৱা বাতিল হৈছিল। আজি পাৰাপাৰ হোৱা যাত্ৰীসকলে বাৰিষাৰ বিপদৰ সময়ত তৰিব পৰাকৈ বিজ্ঞানসন্মতভাৱে দুয়ো পাৰে ৰেম্প নিৰ্মাণ কৰিবলৈ আভ্যন্তৰীণ জলপৰিবহণ বিভাগৰ লগতে অসম চৰকাৰক দাবী জনায়। উল্লেখ্য যে ৰেম্পৰ দুৰৱস্থাৰ বাবে আজি চাৰিচকীয়া বাহন পাৰ কৰিব নোৱাৰিলে।

### দুয়োপাৰে বিজ্ঞানসন্মতভাৱে ৰেম্প নিৰ্মাণৰ দাবী যাত্ৰীসকলৰ

## হীৰকজ্যোতি দাস সোঁৱৰণী শিশু নাট কৰ্মশালা-গুৰুজী যোগেশ শৰ্মা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**টিহু, ৩ জুলাই ঃ** টিহুত অসম নাট্য সন্মিলনৰ টিহু শাখাৰ উদ্যোগত অহা ন জুলাইৰ পৰা ২২ জুলাইলৈ নাট্যকৰ্মী হীৰকজ্যোতি দাস সোঁৱৰণী শিশু নাট কৰ্মশালা আৰু ২৩ আৰু ২৪ জুলাইত দুদিনীয়াকৈ গুৰুজী যোগেশ শৰ্মা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে অহা ন জুলাইত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। কাৰ্যসূচী অনুসৰি সিদিনা পুৱা সন্মিলনৰ পতাকা উত্তোলন কৰিব অসম নাট্য সন্মিলনৰ টিহু শাখাৰ সভাপতি ড° সুৰেশ চন্দ্ৰ শৰ্মাই। নাট্যকৰ্মী হীৰকজ্যোতি দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব তেওঁৰ সহধৰ্মিণী ববিতা দাসে আৰু মাল্যাৰ্পণ কৰিব নলবাৰী জিলা নাট্য সন্মিলনৰ সম্পাদক দিগন্ত মিশ্ৰই। শিবিৰ মুকলি কৰিব 'বৰলাকাই' ধাৰাবাহিকৰ ডেকা পুলিচ প্ৰাণজিৎ লোচন শৰ্মাই, নাটৰাজৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক জয়ন্ত হাজৰিকাই। ইয়াৰ পাছত গুৰুজী যোগেশ শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব বিশিষ্ট অভিনেতা সৰ্বেশ্বৰ কলিতাই আৰু মাল্যাৰ্পণ কৰিব আন্তৰ্জাতিক খ্যাতিসম্পন্ন চিত্ৰশিল্পী মহেন্দ্ৰ বৰুৱাই। কৰ্মশালা উদ্বোধন কৰিব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ অধ্যাপক ড° জগদীশ পাটগিৰিয়ে। 'অসম নাট্য আন্দোলনৰ উত্তৰণত যাত্ৰা দলৰ ভূমিকা' শীৰ্ষক গুৰুজী যোগেশ শৰ্মা স্মাৰক বক্তৃতা অনুষ্ঠানত সমল বক্তা হিচাপে অংশগ্ৰহণ কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৱনী ভাগৱতীয়ে।

## ৰাষ্ট্ৰীয় চিকিৎসক দিৱসত চেলেংহাট প্ৰেছ ক্লাবৰ চিকিৎসকক সম্বৰ্ধনা

**চেলেংহাট, ৩ জুলাই ঃ** দেশৰ এজন প্ৰখ্যাত চিকিৎসক তথা পশ্চিমবংগৰ দ্বিতীয় মুখ্যমন্ত্ৰী ড° বিধান চন্দ্ৰ ৰয়ৰ জন্ম আৰু মৃত্যুবাৰ্ষিকীত পহিলা জুলাইত ৰাষ্ট্ৰীয় চিকিৎসক দিৱস পালন কৰা হয়। চিকিৎসক দিৱসৰ লগত সংগতি ৰাখি চেলেংহাট প্ৰেছ ক্লাবে চেলেংহাট উপ-স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসকসকলক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। চেলেংহাট প্ৰেছ ক্লাবৰ সদস্যসকলে উপ-স্বাস্থ্য কেন্দ্ৰত উপস্থিত হৈ ড° সুনীল পাদুন আৰু ড° জাকিৰ কৰ্মকাৰক ৰাষ্ট্ৰীয় চিকিৎসক দিৱসৰ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানৰ আঁত ধৰি চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি মদন মোহন পাগবন্ধাই কয় যে চিকিৎসা ক্ষেত্ৰৰ স'তে জড়িত হৈ সমাজৰ প্ৰতি উৎসৰ্গিত সেৱাৰ বাবে চিকিৎসক সকল সমাজৰ সকলো শ্ৰেণীৰ বাবেই পূজ্য। অনুষ্ঠানত চেলেংহাট প্ৰেছ ক্লাবৰ সদস্যসকলৰ লগতে চেলেংহাট অঞ্চলৰ বিশিষ্ট ব্যক্তি সমীৰণ দত্ত উপস্থিত থাকে।

# দুৰ্নীতিত লুতুৰি-পুতুৰি ইউপিপিএলৰ একাংশ নেতা-কৰ্মী

## প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ নামত ধন সংগ্ৰহৰ অভিযোগ



কমলাবাৰীত অনুষ্ঠিত ঢোলৰ প্ৰশিক্ষণত অংশগ্ৰহণকাৰী একাংশ ছাত্ৰ-ছাত্ৰী, দেওবাৰে।

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ৩ জুলাই ঃ** দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতি ৰাজপাট দখল কৰা ইউ পি পি এলৰ মুৰব্বী তথা বিটিচিৰ প্ৰধান প্ৰমোদ বড়োৰ কাৰ্যকালত একাংশ ভিচিডিচিত চৰম অৰাজকতা আৰু দুৰ্নীতিৰ তথ্য পোহৰলৈ আহিছে। বিটিচি অঞ্চলৰ উন্নয়নৰ কামত কোনোপধ্যেই দুৰ্নীতি সংঘটিত নহয় বুলি সঘনাই ঢাক ঢোল কোবাই থকা প্ৰমোদ বড়োৰ শাসনত একাংশ ভিচিডিচিত দলৰ একাংশ নেতা-ভিচিডিচিৰ সভাপতি দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। দুদিন পূৰ্বে গোসাঁইগাঁও মহকুমাৰ অধীনস্থ তথা কচুগাঁও উন্নয়ন খণ্ডৰ হাউৰীয়াপেট ভিচিডিচিৰ সভাপতিৰ বিৰুদ্ধে দুৰ্নীতিৰ বাতৰি প্ৰকাশ পোৱাৰ পাছত আজি আন এগৰাকী ভিচিডিচিৰ সভাপতিৰ বিৰুদ্ধে ধন লোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইউ পি পি এল দলৰ হৈ গোসাঁইগাঁও মহকুমাৰ আঠাইবাৰী-অমৃতপুৰ ভিচিডিচিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা আব্দুল জলিল খানৰ বিৰুদ্ধে ৰাইজে গুৰুতৰ অভিযোগ তুলিছে। উক্ত ভিচিডিচিৰ অধীনত সাতবিল নম্বৰ দুই গাঁৱত ২৬ টা কৈ পি এম এ ৱাই ঘৰ আবন্টন লাভ কৰে যদিও ইয়াৰে ছটা ঘৰৰ প্ৰথম কিস্তিৰ ৩২,৫০০ টকা হিতাধিকাৰীৰ একাউণ্টত সোমায়। ইয়াৰ পাছৰ পৰাই উক্ত ভিচিডিচিৰ দুৰ্নীতিৰ তথ্য পোহৰলৈ ওলাই আহে। সাতবিল পাৰ্ট দুইৰ নিবাসী বাহাজউদ্দিন সৰকাৰ, আমজাদ আলী, হায়দাৰ আলী সৰকাৰ, মহম্মদ আলী, আজগৰ আলী আৰু নুৰ আলমৰ নামত চৰকাৰে পিএমএৱাই ঘৰৰ আবন্টন দিয়ে আৰু হিতাধিকাৰীসকলৰ নিজৰ নিজৰ বেংক একাউণ্টত প্ৰথম কিস্তি হিচাপে ৩২,৫০০ টকা জমা হোৱাৰ পাছত হিতাধিকাৰীৰ পৰা উক্ত টকা ভিচিডিচিৰ সভাপতিজনে বিচাৰি হাৰাশাস্তি কৰি আছে। নিয়ম মতে হিতাধিকাৰীয়ে নিজে ঘৰ বনাব লাগে কিন্তু ইয়াত হিতাধিকাৰীৰ বিপৰীতে সভাপতিজনে নিজে ঘৰ বনাই দিব বুলি একাউণ্টত থকা ধন তুলি দিবলৈ দিনে নিশাই হিতাধিকাৰীসকলক ব্যতিব্যস্ত কৰাই নহয় মানসিক চাপৰ সৃষ্টি কৰি আছে বুলি অভিযোগ ভুক্তভোগীৰ। হিতাধিকাৰীসকলৰ একাউণ্টত জমা হোৱা ধনেৰে ১৩ পৃষ্ঠাত চাওক

# শাৰাংগ (পল) বুঢ়াগোহাঁই ন্যাসৰ অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ৩ জুলাই ঃ** প্ৰতি বছৰৰ দৰে এইবাৰো শাৰাংগ (পল) বুঢ়াগোহাঁই ন্যাসৰ তৰফৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ বৃহত্তৰ নাহৰকটীয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক জনোৱা অভিনন্দন অনুষ্ঠান আজি বুঢ়াগোহাঁই কমপ্লেক্সত অনুষ্ঠিত কৰে। অনুষ্ঠানত সভাপতিত্ব কৰে ন্যাসৰ সভাপতি দিগন্ত বুঢ়াগোহাঁয়ে। উদ্দেশ্য ব্যাখ্যা কৰে দীপ্তি গগৈয়ে। ন্যাসৰ বিষয়ে দাঙি ধৰে শাৰাংগ বুঢ়াগোহাঁইৰ পিতৃ তথা দাতা পৰিয়ালৰ হৈ প্ৰদীপ বুঢ়াগোহাঁয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে চাচনী চেচাঁসত্ৰ একাডেমী হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক সৰ্বানন্দ সিংহ, কঠালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা অনিমা দত্ত দুৱৰা, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক প্ৰশান্ত ৰাজকোঁৱৰ, ডাঃ দিপশিখা গগৈ, বিদ্যুৎ বিভাগৰ অভিযন্তা সুকন্যা ভূঞা আদি। এই ন্যাসৰ পৰা আৰ্থিক সাহায্য লাভ কৰি নিজৰ ভৱিষ্যৎ গঢ়িবলৈ সক্ষম হোৱা অন্যতম সুমিত ভদ্ৰ আৰু ছিদ্দিকা বাণুও উপস্থিত থাকে। অনুষ্ঠানত অভিনন্দন গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি অভিভাৱকসকলো উপস্থিত থাকে। অনুষ্ঠানত এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ নাহৰকটীয়াৰ দেৱবনিনী সন্দিকৈ, উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ক্ৰমে জয়পুৰৰ নেহা গগৈ, নামৰূপৰ মধুস্মিতা বৰগোহাঁই, চাচনী আমগুৰিৰ মুকুল কিশোৰ সোণোৱাল, নামৰূপৰ প্ৰাচুৰ্যা গগৈ, নাহৰকটীয়াৰ সবিতা ছেত্ৰী, বালিপৰা গাঁৱৰ ৰিচাৰ্ছ বৰুৱাকে ধৰি মুঠ ১৬গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনায়। আনহাতে, আৰ্থিকভাৱে দুৰ্বল কৃতী ছাত্ৰ-ছাত্ৰীসকলক পূৰ্বৰ দৰেই আবেদনৰ ভিত্তিত ন্যাসে সাহায্য প্ৰদান কৰিব।

# তৃতীয় ‘শস্য বীমা সপ্তাহ’ৰ আৰম্ভণি শোণিতপুৰ জিলা কৃষি বিভাগৰ

ষ্টাফ ৰিপ’ৰ্টাৰ

**তেজপুৰ, ৩ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে অসমতো দেশৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে ‘আজাদী কা অমৃত মহোৎসৱ’ অভিযানৰ অধীনত পহিলা জুলাইৰ পৰা সাত জুলাইলৈ উদ্‌যাপন কৰা তৃতীয় ‘শস্য বীমা সপ্তাহ’ৰ আৰম্ভণি কৰা হয়। তৃতীয় ‘শস্য বীমা সপ্তাহ’ উপলক্ষে সমগ্ৰ অসমৰ লগতে শোণিতপুৰ জিলা কৃষি বিভাগেও ‘প্ৰধানমন্ত্ৰী ফচল বীমা’ যোজনাৰ বাবে কৃষক ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে জিলাখনৰ অন্তৰ্গত ৮২খন গাঁও পঞ্চায়ত, ১৫টা কৃষি উন্নয়ন খণ্ড আৰু সাতটা উন্নয়নৰ কৃষকসকলৰ মাজত ‘প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা’ৰ বিষয়ে বিভিন্ন সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হয়। ‘শস্য বীমা সপ্তাহ’ উপলক্ষে গাঁৱে গাঁৱে গৈ ‘প্ৰধানমন্ত্ৰী ফচল বীমা’ৰ বিষয়ে কৃষক ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে এগ্ৰিকালচাৰ ইন্সিওৰেঞ্চ কোম্পানী অফ ইণ্ডিয়া লিমিটেড আৰু শোণিতপুৰ জিলা কৃষি বিভাগৰ সহযোগত আইইচি ভানৰ ব্যৱস্থা কৰা হয়। গাঁৱে গাঁৱে গৈ ‘প্ৰধানমন্ত্ৰী ফচল বীমা’ৰ বিষয়ে প্ৰচাৰ কৰা এই আইইচি ফ্লেগ অফ কৰি আৰম্ভ কৰে শোণিতপুৰ জিলাৰ মহকুমা কৃষি বিষয়া নৱেন চন্দ্ৰ শৰ্মাই। আনহাতে কালিৰে পৰা আৰম্ভ হোৱা ‘শস্য বীমা সপ্তাহ’ উপলক্ষে শোণিতপুৰ জিলা কৃষি বিভাগে জিলাখনৰ প্ৰতিখন গাঁও পঞ্চায়তৰ কৃষকসকলৰ মাজত একোখনকৈ সজাগতা সভা অনুষ্ঠিত কৰি প্ৰধানমন্ত্ৰী ফচল বীমা কৰাৰ পাছত কৃষকসকল কেনেদৰে উপকৃত হ’ব সেই সম্পৰ্কে প্ৰচাৰ কৰি কৃষকৰ মাজত ‘প্ৰধানমন্ত্ৰী ফচল বীমা’ অভিযান আৰম্ভ কৰে। ‘প্ৰধান ফচল বীমা যোজনা’ অধীনত বীমা কৰালে কৃষকসকলে বিভিন্ন প্ৰাকৃতিক ১৩ পৃষ্ঠাত চাওক

# বানত ক্ষতিগ্ৰস্ত কৃষকক সহায়ৰ বাবে কৃষি বিভাগৰ ‘কমিউনিটী নাৰ্ছাৰী’ শীৰ্ষক আঁচনি

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩ জুলাই ঃ** ৰাজ্যখনৰ বিভিন্ন জিলাৰ লগতে দৰং জিলাতো বানে সৰ্বস্তৰৰ বিস্তৰ ক্ষতিসাধন কৰিছে। দৰং জিলাৰ বিভিন্ন অঞ্চল এতিয়াও বানৰ কবলত। এই বানত বিশেষকৈ কৃষকসকল বাৰুকৈয়ে জুৰুলা হৈ পৰিছে। বানত বিধ্বস্ত হোৱা কৃষকসকলক সকাহ দিবলৈ ইতিমধ্যে চৰকাৰৰ কৃষি বিভাগে বিশেষ উদ্যোগ গ্ৰহণ কৰিছে। ইতিমধ্যে ক্ষতিগ্ৰস্ত এইসকল কৃষকক সহায় কৰিবলৈ তৎপৰ হৈছে জিলা কৃষি বিভাগ। দৰং জিলা কৃষি বিভাগৰ ১২ টা কৃষি উন্নয়ন চক্ৰৰ অন্তৰ্গত ৯০ হেক্টৰ মাটিৰ ৪৫০ কুইন্টল বীজ যোগানেৰে ‘সমূহীয়া কঠীয়াতলি’ আঁচনিৰ জৰিয়তে পুনৰ কঠীয়াতলি প্ৰস্তুতিৰ কাম আৰম্ভ কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছে। ৩৫০ কুইন্টল বাহাদুৰ চাব-১ আৰু ১০০ কুইন্টল বীনা ধান-১০ বীজ বিতৰণৰ জৰিয়তে প্ৰায় ৯০০ বিঘা মাটিত কঠীয়া ৰোপণেৰে কৃষকসকল লাভান্বিত হ’ব বুলি জানিবলৈ দিছে জিলা কৃষি বিষয়া জ্যোতিষ চন্দ্ৰ নাথে।

# দৰং জিলা সাহিত্য সভাৰ সভাপতিৰ আকস্মিক পদত্যাগ

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩ জুলাই ঃ** দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন কুমাৰ ৰাজবংশীয়ে মঙলদৈস্থ জিলা সভাৰ কাৰ্যালয় সাহিত্য সভা প্ৰকল্পত সভাৰ প্ৰাক্তন সভাপতিমণ্ডলী ক্ৰমে ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, ফুলেন্দ্ৰনাথ চহৰীয়া, ড° নগেন্দ্ৰ নাথ শৰ্মা আৰু চহিৰ ভূঞা লগতে প্ৰাক্তন সম্পাদক তৰুণ আজাদ ডেকা আৰু বৰ্তমানৰ সম্পাদক গৌতমানন্দ গোস্বামীৰ উপস্থিতিত কাৰ্যকাল সম্পূৰ্ণ হ’বলৈ আৰু মাথোঁ ছমাহ বাকী থকা অৱস্থাত অকাস্মতে পদত্যাগ ঘোষণা কৰে আৰু জিলা সভাৰ উপ-সভাপতি বৰদা শইকীয়াৰ হাতত পদত্যাগ পত্ৰ দাখিল কৰে। ঘাইকৈ তেওঁ জিলা সভাত বিত্তীয় শৃংখলাহীনতা আৰু সংবিধানৰ প্ৰতি আনুগত্যহীনতাৰ পৰিস্থিতিৰ বাবেই পদত্যাগৰ কাৰণ বুলি জানিবলৈ দিয়ে। পৰোক্ষভাৱে জিলা সভাৰ সম্পাদক গৌতমানন্দ গোস্বামীৰ স’তে তেওঁৰ আদৰ্শগত পাৰ্থক্যৰ বাবেই তেওঁ পদত্যাগ কৰা বুলিও ঘোষণা কৰে। এই পদত্যাগ পত্ৰ কোনো পৰিস্থিতিতে তেওঁ প্ৰত্যাহাৰ নকৰে বুলিও ঘোষণা কৰে। পদত্যাগ পত্ৰ তেওঁ অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া আৰু প্ৰধান সম্পাদক যাদৱ শৰ্মালৈ পঠোৱা বুলিও জনায়। এনে পৰিস্থিতিত উপস্থিত প্ৰাক্তন সভাপতিসকলে সভাপতিৰ সাময়িক দায়িত্ব প্ৰাপ্ত উপ-সভাপতি বৰদা শইকীয়াক পূৰ্ণাংগ জিলা কাৰ্যনিৰ্বাহক সভা আহ্বান কৰি এই বিষয়ত সিদ্ধান্ত ল’বলৈ পৰামৰ্শ দিয়ে। জিলা সভাৰ প্ৰস্তাৱিত কাৰ্যনিৰ্বাহক বৈঠক আৰু অসম সাহিত্য সভাই এই বিষয়ত কি সিদ্ধান্ত লয় সেয়াহে হ’ব পৰৱৰ্তী সময়ত লক্ষ্যণীয়।

# ডুমডুমা এফআৰইউত ব্লাড বেংকৰ ব্যৱস্থা কৰাৰ দাবী ৰাইজৰ

**ডুমডুমা, ৩ জুলাই ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ ডুমডুমা এফআৰইউত ব্লাডবেংক এটা নিতান্তই প্ৰয়োজন অনুভৱ কৰিছে ৰাইজে। চৰকাৰী চিকিৎসালয়খনত অস্ত্ৰোপচাৰ কক্ষ এটা কাৰ্যক্ষম হৈ থকাৰ পাছতো দৰিদ্ৰ ৰোগীসকলৰ স্বাৰ্থত স্বাস্থ্য বিভাগে চিকিৎসালয়খনত ব্লাডবেংক এটা অনুমোদন জনোৱাৰ পৰা বিৰত আছে। বৃহত্তৰ ডুমডুমা অঞ্চলটোৰ ৰোগীসকলে ডুমডুমা এফআৰইউখন চিকিৎসাৰ প্ৰাণকেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। তেনে ক্ষেত্ৰত বহু সময়ত তেজৰ প্ৰয়োজন হয়। ৰোগীয়ে তেজ বিচাৰি হাবাথুৰি খাব লগা হয়। ডুমডুমা এফআৰইউত স্থানীয় ৰাইজে শীঘ্ৰে ব্লাডবেংক এটা নিৰ্মাণ কৰাৰ দাবী জনাইছে। উল্লেখ্য যে ডুমডুমা এফআৰইউ চিকিৎসালয়ত ব্লাডবেংকৰ সুবিধা নথকাকৈ স্বাস্থ্য বিভাগে অস্ত্ৰোপচাৰ কক্ষটো চলাই আছে। জৰুৰীকালীন অৱস্থাত প্ৰয়োজন হ’লেও ব্লাড বেংক নাই। অভিযোগ মতে, ডুমডুমা এফআৰইউত কৰ্মৰত মাষ্টাৰ ছাৰ্জেণ্টে মহিলা চিকিৎসক এগৰাকীক ষড়যন্ত্ৰমূলকভাৱে অন্য চিকিৎসালয়লৈ বদলি কৰে। বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য মন্ত্ৰণালয়ে জাৰি কৰা নতুন নিয়মাৱলীৰ মতে, তিনিচুকীয়া জিলা যুটীয়া সঞ্চালকে ডুমডুমা এফআৰইউত সপ্তাহত দুদিন ডুমডুমাৰ দুজন বেচৰকাৰী খণ্ডৰ চিকিৎসক নিয়োগ কৰি ৰাখিছে। ইয়াৰে এজন প্ৰসূতি বিভাগৰ চিকিৎসক আৰু আনজন শিশু বিশেষজ্ঞ চিকিৎসক। উল্লেখ্য যে ডুমডুমাৰ স্থানীয় বিধায়কজনে নিজে এফআৰইউৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ পাছতো চৰকাৰী খণ্ডৰ ব্যস্ততাপূৰ্ণ এফআৰইউত ব্লাডবেংক কক্ষ এটা স্থাপন কৰিবলৈ সক্ষম নোহোৱাত ৰাইজে তীব্ৰ সমালোচনা কৰিছে।

# মৰনৈত অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়াক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা



**মাটিয়া, ৩ জুলাই ঃ** চাকৰি জীৱনৰ পৰা যোৱা ৩০ জুনত অৱসৰ লোৱা গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ উপ-পৰিদৰ্শক আজাহৰ আলী শ্বেখক বিদায় সম্বৰ্ধনা জনোৱা হয়। মৰনৈ আৰক্ষী থানা কৰ্তৃপক্ষ আৰু আৰক্ষী থানাৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীৰ সম্পাদক-সম্পাদিকাসকলে যুটীয়াভাৱে আয়োজন কৰা সভাত পৌৰোহিত্য কৰে স্থানীয় জ্যেষ্ঠ নাগৰিক হৰমোহন কলিতাই। কালি সন্ধিয়া মৰনৈ আৰক্ষী থানাৰ সভাগৃহত আয়োজিত সভাত আৰক্ষী থানাৰ কৰ্তৃপক্ষই অৱসৰপ্ৰাপ্ত উপ-পৰিদৰ্শক আজাহাৰ শ্বেখক শৰাই, ফুলাম গামোচা, জাপি আৰু ছাতিৰে সম্বৰ্ধনা জনায়। আনহাতে, গাঁওৰক্ষী বাহিনীৰ সম্পাদক-সম্পাদিকাসকলৰ ফালৰ পৰা এখন শৰাই, বিদায় সম্বৰ্ধনা পত্ৰ, ফুলাম গামোচা, ধৰ্মপুথি এখন আৰু ছাতি এটাৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। সভাত মৰনৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৃষ্ণকাম বৰদলৈ, মাটিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সমীৰ কোঁৱৰ, ডুবাপাৰা আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লালচান্দ আলী, আৰক্ষী বিভাগৰ বিষয়া-কৰ্মচাৰীবৃন্দ, গাঁওৰক্ষী বাহিনীৰ সম্পাদক-সম্পাদিকাসকলৰ লগতে অঞ্চলটোৰ বয়োজ্যেষ্ঠ ব্যক্তিসকল উপস্থিত থাকে।

# নাট কৰ্মশালা আৰম্ভ

**ডুমডুমা, ৩ জুলাই ঃ** নাটকৰ জৰিয়তে শিক্ষা প্ৰদানৰ দ্বাৰা শিশুসকলৰ ব্যক্তিত্ব বিকাশৰ উদ্দেশ্যেৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কাকপথাৰ আঞ্চলিক সমিতি, উৎস অসমৰ উদ্যোগত আৰু কাকপথাৰ মহিলা সমিতিৰ সহযোগত কাকপথাৰ নিম্ন বুনিয়াদী বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত নাট কৰ্মশালা আজিৰে পৰা আৰম্ভ হৈছে। কৰ্মশালা উদ্বোধন কৰে অসম নাট্য সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি অমূল্য খাটনিয়াৰে। কাৰ্যসূচীত উৎস অসমৰ সঞ্চালক বিপুল ফুকন, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ যুটীয়া সম্পাদক সুৰজিত মৰাণ, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সোণমনি চলিহা, সাংগঠনিক সম্পাদক মনোজ তালুকদাৰ, বিশিষ্ট নাগৰিক মানৱ সোণোৱাল, প্ৰশিক্ষক ডলি কোঁৱৰ, সুনীত বৰা, দীপনজিৎ গগৈ আদি উপস্থিত থাকে।

# তামুলপুৰ বাণিজ্য মহাবিদ্যালয়ত বিশেষ সম্বৰ্ধনা সভা

## উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বাণিজ্য আৰু কলা শাখাত উত্তীৰ্ণ ৮০ গৰাকী কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৩ জুলাই ঃ** নৱ গঠিত তামুলপুৰ জিলাৰ একমাত্ৰ বাণিজ্য শিক্ষাৰ অনুষ্ঠান তামুলপুৰ বাণিজ্য মহাবিদ্যালয়ৰ পৰা সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বাণিজ্য আৰু কলা শাখাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৮০ গৰাকী কৃতীমান ছাত্ৰ-ছাত্ৰী কালি মহাবিদ্যালয় কৰ্তৃপক্ষৰ পৰা বিশেষ সম্বৰ্ধনা জনোৱা হয় । এই উপলক্ষে তামুলপুৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃত এক সম্বৰ্ধনা সভা অনুষ্ঠিত হয় । মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰিক ১৩ পৃষ্ঠাত চাওক

# দাওধাৰাত দুৰ্ঘটনাত গুৰুতৰভাৱে আহত দুই

অগ্ৰদূত বাৰ্তা

**শালবাৰী,** ৩ জুলাই ঃ বাগ্‌সাৰ শালবাৰীৰ ভাৰত-ভূটান সীমান্তৱৰ্তী দাওধাৰাত কালি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। তীব্ৰবেগী মটৰ চাইকেলেৰে ট্ৰাকৰ সন্মুখত খুন্দা মাৰে দুজন যুৱকে। দাওধাৰাৰ ভূটান-পাঠশালা সংযোগী ৰাষ্ট্ৰীয় পথত সংঘটিত হৈছে দুৰ্ঘটনাটো। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত যুৱক দুজনক স্থানীয় শিমলা আৰক্ষী আৰু ৰাইজৰ সহযোগত ততাতৈয়াকৈ প্ৰথমে বাগ্‌সাৰ জালাহ প্ৰাথমিক চিকিৎসালয় আৰু পৰৱৰ্তী সময়ত সংকটজনক অৱস্থাত উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয় যুৱকদ্বয়ক। দুৰ্ঘটনা সংঘটিত কৰা মটৰ চাইকেলখনৰ নম্বৰ এ-এছ- ২৮-৫৮৫৩ আৰু ট্ৰাকখনৰ নম্বৰ বিপি-২/এ-৯৩৮৭।

# আলগাত ৰুচা আঁচনিৰ কেন্দ্ৰীয় মডেল ডিগ্ৰী কলেজ নিৰ্মাণত অনিয়ম

অগ্ৰদূত বাৰ্তা

**গৌৰীপুৰ, ৩ জুলাই ঃ** ধুবুৰী জিলাৰ জৰুৱাৰ চৰ গাঁও পঞ্চায়তৰ মাজেৰ আলগাত কেন্দ্ৰীয় মডেল ডিগ্ৰী কলেজ নিৰ্মাণত ব্যাপক অনিয়ম-দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি কেন্দ্ৰীয় ডিগ্ৰী কলেজখন নিৰ্মাণৰ বাবে ২০১৯ত চৰকাৰে আঁচনিৰ অধীনত আবণ্টন দিয়ে ১১কোটিৰ অধিক ধন। এই কামৰ আধাৰশিলা স্থাপন কৰিছিল স্থানীয় বিধায়ক ৱাজেদ আলী চৌধুৰীয়ে। এই কামৰ ঠিকা লাভ কৰে তেজপুৰৰ প্ৰভাৱশালী ঠিকাদাৰ বাবুল নাথে। ঠিকাদাৰজনে আঁচনিৰ সকলো তথ্য গোপন ৰাখি নিজৰ ইচ্ছা মতে চলাইছে নিৰ্মাণ কাম। অভিযোগ অনুসৰি, ঠিকাদাৰ বাবুল নাথে তিনি মহলীয়া ডিগ্ৰী কলেজ নিৰ্মাণত ব্যৱহাৰ কৰিছে অতি নিম্নমানৰ চিমেণ্ট, ৰড আৰু শিল। আঁচনি মতে, টাটা ৰড ব্যৱহাৰ কৰিব লাগে যদিও ঠিকাদাৰজনে কামৰ তদাৰকী দায়িত্বত থকা ৰহমান ওৰফে মিঠু নামৰ বিভাগীয় অভিযন্তাৰে মিলি দুৰ্গাপুৰ নামৰ নিম্নমানৰ ৰড ব্যৱহাৰ কৰিছে। তেনেদৰে ঢালাইত কেছাৰ শিলৰ বিপৰীতে নদীৰ গোটা শিল ব্যৱহাৰ কৰিছে। আনহাতে নিৰ্মীয়মান কামত ব্যৱহাৰ কৰা হৈছে ৰেমকো নামৰ অতি নিম্ন মানৰ চিমেণ্ট।

নিৰ্মাণ কামত ব্যৱহাৰ কৰা হৈছে বেয়াকৈ মামৰে ধৰা ৰড। কামৰ তদাৰকী দায়িত্বত থকা অভিযন্তাৰ অনুপস্থিতিত ঠিকাদাৰজনৰ ঘনিষ্ঠই এনে নিম্নমানৰ সামগ্ৰীৰে ঢালাই কাম আৰম্ভ কৰাত অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীৰ ১৩ পৃষ্ঠাত চাওক

# হাজোৰ ভৈৰাতোলা জানৰ খহনীয়া পৰিদৰ্শন আছুৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ৩ জুলাই ঃ** মাত্ৰ এসপ্তাহ পূৰ্বে কালৰূপ ধাৰণ কৰা বৰলীয়া আৰু পাগলদিয়া সম্প্ৰতি শান্ত, বাঢ়নী পানী কমিছে। তৎসত্বেও সমগ্ৰ হাজোত অদ্যাপিও বিভীষিকাময় পৰিস্থিতিৰ যেন শাম কটা নাই। বিশেষকৈ বৰলীয়া নৈ সংযোগী ভৈৰাতোলা জানৰ দুয়োপাৰে মথাউৰি নথকাৰ বাবেই জলমগ্ন হ’ল সমগ্ৰ উত্তৰ হাজো। এই ক্ষেত্ৰত জলসম্পদ বিভাগৰ কাণ্ডজ্ঞানহীনতাৰ বাবেই হাজো জলমগ্ন হোৱাৰ গুৰুতৰ অভিযোগ তুলিছে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে। বৰলীয়া নৈ সংযোগী ভৈৰাতোলা জানৰ দুয়োপাৰে প্ৰায় ২০ কিলোমিটাৰ মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত কোনোদিনে গুৰুত্বই নিদিলে স্থানীয় বিধায়িকাগৰাকীৰ লগতে বিয়াগোম বিভাগটোৱে। যাৰ বাবে হাজোৰ অৰ্ধ লক্ষাধিক কৃষকে সৰ্বস্বান্ত হৈ এতিয়া মূৰে কপালে হাত দিছে। আনহাতে, আপোন ঘৰখনৰ ঠিকনা ১৩ পৃষ্ঠাত চাওক

# বি এইচ্ বি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন

## মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ‘আলোক’ উন্মোচন



অগ্ৰদূত বাৰ্তা

**সৰুপেটা,** ৩ জুলাই ঃ স্থানীয় বি এইছ বি মহাবিদ্যালয়ৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস মহাবিদ্যালয়খনৰ ‘ডিজিটেল প্ৰেক্ষাগৃহ’ত কালি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে কালি মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মোফাজ্জুল হুছেইনৰ দ্বাৰা মহাবিদ্যালয়খনৰ পতাকা উত্তোলনৰ জৰিয়তে অনুষ্ঠানৰ আৰম্ভ কৰা হয়। তাৰ পাছতেই মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত ৰজনীকান্ত চৌধুৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি হেমচন্দ্ৰ হালৈয়ে। মহাবিদ্যালয়খনৰ দুগৰাকী প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ১৩ পৃষ্ঠাত চাওক

# ‘সপ্তাশ্ব’ৰ সাদিনীয়া সত্ৰীয়া নৃত্য-খোলবাদন কৰ্মশালাৰ আৰম্ভণি

## তেজপুৰত বিষ্ণুপ্ৰসাদ ৰাভা বঁটাপ্ৰাপক ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শাস্ত্ৰীয় নৃত্য শিল্পী বিপুল দাস

ষ্টাফ ৰিপ’ৰ্টাৰ



**তেজপুৰ,** ৩ জুলাই ঃ তেজপুৰৰ অন্যতম নৃত্যানুষ্ঠান ‘সপ্তাশ্ব’ৰ উদ্যোগত আৰু সংগীত নাটক একাডেমীৰ অৰ্থ সাহায্যত কালিৰে পৰা সাতদিনীয়াকৈ অনুষ্ঠিত সত্ৰীয়া নৃত্য আৰু খোলবাদনৰ এক কৰ্মশালাৰ আৰম্ভণি অনুষ্ঠানত ৰুদ্ৰ বৰুৱা সংগীত মহাবিদ্যালয়ৰ অধ্যাপক তথা শাস্ত্ৰীয় নৃত্যৰ ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিল্পী, বিষ্ণু প্ৰসাদ ৰাভা বঁটা প্ৰাপক বিপুল দাসে তেজপুৰৰ চান্দমাৰিৰ দুৰ্গা পূজা মণ্ডপত এদল কণ কণ শিক্ষাৰ্থীক প্ৰদান কৰে সত্ৰীয়া নৃত্যৰ পাঠ। দাসে আৰম্ভণিতেই কণ কণ শিক্ষাৰ্থীসকলক উচ্চাৰণ আৰু সত্ৰীয়া নৃত্যৰ ব্যাকৰণৰ আভাস দিয়ে। উল্লেখ্য যে বিশিষ্ট নৃত্য গুৰু দাসৰ লগতে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই জিলা সাংস্কৃতিক উন্নয়ন বিষয়া তথা জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া জিতেন কুমাৰ দাস, জ্যোতি কলাকন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ লিখন শৰ্মা, বিশিষ্ট শিক্ষাবিদ ৰমেশ চন্দ্ৰ কলিতা, তেজপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ কমল চন্দ্ৰ উপাধ্যায়ে বন্তি প্ৰজ্বলনেৰে এই সাদিনীয়া গুৰুত্বপূৰ্ণ কৰ্মশালা আৰম্ভ কৰাৰ পাছত উদ্বোধনী ভাষণত বিধায়ক পৃথ্বিৰাজ ৰাভাই পূৰ্বে এনেদৰে কৰ্মশালাৰ জৰিয়তে যিকোনো শিল্প আয়ত্ত কৰাৰ ব্যৱস্থা নাছিল যদিও সম্প্ৰতি বিভিন্ন অনুষ্ঠানৰ প্ৰশিক্ষণ কৰ্মশালাৰ জৰিয়তে কণ কণ শিক্ষাৰ্থীসকলে ১৩ পৃষ্ঠাত চাওক

# শ্ৰদ্ধাঞ্জলি প্ৰফুল্ল চন্দ্ৰ মহন্ত

মৃত্যু অনিবাৰ্য, এই মুহূৰ্তত নহ’লেও এদিন আমাৰ প্ৰত্যেকৰে মৃত্যু আহিবই। মৃত্যু আছে বাবেইতো জীৱনৰ প্ৰতি মুহূৰ্ততে আমাৰ অদম্য হেঁপাহ। ঠিক তেনেদৰে তামুলপুৰৰ খনিকৰ, অৱসৰপ্ৰাপ্ত শিক্ষক, তামুলপুৰ মহকুমা ৰঙালী বিহুৰ প্ৰতিষ্ঠাপক সম্পাদক, তামুলপুৰ শাখা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ মহন্তৰো আছিল অদম্য হেঁপাহ; কিন্তু নিয়তিয়ে সহ্য নকৰিলে।

যোৱা ২০ জুনৰ নিশা ১০ বজাত আমাৰ মাজৰ পৰা তেওঁ আঁতৰি যায়। বিশিষ্ট শিক্ষাবিদ, অভিনেতা, সমাজ সংগঠক, সাহিত্যিক আৰু তামুলপুৰৰ খনিকৰ মহন্তৰ দেহাৱসান সমগ্ৰ তামুলপুৰবাসীৰ লগতে অসমৰো অপূৰণীয় ক্ষতি।

১৯৪৩ ৰ পহিলা মাৰ্চত জন্মগ্ৰহণ কৰা প্ৰয়াত মহন্তই ছাৰে সুদীৰ্ঘ দিন তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল। তামুলপুৰ অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স’তে দীৰ্ঘদিন জড়িত হৈ আছিল। অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ এগৰাকী আগশাৰীৰ নেতা হিচাপে তেওঁ সমাজ-জীৱনৰ স’তে ওতপ্ৰোতভাৱে জড়িত হৈ আছিল আৰু পৰৱৰ্তী কালতো তামুলপুৰ অঞ্চলৰ বৃহৎ সমাজখনক বিভিন্ন দিশত আগবঢ়াই নিয়াৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিছিল। ১৯৬৮ত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি ২০০০লৈ সুদীৰ্ঘ ৩৩ বছৰীয়া শিক্ষকতা জীৱনৰ মাধ্যমেদি অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰখনক আগবঢ়াই নিয়াত উল্লেখযোগ্য অৰিহণা আগবঢ়ায়।


মহন্ত আছিল এগৰাকী অভিনেতা আৰু নাট পৰিচালক। তেখেতে ফণী শৰ্মাৰ ‘চিৰাজ’ নাটককে ধৰি কেবাখনো গুৰুত্বপূৰ্ণ নাটকত অভিনয় কৰি সুখ্যাতি লাভ কৰিছিল। তেওঁ অসম নাট্য সন্মিলন, অসম সাহিত্য সভা আদিৰ স’তে জড়িত আছিল। তামুলপুৰ শাখা সাহিত্য সভাৰ দায়িত্ব বহন কৰাৰ লগতে তামুলপুৰ ক্ৰীড়া সন্থা, তামুলপুৰ মহাবিদ্যালয় পৰিচালনা সমিতি আদিৰ সভাপতি পদ অলংকৃত কৰাৰ লগতে ৰাজনৈতিক দলৰ সদস্যৰূপেও সাংগঠনিক কাম-কাজত জড়িত আছিল। শেহতীয়াকৈ ন-কৈ গঠিত তামুলপুৰ জিলাৰ তামুলপুৰ পৌৰসভাৰ প্ৰথম পৌৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আমাৰ মাজৰ পৰা আঁতৰি যায়।

মৃত্যুৰ সময়ত পত্নীৰ স’তে তিনিগৰাকী জী-জোঁৱাই আৰু দুই পুত্ৰ সন্তানক এৰি থৈ যায়।

আপোনাৰ আত্মাই যাতে সৰগত বাস কৰে, তাৰে কামনাৰে প্ৰভু ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

ব্ৰজেন্দ্ৰনাথ ডেকা

ফোন ঃ ৯৮৬৪০ ৩৮৮১৪





# অগ্ৰগতি অৰ্জন কৰিও স্বস্তিত নাই ভাৰত

## একাদশ শতকেৰে ইংলণ্ডক বিপদৰ পৰা উদ্ধাৰ কৰিলে বেয়াৰষ্ট’ৰে ঃ ভাৰতীয় পেচাৰৰ দুৰ্দান্ত প্ৰদৰ্শন



*শতৰাণ সম্পূৰ্ণ কৰি উল্লাস জনী বেয়াৰষ্ট’ৰ।*

**নিউজ ব্যুৰ’**

**বাৰ্মিংহাম, ৩ জুলাই ঃ** ইংলণ্ডৰ বিপক্ষে যোৱা বছৰৰ শৃংখলাৰ বাকী থকা টেষ্টখনত শতাধিক ৰাণৰ অগ্ৰগতি অৰ্জন কৰিও স্বস্তিত থাকিব পৰা নাই ভাৰতে। আজি ইংলণ্ডে ২৮৪ ৰাণত প্ৰথম ইনিংছ সামৰে। ফলত ভাৰতে ১৩২ ৰাণৰ অগ্ৰগতি অৰ্জন কৰে যদিও পুনৰ শীৰ্ষক্ৰমৰ ব্যৰ্থতাই দলক চিন্তাত ৰাখিলে। বাতৰি যুগুতোৱাৰ সময়লৈ ভাৰতে তিনি উইকেট হেৰুৱাই ৯১ ৰাণ সংগ্ৰহ কৰিছে। সামগ্ৰিকভাৱে দলটো ২২৩ ৰাণত আগবাঢ়ি আছে যদিও এতিয়াও দুটা দিন বাকী আছে। ফলত পুনৰ বৃহৎ স্ক’ৰ সংগ্ৰহ কৰিব নোৱাৰিলে ভাৰত বিপদত পৰাৰো আশংকা আছে।

ইয়াৰ পূৰ্বে আজি ইংলণ্ডক গভীৰ বিপদৰ পৰা উদ্ধাৰ কৰে জনী বেয়াৰষ্ট’ৰে। কালি ঘৰুৱা দলটোৱে ৮৪ ৰাণতে পাঁচ উইকেট হেৰুৱাইছিল। আজি বেয়াৰষ্ট’ৰে অধিনায়ক বেন ষ্ট’ক্‌ছ (২৫)ৰ স’তে ৬৬ আৰু ছেম বিলিংছ (৩৬)ৰ স’তে মূল্যবান ৯২ ৰাণ যোগ দি দলক সকাহ দিয়ে। একাদশ টেষ্ট শতৰাণ অৰ্জন কৰা বেয়াৰষ্ট’ৰে আক্ৰমণাত্মক বেটিঙেৰে ১৪টা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰৰ সহায়ত ১০৬ ৰাণ কৰে। তাৰ মাজতে ভাৰতীয় পেচাৰে দুৰ্দান্ত বলিং কৰে। মহম্মদ ছিৰাজে চাৰিটা, অধিনায়ক যশপ্ৰীত বুমৰাহে তিনিটা, মহম্মদ ছামিয়ে দুটা আৰু শাৰ্দুল ঠাকুৰে এটা উইকেট দখল কৰে। ইফালে, দ্বিতীয় ইনিংছ ভাৰতৰ শুভমন গিল (৪), হনুমা বিহাৰী (১১) আৰু বিৰাট কোহলি (২০) ব্যৰ্থ হয়। চেটেশ্বৰ পূজাৰাই ৩৯ আৰু ঋষভ পণ্টে ১০ ৰাণ কৰি খেলি আছে।



## তেজপুৰত বিশ্বজিত দত্তৰয় ‘বি’ ডিভিজন ফুটবল লীগ

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ৩ জুলাই ঃ** তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা স্থানীয় পল’ ফিল্ডত আৰম্ভ হৈছে বিশ্বজিৎ দত্তৰয় সোঁৱৰণী ‘বি’ ডিভিজন ফুটবল লীগ। আজি অনুষ্ঠিত হোৱা উদ্বোধনী খেলখনত মৰ্ণিং ষ্টাৰ একাদশে তেজপুৰ ফুটবল একাদেমী (বি)ক ৪-০ গ’লৰ ব্যৱধানত পৰাভূত কৰে। দলটোৰ হৈ ৰাকেশ কোচে আটাইকেইটা গ’ল দিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই প্ৰতিযোগিতা উদ্বোধন কৰে। ৰাভাৰ লগতে শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰকো খেলুৱৈসকলৰ স’তে পৰিচয় কৰাই দিয়া হয়।

## উইম্বলডনত ক’ভিড সংক্ৰমণ

**নিউজ ব্যুৰ’**

**লণ্ডন, ৩ জুলাই ঃ** সন্মানীয় গ্ৰেণ্ড শ্লাম উইম্বলডন টেনিছ অব্যাহত আছে যদিও প্ৰতিযোগিতাখনক ৰেহাই দিয়া নাই কৰ’না ভাইৰাছে। ক’ভিড-১৯ত আক্ৰান্ত হোৱাৰ কথা সদৰী কৰিলে জাৰ্মানীৰ মহিলা খেলুৱৈ তামাৰা ক’ৰপাস্থেই। ইতিমধ্যে উইম্বলডনৰ প্ৰথম ৰাউণ্ডতে পৰাজিত হোৱা তামাৰাই সেয়ে ফ্ৰান্সত অনুষ্ঠিত হ’বলগীয়া পৰৱৰ্তী প্ৰতিযোগিতাৰ পৰা বিৰত থাকিব বুলি জানিবলৈ দিছে। প্ৰথম ৰাউণ্ডত তামাৰা হীথাৰ ৱাটছনৰ বিপক্ষে পৰাজিত হৈছিল। আনহাতে, দুৰ্ভাগ্যজনক পৰিস্থিতিত তেওঁ মহিলাৰ ডাবল্‌ছৰ পৰা বাহিৰ হৈছিল। কিয়নো তেওঁৰ ডাবল্‌ছ সংগী ফ্ৰান্সৰ হাৰমনী টেনে ছিংগল্‌ছত অধিক মনোনিৱেশ কৰাৰ সিদ্ধান্তৰে ডাবল্‌ছৰ পৰা নাম প্ৰত্যাহাৰ কৰিছিল।

## কাজাখস্তানত ইলোৰ্ডা কাপ বক্সিঙৰ ফাইনেলত যমুনা বড়ো

### আজি স্বৰ্ণৰ যুঁজত চাৰি ভাৰতীয় মহিলা বক্সাৰ

**নিউজ ব্যুৰ’**

**নতুন দিল্লী, ৩ জুলাই ঃ** কাজাখস্তানৰ নুৰ-ছুলতানত প্ৰথমবাৰলৈ অনুষ্ঠিত হোৱা বিপুল অৰ্থ সম্বলিত ইলোৰ্ডা কাপ বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিলে অসমৰ যমুনা বড়োৱে। আজি মহিলাৰ ৫৪ কেজিৰ ছেমিফাইনেলত যমুনাই স্থানীয় বক্সাৰ আনেল ছাকিয়াছক ৫-০ ব্যৱধানত পৰাজিত কৰে। খেলৰ আৰম্ভণিৰে পৰা দমনীয় ৰূপ ধাৰণ কৰা যমুনাই দুৰ্দান্ত গতি আৰু পদ সঞ্চালনৰ দ্বাৰা স্থানীয় প্ৰতিপক্ষক দিশহাৰা কৰি তোলে। যমুনাৰ প্ৰহাৰৰ পৰা প্ৰতিটো ৰাউণ্ডতে ৰক্ষা পাবলৈ স্থানীয় বক্সাৰগৰাকীয়ে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল।




পদক বিজয়ী যমুনাসহ ভাৰতৰ চাৰি মহিলা বক্সাৰে কাইলৈ বিভিন্ন বিভাগত ফাইনেল খেলিব।

কালি বিশ্ব যুৱ চেম্পিয়ন গীতিকাই ৪৮ কেজিত উজবেকিস্তানৰ মাৰজ’না

ৱৰ্ল্ড চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ

ছাভৰিয়েভা, আলফিয়াই ৮১ কেজিৰ ঊৰ্ধ্বৰ শাখাত কাজাখস্তানৰ ভালেৰিয়া এক্সেন’ভাক পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে ৪৮ কেজিত গীতিকাই ইতিমধ্যেই ফাইনেলত উপনীত হোৱা ভাৰতৰ কলাইৰাণী শ্ৰীনিবাসনৰ বিপক্ষে অৱতীৰ্ণ হ’ব। ইফালে, পুৰুষ-মহিলা মিলাই ভাৰতৰ আন ১০ বক্সাৰে বিভিন্ন শাখাৰ ছেমিফাইনেলৰ পৰা বিদায় লয়। তেওঁলোকৰ অৱশ্যে ব্ৰঞ্জৰ পদকৰ আশা আছে। আজি অনুষ্ঠিত মহিলাৰ ছেমিফাইনেলত ভাৰতৰ সাক্ষী আৰু ছোনিয়া পৰাজিত হয়। সেইদৰে আদি পুৰুষৰ ছেমিফাইনেলত পৰাজিত হয় ভাৰতৰ কুলদীপ, জুগনু, অনন্ত আৰু শচীন।

## বিশ্ব যোগাসন ক্ৰীড়াত তেজপুৰৰ ডিম্পলৰ স্বৰ্ণ



**ষ্টাফ ৰিপ’ৰ্টাৰ,**

**তেজপুৰ, ৩ জুলাই ঃ** গ্ৰীচৰ পৰা ভাৰ্চুৱেলী পৰিচালিত বিশ্ব যোগাসন ক্ৰীড়া চেম্পিয়নশ্বিপ ২০২২ত তেজপুৰ কুন্দৰাবাৰীৰ ডিম্পল কলিতাই ছাব জুনিয়ৰ শাখাৰ পৰম্পৰাগত একক বিভাগত সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। পহিলা জুলাইৰ সন্ধিয়া অনলাইন যোগে ফলাফল লাভ কৰে ডিম্পলে। তেওঁৰ এই সাফল্যত স্থানীয় ক্ৰীড়াপ্ৰেমীক আনন্দিত কৰি তুলিছে। উল্লেখ্য যে চীনকে ধৰি কে’বাখনো ৰাষ্ট্ৰৰ প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। তেজপুৰ কুন্দৰাবাৰীৰ হিৰণ্য কলিতা আৰু কল্পনা কলিতাৰ দ্বিতীয় কন্যা ডিম্পলে ২০২১ৰ ১৭ ডিচেম্বৰৰ পৰা ১৯ ডিচেম্বৰলৈ গুজৰাটৰ লাকুলিছ যোগ বিশ্ববিদ্যালয়ত ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ মন্ত্ৰণালয়ৰ স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় যোগ ক্ৰীড়া ফেডাৰেছনে অনুষ্ঠিত কৰা দ্বিতীয় ৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া চেম্পিয়নশ্বিপতো ছাব জুনিয়ৰ শাখাৰ আৰ্টিষ্টিক শ্ৰেণীত সোণৰ পদক অৰ্জন কৰিছিল। প্ৰতিভাশালী ডিম্পলে এইক্ষেত্ৰত অধিক সাফল্যৰ বাবে নিয়মীয়াকৈ অনুশীলন চলাই গৈছে।

## গৌৰীসাগৰত ফুটবল-ভলীবল প্ৰশিক্ষণ মুকলি

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ৩ জুন ঃ** গৌৰীসাগৰ উপ-ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু গৌৰীসাগৰ যুৱ সংঘৰ সহযোগত আজিৰে পৰা অনুষ্ঠিত হোৱা ফুটবল আৰু ভলীবল প্ৰশিক্ষণ উদ্বোধন কৰা হয়। এই প্ৰশিক্ষণ মুকলি কৰে জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি মনোজ বৰঠাকুৰে। উদ্বোধক বৰঠাকুৰে প্ৰশিক্ষণ মুকলি কৰি কয় যে সু-প্ৰশিক্ষণ নহ’লে কোনো খেলতে সফলতা লাভ কৰিব নোৱাৰি। গৌৰীসাগৰ উপ-ক্ৰীড়া সন্থাৰ উপ-সভাপতি মনোজ কুমাৰ লাহনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানত উদ্দেশ্য ৰাখ্যা কৰে গৌৰীসাগৰ উপ-ক্ৰীড়া সন্থাৰ সম্পাদক অৰূপ বড়াই। বিশিষ্ট সাহিত্যিক জীৱন কৃষ্ণ গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ৰত্নেশ্বৰ বৰা, সুৰেশ বৰা, প্ৰাক্তন খেলুৱৈ তথা সুদক্ষ ৰেফাৰী উমা শইকীয়া আৰু গৌৰীসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক ৰাজীৱ দত্তকে আদি কৰি বহু কেইজন লোক উপস্থিত থাকে। প্ৰশিক্ষণত গৌৰীসাগৰ উপ-ক্ৰীড়া সন্থাৰ অন্তৰ্গত সাতটাকৈ ক্লাবৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

## ইংলণ্ডত শতৰাণ কৰি তৃপ্ত জাদেজা

### কেৰিয়াৰত ইতিবাচক প্ৰভাৱ পেলোৱাৰ আশা অলৰাউণ্ডাৰৰ



**নিউজ ব্যুৰ’**

**বাৰ্মিংহাম, ৩ জুলাই ঃ** ইংলণ্ডৰ বিপক্ষে চলিত টেষ্টত শতৰাণ অৰ্জন কৰি বাৰুকৈয়ে তৃপ্ত ৰবীন্দ্ৰ জাদেজা। কালি ১০৪ ৰাণৰ ইনিংছটো উপহাৰ দিয়াৰ পাছত ভাৰতীয় অলৰাউণ্ডাৰজনে মন্তব্য কৰিছে যে এই শতৰাণে বেটাৰৰূপে তেওঁৰ মৰ্যাদা বৃদ্ধি কৰাৰ সমান্তৰালকৈ নিজৰ কেৰিয়াৰ আগুৱাই নিয়াৰ ক্ষেত্ৰত বিৰাট মনোবল বৃদ্ধি কৰিব।

উল্লেখ্য যে দলৰ বিপদৰ সময়ত জাদেজাই ধৈৰ্যশীল বেটিং কৰাৰ লগতে আনজন শতৰাণকাৰী ঋষভ পণ্ট (১৪৬)ৰ স’তে ষষ্ঠ উইকেটত ২২২ ৰাণ যোগ দিয়ে। দুয়োৰে এই যুটিয়ে দলক বিপদৰ পৰা উদ্ধাৰ কৰাৰ উপৰি ইংলণ্ডক চাপত পেলাবলৈকো সক্ষম হয়। বিদেশত প্ৰথম টেষ্ট শতৰাণ অৰ্জন কৰা জাদেজাই কালিৰ খেলৰ শেষত সংবাদিকৰ আগত কয়, ‘ভাৰতৰ বাহিৰত শতৰাণ কৰিব পাৰি মই আনন্দিত। এজন খেলুৱৈ হিচাপে এয়া ডাঙৰ বিষয়। ইংলণ্ডৰ ছুইং পৰিৱেশত অৰ্জন কৰা এই শতৰাণক মই কেৰিয়াৰৰ বাবে মনোবল বৃদ্ধিৰ কাৰকৰূপে চিহ্নিত কৰিছো।’

## চতুৰ্থ ৰাউণ্ডলৈ অগ্ৰসৰ নাডাল-হালেপ ঃ দুবাৰৰ চেম্পিয়ন কিট’ভা বাহিৰ

# উইম্বলডনত বৃহৎ অঘটনৰ সন্মুখীন ইগা



**নিউজ ব্যুৰ’**

**লণ্ডন, ৩ জুলাই ঃ** উইম্বলডনৰ মহিলা ছিংগল্‌ছত ঘটিল নক্ষত্ৰপতন। মহিলা টেনিছৰ এক নম্বৰ খেলুৱৈ পোলেণ্ডৰ ইগা ছুৱাইটেকে সন্মানীয় প্ৰতিযোগিতাখনৰ তৃতীয় ৰাউণ্ডৰ পৰাই বিদায় ল’বলগীয়া হ’ল। ফ্ৰেন্স অপেন চেম্পিয়ন ইগাক কালিৰ তৃতীয় ৰাউণ্ডৰ খেলত এলিজা ক’ৰ্ণেটে ৬-৪, ৬-২ ছেটত পৰাজিত কৰি বৃহৎ অঘটন ঘটায়। ইয়াৰ ফলত ইগাৰ একেৰাহে ৩৭খন মেচত জয়ৰ ধাৰাও ৰুদ্ধ হ’ল।

ইফালে, মহিলাৰ প্ৰাক্তন এক নম্বৰ খেলুৱৈ ছিম’না হালেপ আৰু পুৰুষৰ সৰ্বাধিক গ্ৰেণ্ড শ্লামৰ অধিকাৰী ৰাফেল নাডাল একক শাখাৰ চতুৰ্থ ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। কালি স্পেনিছ তাৰকা নাডালে তৃতীয় ৰাউণ্ডৰ খেলত নেদাৰলেণ্ডৰ ব’টিক ফান ডে জাণ্ডছুপক ৬-১, ৬-২, ৬-৪ ছেটত পৰাজিত কৰে। আনহাতে, মহিলাৰ ছিংগল্‌ছত ৰোমানিয়াৰ তাৰকা হালেপে পোলেণ্ডৰ মেগডালিনা ফেচক ৬-৪, ৬-১ ছেটত হৰুৱায়। অৱশ্যে পূৰ্বৰ দুবাৰৰ চেম্পিয়ন পেট্ৰা কিট’ভাৰ বিপক্ষে তুমুল যুঁজত জয়ী হয় বিশ্বৰ চতুৰ্থ ৰেংকিঙৰ মহিলা খেলুৱৈ পাউলা বাড’ছা। স্পেনিছ তাৰকাগৰাকীয়ে খেলখনত ৭-৫, ৭-৬ (৭/৪) ছেটত জয়ী হৈ চতুৰ্থ ৰাউণ্ডলৈ অগ্ৰসৰ হয়।

## মণ্টু শৰ্মা ‘এ’ ডিভিজন মৰাণ আন্তঃক্লাব ফুটবল আৰম্ভ

### মৰাণ ফুটবল একাডেমীৰ সম্পূৰ্ণ পইণ্ট

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩ জুলাই ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত আজিৰ পৰা আৰম্ভ হোৱা মণ্টু শৰ্মা ‘এ’ ডিভিজন মৰাণ আন্তঃক্লাব ফুটবল লীগত মৰাণ ফুটবল একাডেমীয়ে চেপন ক্ৰীড়া সন্থাক ১-০ গ’লৰ ব্যৱধানত পৰাজিত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। সুন্দৰ ফৰকাল বতৰত অনুষ্ঠিত খেলৰ প্ৰথমাৰ্দ্ধ গ’ল শূন্যভাৱে অন্ত পৰে। অৱশ্যে দ্বিতীয়াৰ্দ্ধৰ খেল শেষ হ’বলৈ দুই মিনিট থকা অৱস্থাত মৰাণ ফুটবল একাডেমীৰ দেৱজিৎ গগৈয়ে একমাত্ৰ গ’লটো দিয়ে। খেলখন পৰিচালনা কৰে ত্ৰিদীপ ফুকন, জুন বৰগোহাঁই, ভাস্কৰজ্যোতি গগৈ আৰু উজ্জল প্ৰতীম বৰঠাকুৰে। ইয়াৰ পূৰ্বে উদ্বোধনী অনুষ্ঠানত মৰাণ জিলা ক্ৰীড়া সন্থাৰ জ্যেষ্ঠ উপ-সভাপতি অজয় কুমাৰ মহনে ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰাৰ পাছতে প্ৰয়াত মণ্টু শৰ্মাৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শৰ্মাৰ সহধৰ্মিনী অৰুন্ধতী শৰ্মাই। প্ৰাক্তন ৰাজ্যিক ফুটবলাৰ অনিল বৰগোহাঁয়ে উদ্বোধন কৰা লীগৰ উদ্বোধনী অনুষ্ঠানত মৰাণহাট ক্ৰীড়া সন্থাৰ প্ৰতিষ্ঠাপক অতুল গগৈ মুখ্য অতিথিৰূপে উপস্থিত থাকে।

## অসম ৰাজ্যিক পাঞ্জা সন্থাৰ সাধাৰণ সভা

### নগাঁও জিলাৰ সভাপতি অভিজিত কুমাৰ নাথ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুলাই ঃ** অসম পাঞ্জা সংস্থাৰ ৰাজ্যিক সমিতিৰ এখন বিশেষ বৈঠক আজি নগাঁও চহৰত অনুষ্ঠিত হয়। চহৰখনৰ পানীগাঁও শিৱনগৰস্থিত নৱৰূপ জাতীয় বিদ্যাপীঠৰ সভাগৃহত অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে অসম ৰাজ্যিক পাঞ্জা সংস্থাৰ অধ্যক্ষ মুনীন্দ্ৰ শইকীয়াই। সভাৰ প্ৰাৰম্ভতে নগাঁও জিলা সমিতিৰ সভাপতিৰূপে অভিজিত কুমাৰ নাথক সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰে। উক্ত সভাতেই ৰাজ্যিক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ সন্দৰ্ভত বিতং আলোচনা কৰা হয় আৰু চলিত মাহৰ ভিতৰতে দুদিনীয়াকৈ নগাঁও চহৰত অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক সমিতিয়ে নগাঁও জিলা সমিতিক অনুৰোধ জনায়। ইয়াৰ বাবে যাৱতীয় কাম-কাজ খৰতকীয়া কৰাৰ বাবে ৰাজ্যিক সমিতিয়ে আহ্বান জনোৱাৰ উপৰি বান ক্ষতিগ্ৰস্ত নগাঁও জিলাক সকাহ দিবলৈ সকলো জিলা সমিতিকে ৰাজ্যিক সমিতিয়ে আহ্বান জনাইছে। সভাত ৰাজ্যিক সমিতিৰ সভাপতি ৰাহুল দেৱ কলিতা, কাৰিকৰী সঞ্চালক বিবেকানন্দ হাজৰিকা, কোষাধ্যক্ষ শান্তনু দাস, অশোক কুমাৰ বৰা, জীৱন ভৰালী, কনক হাজৰিকা, মাধুৰ্য ডেকা, হীৰু ডেকা, প্ৰসেনজিৎ শইকীয়া, সৌৰভ হাজৰিকা, দিলীপ লস্কৰকে আদি প্ৰবীণ খেলুৱৈসকল সভাত উপস্থিত থাকে।

## আজিৰে পৰা অইল-আইটা ছুপাৰ ছিৰিজৰ মূল পৰ্ব

**গুৱাহাটী, ৩ জুলাই ঃ** অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচল টেনিছ কমপ্লেক্সত আয়োজিত ল’ৰা-ছোৱালীৰ অনূৰ্ধ্ব ১৬ আৰু ১৮ বছৰৰ অইল-আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাৰ মূল পৰ্বৰ খেলসমূহ কাইলৈৰ পৰা আৰম্ভ হ’ব। আজি ল’ৰাৰ দুটা বয়সৰ শাখাৰ যোগ্যতা অৰ্জনকাৰী পৰ্বৰ খেলসমূহ সমাপ্ত হয়।যোগ্যতা অৰ্জনকাৰী পৰ্বৰ জৰিয়তে অসমৰ মুঠ ১১জন ল’ৰা খেলুৱৈয়ে মূল পৰ্বত খেলাৰ যোগ্যতা অৰ্জন কৰিছে। অনূৰ্ধ্ব-১৮ বছৰৰ একক শাখাত যোগ্যতা অৰ্জন কৰা খেলুৱৈ তিনিজন হৈছে অভিৰাজ দত্ত, ৰিয়ান কাশ্যপ আৰু অৰুনেশ বৰা। আনহাতে, আঠজন খেলুৱৈয়ে ১৬ বছৰ অনূৰ্ধ্বৰ একক শাখালৈ যোগ্যতা অৰ্জন কৰিছে। তেওঁলোক হ’ল বৰ্ণিল বি বৰা, জ্যোতিস্মান বড়ো, ৰিত্বিক ৰাউট, অয়ন ভূএগ, আদিত্য বি কামান, ৰাজদীপ হাজৰিকা, দৰ্শন গোস্বামী আৰু চাণ্ডোগ্য টি পাঠক। কাইলৈ পুৱা ন বজাত প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ’ব। মুখ্য অতিথিৰূপে উপস্থিত থাকিব অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া (আবাসিক) প্ৰশান্ত বৰকাকতি।




*উইম্বলডনৰ তৃতীয় ৰাউণ্ডৰ খেলত জয়ী হৈ ৰাফেল নাডালৰ উল্লাস।*

### নুৰুল আমিন প্ৰাইজমানি নগাঁও প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল

## অম্লান গোষ্ঠীৰ বৃহৎ জয় অৰ্জন


**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৩ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত অম্লান গোষ্ঠীয়ে উদয় সংঘক ৬-০ গ’লত সহজেই হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ



খেলখনত অম্লান গোষ্ঠীৰ হৈ ব্ৰজেন মুছাহাৰীয়ে তিনিটা, লেভিছ মাৰাকে দুটা আৰু বুবুধন দৈমাৰীয়ে এটাকৈ গ’ল দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী শৈলেন ভূএগক সহায় কৰে কল্যাণ বৰুৱা, ঘনশ্যাম দাস আৰু দিব্যজ্যোতি শৰ্মা (চতুৰ্থ)ই। খেলখনত অম্লান গোষ্ঠীৰ ব্ৰজেন মুছাহাৰী শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।

## জামুগুৰিহাটত এমহীয়া সাঁতোৰ প্ৰশিক্ষণ



**অগ্ৰদূত বাৰ্তা**


**নদুৱাৰ ঃ ৩ জুলাই ঃ** সাঁতোৰ প্ৰশিক্ষণৰ জৰিয়তে বহুসংখ্যক প্ৰশিক্ষাৰ্থীক ৰাজ্যিক পৰ্যায়ত অংশগ্ৰহণৰ বাবে উপযুক্ত কৰি তোলা শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ অন্যতম ক্ৰীড়া অনুষ্ঠান নদুৱাৰ সাঁতোৰ সন্থাই এইবেলিও পূৰ্বৰ ধাৰা অক্ষুণ্ণ ৰাখি গ্ৰীষ্মকালীন সাঁতোৰ প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিছে। অসম সাঁতোৰ সন্থাৰ সৌজন্যত আৰু নদুৱাৰ সাঁতোৰ সন্থাৰ উদ্যোগত পহিলা জুলাইৰ পৰা অনুষ্ঠিত কৰা এমহীয়া এই গ্ৰীষ্মকালীন সাঁতোৰ প্ৰশিক্ষণ শিবিৰত জামুগুৰিহাটৰ লগতে বিশ্বনাথ চাৰিআলি, চতিয়া, বালিপৰা আদিৰ পৰা অহা বহুসংখ্যক শিশু-কিশোৰ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। জামুগুৰিহাটৰ বৰভগীয়া সাঁতোৰ কেন্দ্ৰ আৰু কুসুমটোলাস্থিত অমৃতোপম পাব্লিক স্কুলত বছৰটোৰ প্ৰতিটো সময়তেই প্ৰশিক্ষাৰ্থীসকলক সাঁতোৰৰ প্ৰশিক্ষণ দি থকাৰ থকাৰ উপৰি বিশেষভাৱে আয়োজন কৰা গ্ৰীষ্মকালীন এই সাঁতোৰ প্ৰশিক্ষণ শিবিৰটোৰ জৰিয়তে শিশু-কিশোৰসকলক সাম্প্ৰতিক সময়ত দেখা দিয়া কৃত্ৰিম বানেই হওক নতুবা বাঢ়নী পানীয়েই হওক, তেনে সময়ত যাতে শিশু-কিশোৰসকলে নিজক সুৰক্ষিত কৰি তুলিব পাৰে তাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিয়েই এই শিবিৰটোত সাঁতোৰৰ প্ৰশিক্ষণ দিয়া হৈছে বুলি জানিবলৈ দিয়ে নদুৱাৰ সাঁতোৰ সন্থাৰ সম্পাদক প্ৰাঞ্জল শইকীয়া আৰু সহকাৰী সম্পাদক নদুৱাৰ সাঁতোৰ সন্থাৰ সহকাৰী সম্পাদক তথা সহ প্ৰশিক্ষক অবিনাশ তালুকদাৰে। সাঁতোৰ প্ৰশিক্ষণ শিবিৰটোত অংশগ্ৰহণ কৰিব বিচাৰিলে ৯১০১১-৯৪৩৭৩ নতুবা ৮৬৩৮৩-২৪৮০৩ নম্বৰত যোগাযোগ কৰিবলৈও অনুৰোধ জনাইছে উদ্যোক্তা নদুৱাৰ সাঁতোৰ সন্থাই। উল্লেখ্য যে অসম সাঁতোৰ সন্থাৰ সৌজন্যত আৰু নদুৱাৰ সাঁতোৰ সন্থাৰ উদ্যোগত জামুগুৰিহাটত বিগত সময়ছোৱাত বহুকেইটা সাঁতোৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ লগতে প্ৰশিক্ষণৰত কে’বাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে ৰাজ্যিক পৰ্যায়ত ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে।

## তিনি হেজাৰ মিটাৰত ৰাষ্ট্ৰীয় অভিলেখ পাৰুলৰ



**নিউজ ব্যুৰ’**

**নতুন দিল্লী, ৩ জুলাই ঃ** ন মিনিটৰো কম সময়ত তিনি হেজাৰ মিটাৰ দৌৰ সম্পন্ন কৰা ভাৰতৰ প্ৰথমগৰাকী মহিলা দৌৰবিদত পৰিগণিত হ’ল পাৰুল চৌধুৰী। কালি লছ এঞ্জেল্‌ছত অনুষ্ঠিত ছাউণ্ড ৰাণিং ছানছেট ট্ৰ্যৰত পাৰুলে এই কৃতিত্ব অৰ্জন কৰে। ইয়াৰ লগতে তেওঁ মহিলাৰ তিনি হেজাৰ দৌৰত ৰাষ্ট্ৰীয় অভিলেখো ভংগ কৰে। আঠ মিনিট ৫৭.১৯ ছেকেণ্ডত তেওঁ দৌৰ সম্পূৰ্ণ কৰে। অহা ১৫ জুলাইৰ পৰা আৰম্ভ হ’বলগীয়া ৱৰ্ল্ড এথলেটিক চেম্পিয়নশ্বিপৰ প্ৰস্তুতি মৰ্মে পাৰুলে এই প্ৰতিযোগিতাত অংশ লৈছিল। কালি তেওঁ লগানথান ছুৰীয়াৰ পূৰ্বৰ ন মিনিট ৪.৫ ছেকেণ্ডৰ ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰে। উল্লেখ্য যে কালিৰ দৌৰত পাৰুলে তৃতীয় স্থান অধিকাৰ কৰে। তেওঁ আগন্তুক বিশ্ব এথলেটিক্‌ছত তিনি হেজাৰ মিটাৰ ষ্টীপলচেজত প্ৰতিদ্বন্দ্বিতা কৰিব।


অসম চৰকাৰ
অসমে
আন্তৰিকতাৰে
আদৰণি জনাইছে
শ্ৰীথাৰমান শনমুগাৰত্নম
মাননীয় জ্যেষ্ঠ মন্ত্ৰী, ছিংগাপুৰ
৪ আৰু ৫ জুলাই, ২০২২ তাৰিখে দুদিনীয়া ৰাজ্যিক
ভ্ৰমণৰ বাবে অহা
শ্ৰীথাৰমান শনমুগাৰত্নম
মাননীয় জ্যেষ্ঠ মন্ত্ৰী, ছিংগাপুৰ
আৰু
ছিংগাপুৰ উচ্চায়ুক্তৰ প্ৰতিনিধিসকললৈ
জনসংযোগ/ডি/৩৭৩৩/২২
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত । আমাক অনুসৰণ কৰক /@diprassam https://dipr.assam.gov.in/
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ত Assam লিখি ৱাটছএপ কৰক